আলোচনী

২য় প্রকাশ

NABAJYOTI COLLEGE LIBRARY

# নব-জ্যোতি

মহাবিদ্যালয়

সম্পাদক—
মোঃ লাল মামুদ খান।

# ৰ-জ্যোতি মহাবিদ্যালয়ৰ মুখ-পত্ৰ

BARAJYOTI COLLEGE LIBRARY
Estd-1971
Dist:-Kamrup,
(Assam)



দ্বিতীয় বছৰ ★ দ্বিতীয় সংখ্যা

১৯৮১—৮২ চন ।

দেষ্টা —
ঃ ছাত্তাৰ আহমেদ [ অধ্যক্ষ ]

তত্ত্বাৱধায়ক—
শ্ৰীভগীৰথ নাথ [ অধ্যাপক ]

সম্পাদক—
মোঃ লাল মামুদ খান ।

# সম্পাদনা সমিতি

১৯৮১ – ৮২ ইং চন

অধ্যক্ষ— আঃ ছাত্তাৰ আহমেদ [ সভাপতি ]

উপাধ্যক্ষ— মোজাম্মেল হুছেইন [ উপ-সভাপতি ]

অধ্যাপক— ভগীৰথ নাথ [ তত্ত্বাৱধায়ক ]

মোঃ লাল মামুদ খান, সম্পাদক

অধ্যাপক— লম্বিত কোঁৱৰ সদস্য

এম. আব্দুল হক ”

এম. হাছান আলী ”

এম. নবিবৰ ৰহমান ”


মিচ্ শামচুন নেহাৰ সদস্যা

“সকলো স্বৰ্গগত মহান ব্যক্তিক আমি চিৰদিনেই
শ্ৰদ্ধাৰে সোঁৱৰিম,
সোঁৱৰিম আৰু সেই মহান বীৰ সমাজ কৰ্মীক;
যিসকল হল নৱ-জ্যোতিৰ শিৰ”

# সূচীপত্র


| | | |
|---|---|---|
| নৱ-জ্যোতি মহাবিদ্যালয়ৰ ইতিবৃত্তি | ১ | এম, মোজাম্মেল হুছেইন, উপাধ্যক্ষ |
| নৱ-জ্যোতি ( কবিতা ) | ৬ | মোঃ লাল মামুদ খাঁন |
| কৰ্ত্তব্য হীনতা ( গল্প ) | ৭ | মোঃ হাছান আলী |
| ত্যাগৰ মূল্য ( কবিতা ) | ৯ | মিচ্ ছাহেবা খাতুন |
| চেতনাঃ মাটিৰ পৃথিৱী ( কবিতা ) | ১০ | মহম্মদ আলী |
| অকণি হিয়াঃ অকণি মৰম ( চুটিগল্প ) | ১১ | মোঃ সহিদুৰ ৰহমান |
| অৱসাদ ( কবিতা ) | ১৫ | নবিবৰ ৰহমান |
| চিৰ বিদায় ( কবিতা ) | ১৫ | মিচ সুলতা কৰ্ম্মকাৰ |
| স্বদেশানুৰাগী বেজবৰুৱা ( প্ৰৱন্ধ ) | ১৬ | অধ্যাপক— ভগীৰথ নাথ এম, এ |
| অনুতাপ ( কবিতা ) | ২০ | এম, এ, ৰহমান |
| গোলাপ ( কবিতা ) | ২১ | আব্দুল হক |
| বিদায় ( কবিতা ) | ২১ | এম, মোবিনুৰ ৰহমান |
| হজৰত মহম্মদ ( দৰ ) ( প্ৰৱন্ধ ) | ২২ | আছৰ উদ্দিন মণ্ডল |
| মাধুৰি ( কবিতা ) | ২৮ | আঃ বাৰেক মিঞা |
| ভাৰতৰ পঞ্চম ৰাষ্ট্ৰপতি মৰহুম | | |
| ফকৰুদ্দিন আলি আহমেদ ( জীৱনী ) | ২৯ | মোঃ গোলাম মস্তফা |
| এটি গীত ( কবিতা ) | ৩৪ | আব্দুল বাৰেক আহমেদ |
| সমদল ( কবিতা ) | ৩৪ | মোঃ ছায়েদুৰ ৰহমান |
| সম্পাদকীয় | ক | |
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ঘ | |
| খেল সম্পাদকৰ প্ৰতিবেদন | জ | |
| সমাজ সেৱা সম্পাদকৰ ,, | ঞ | |
| সাংস্কৃতিক সম্পাদকৰ ,, | ট | |
| তৰ্ক সভা সম্পাদকৰ ,, | ঢ | |
| ছাত্ৰ জিৱনি কোঠা সম্পাদকৰ ,, | ণ | |
| ছাত্ৰী-জিৱনি কোঠা সম্পাদিকাৰ ,, | | |


## সম্পাদনা সমিতি—১৯৮১-৮২ চন।



থকা— [ বাওঁফালৰ পৰা ] অধ্যাপক শ্ৰীভগীৰথ নাথ ( তত্বাঃ আলোচনী ), অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ ( সভাপতি ), উপাধ্যক্ষ মোজাম্মেল হুছেইন ( উপ-সভাপতি ), আব্দুল হক ( সদস্য ), অধ্যাপক লম্বিত কোঁৱৰ ( অনুপস্থিত সদস্য )

হৈ থকা— [ বাওঁফালৰ পৰা ] মিচ শামচুন নেহাৰ ( সদস্যা ); মোঃ লাল মামুদ খান ( সম্পাদক আলোচনী ), হাছান আলী ( সদস্য ), মোঃ নবিবৰ ৰহমান ( সদস্য )

NABAJYOTI COLLEGE (SEAL) P.O. KALGACHIA

# নৱ-জ্যোতি মহাবিদ্যালয়ৰ ইতিবৃত্ত

এম. মোজাম্মেল হুছেইন।
উপাধ্যক্ষ,
নৱ-জ্যোতি মহাবিদ্যালয়।

(১৯৬৯ চনৰ পৰা ১৯৭৬ চনলৈ—এই আঠ বছৰ-কাল নৱজ্যোতি মহা বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদকৰ দায়িত্ব বহন কৰি আৰু ইয়াৰ উপাধ্যক্ষ হিচাবে লিখকে কলেজ খনৰ বিভিন্ন কাম-কাজৰ লগত জড়িত থাকি যি অভিজ্ঞতা লাভ কৰে তাৰেই আলমলৈ এই প্ৰৱন্ধখন যুগুত কৰিছে)

(সম্পাদক)

'অভাৱেই আবিষ্কাৰৰ মূল' বুলি একাষাৰ কথা আছে। নৱ-জ্যোতি মহাবিদ্যালয়ৰ স্থাপনৰ উৎস মূলতে ইয়াতেই। দুখীয়া-দৰিদ্ৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে কলেজীয়া শিক্ষাৰ দুৱাৰ মুকলি কৰিবলৈ তেনেকুৱা এখন অনুষ্ঠানৰ প্ৰয়োজনবোধ আমাৰ অঞ্চলৰ সমাজকৰ্মী সকলে উপলব্দি কৰি আহিছিল। দৰাচলতে প্ৰতিজন মানুহে এই অভাৱ স্বতঃস্ফুৰ্ত্ত ভাবেই অনুভৱ কৰিছিল, ইয়াৰ সপোন প্ৰত্যেকেই দেখিছিল। এই সপোনৰ বাস্তৱৰূপ দেখিবলৈ প্ৰত্যেকেই অতি আগ্ৰহেৰে বাট চাই আছিল।

নৱ-জ্যোতি মহাবিদ্যালয়ৰ ইতিহাসত ১৯৬৯ চন অতি উল্লেখনীয় বছৰ। এই বছৰৰ আৰম্ভনীৰ পৰা শিক্ষানুৰাগী জনসাধাৰণে আমাৰ অঞ্চলৰ বিভিন্ন ঠাইত সভা-সমিতি পাতি কলেজ এখন স্থাপন কৰিব লাগে বুলি প্ৰস্তাৱ আদিৰ যোগে মতামত প্ৰকাশ কৰিবলৈ লয়। কলগাছিয়া, গুনিয়াল গুৰী, বালাগাওঁ, লাংলা চাক্‌লা আদি ঠাইত তেনেকুৱা সভা অনুষ্ঠিত হয়। সেই সভাবিলাক অঞ্চল বিশেষে অনুষ্ঠিত হৈছিল, গতিকে বৰপেটা মহকুমাৰ দক্ষিণ পশ্চিম আৰু সন্নিকটবৰ্ত্তী গোৱালপাৰা জিলাৰ একাংশত বসবাস কৰা জন-সাধাৰণৰ মতামতৰ সমন্বয় সাধন কৰিবলৈ এটা নিৰ্দ্দিষ্ট ঠাইত এখন সভাত তেওঁলোকক মিলিত কৰাৰ প্ৰয়োজনবোধ এই অঞ্চলৰ সমাজকৰ্মী সকলে কৰিছিল, আৰু তেওঁলোকে অৱশেষত তেনেকুৱা এখন সভা আয়োজন কৰিবলৈ লিখকৰ ওপৰত দায়িত্ব দিয়ে। গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ উপাধী লৈ আৰু আইন পৰীক্ষা পাচ কৰি ওকালতি ব্যৱসায় কৰিবলৈ প্ৰস্তুত হৈ থাকোতে সমাজৰ পৰা অৰ্পণ কৰা এই দায়িত্ব গধুৰ যেন লাগিলেও এই চেষ্টাৰ ফল

স্বৰূপে এটা মহান প্ৰতিষ্ঠান অৱশেষত বাস্তৱৰূপ লবগৈ পাৰে, মনে মনে এই কথা ভাবি আনন্দ পাইছিলো। এই দায়িত্বৰ ফলশ্ৰুতি হিচাপে ১৯৬৯ চনৰ ডিচেম্বৰ মাহৰ ১৪ তাৰিখত কলগাছিয়াত এখন বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হয়। আমাৰ অঞ্চলৰ শিক্ষানুৰাগী, সমাজকৰ্ম্মী, শিক্ষক, ছাত্ৰ-যুৱক আৰু অসংখ্য জনসাধাৰণে সভাত যোগদান কৰে। সভাত কলেজ এখন স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু নৱজ্যোতি মহাবিদ্যালয় নামেৰে নামকৰণ কৰা কলেজৰ স্থান নিৰ্দ্ধাৰণ কৰিবলৈ এটি সৰু 'স্থান নিৰূপণ কমিটী' গঠন হয়। উক্ত কমিটীৰ বৈঠক সেই বছৰৰ ডিচেম্বৰ মাহৰ ২০ তাৰিখত বৰভীঠা হাইস্কুলত অনুষ্ঠিত হয় আৰু সেই বৈঠকত কলেজৰ স্থান কলগাছিয়াত নিৰ্দ্ধাৰিত হয়। ১৯৭০ চনৰ ২৬ জানুৱাৰী তাৰিখত কলগাছিয়াত অনুষ্ঠিত সাধাৰণ সভায় স্থান নিৰূপন কমিটিৰ সিদ্ধান্ত লৈ অনুমোদন দিয়ে আৰু উক্ত সভাতেই মৰহুম আলহাজ মছুলীম উদ্দিন আহম্মেদ চাহাবক সভাপতি আৰু এই লিখকক সম্পাদক হিচাবে লৈ এটি ৩৫ জনীয়া কলেজ স্থাপনা কমিটি [ Sponsoring Body ] গঠন কৰা হয়। এই কমিটিৰ উদ্দ্যোগতেই নৱজ্যোতি মহাবিদ্যায়ৰ স্থাপনৰ কাম আগবাঢ়িবলৈ লয়। ১৯৭০-৭১ চনৰ শিক্ষা বছৰৰ পৰা কলেজ খোলাৰ সিদ্ধান্ত লোৱা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত এই সম্বন্ধে যোগাযোগ কৰা হয়, কিন্তু কলেজ খোলাৰ কাৰণে বান্ধি দিয়া স্বৰ্ত্তাৱলী পুৰণ কৰিবলৈ নোৱাৰাত উক্ত বছৰৰ কাৰণে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অনুমতি নিদিলে। আনকি আমি পৰিদৰ্শনৰ কাৰণে কৰা প্ৰাৰ্থনাও নামাঞ্জুৰ কৰিলে। ইয়াৰ এটা বিৰূপ প্ৰতিক্ৰিয়া আমাৰ সমাজত দেখা দিলে। বিশ্ব-

বিদ্যালয়ৰ কৰ্তৃপক্ষই আনকি ভবিষ্যতেও কলে খোলাৰ অনুমতি নিদিব বুলি এটা ভুল ধাৰ ক্ৰমাগত ভাবে আমাৰ অঞ্চলৰ হোজা ৰাই মাজত বিয়পিবলৈ ধৰিলে। চাৰিও পিনে এ নিৰাশা ভাৱ। এনে অৱস্থাত ৰাইজৰ মাজ বিশ্বাস অটুট ৰখা টান হব বুলি কলেজৰ উদ্যো সকলে উপলব্ধি কৰিব পাৰিলে। কিন্তু একা পতীয়াকৈ কোনো এটা কামত লাগিলে তাক শেষত গৈ সমাধা কৰা যায়, নৱ-জ্যোতি ম বিদ্যালয়ৰ পৰবৰ্ত্তী ইতিহাস তাৰ জ্বলান্ত প্ৰমা যি হওক, এই পৰিস্থিতিত কলেজৰ নিচিনা কি এটা দেখুৱাব নোৱাৰিলে ৰাইজৰ উৎসাহ উ পনা যে মৰহি যাব এই কথা সুনিশ্চিত ভ উদ্যোগী সকলে বুজিব পাৰিলে। গতিকে অনু নোপোৱা স্বত্বেও ১০-৫-৭০ ইং তাৰিখৰ কলে স্থাপনা কমিটীৰ বৈঠকত ১৯৭০-৭১ শিক্ষা বছ পৰা টিউটৰিয়েল ক্লাছ খোলাৰ সিদ্ধান্ত লোৱা হয় কলগাছিয়াত ক্লাছ চলাব পৰা কোনো সুবিধা নথ গুনিয়ালগুৰী উচ্চ ইংৰাজী বিদ্যালয়ত কলে ক্লাছ চলাবলৈ সিদ্ধান্ত লোৱা হয়। সেই সি অনুসাৰে ইং ৫।৮।৭০ তাৰিখ বুধবাৰে আবে টা বজাত গুনিয়ালগুৰী উচ্চ ইংৰাজী বিদ্যা অসংখ্য মানুহৰ সমাবেশত অধ্যাপক ৰমেজ উ আহম্মেদ [ সৰভোগ ] চাহাবে নৱজ্যোতি বিদ্যালয়ৰ প্ৰাক্ বিশ্ব বিদ্যালয়ৰ ১ম বাৰ্ষিক [ক শ্ৰেণীৰ দ্বাৰ উন্মোচন কৰে। ২২ জন ছাত্ৰলৈ আৰম্ভ কৰা হয়। বছিৰ উদ্দিন আহম্মেদ এ [ চাক্‌লা ] চাহাবক কলেজৰ অধ্যক্ষ, লিখ উপাধ্যক্ষ আৰু শ্ৰীযুত কন্দৰ্প কুমাৰ গো ডাওৰীয়াক অসমীয়া বিভাগৰ অধ্যাপক হি কমিটীয়ে নিযুক্তি দিয়ে। কলেজ খোলাত ৰ



উৎসাহিত হ'ল, কলেজ নিশ্চয়ই হব এনেকুৱা এটা ধাৰণা বিশ্বাস ৰাইজৰ মাজত আকৌ আহিব ধৰিলে। সন্ধিয়া ৬ বজাত ক্লাছ আৰম্ভ হয়, হেচাক বাতিৰ পোহৰত আমি ছাত্ৰ সকলক শিক্ষাদান কৰিছিলো। আমাৰ বিষয়বোৰৰ উপৰিও ইংৰাজী, ইতিহাস, শিক্ষা বিষয়, ভুগোল আদি বিষয়বোৰ আমি শিকাইছিলো। স্থানীয় মানুহ বিলাক ইমান উৎসাহিত হৈছিল যে তেওঁলোক প্ৰতিদিন শ্ৰেণী কোঠাৰ চাৰিও পিনে থিয় হৈ কলেজীয়া শিক্ষাদান কেনেকৈ দিয়া হয় তাক চাইছিল। চাৰিও পিনে প্ৰচাৰিত হ'ল যে কলেজ আৰম্ভ হৈছে, সকলো ঠাইতে আলোচনা শুনা গ'ল, 'কলেজ নিশ্চয়ই হব'। আমি গোটেই দিন বিভিন্ন ঠাইত সভা-সমিতি পাতি ৰাইজক কলেজৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজাই দিও, কলেজ আৰম্ভ হৈছে সকলোৰে সহযোগিতা লাগে, এইবোৰ কথা কওঁ আৰু সন্ধিয়া ৬ বজাৰ আগে আগে গুনিয়ালগুৰীলৈ উভতিআহি ক্লাছত যোগদান কৰো। ইয়াৰ ফলত জনসাধাৰণৰ সহযোগিতা আৰু তেওঁলোকৰ বিশ্বাস ঘূৰাই অনাত আমি সক্ষম হব পাৰিছিলো। গুনিয়লগুৰী হাইস্কুলত কলেজৰ টিউটৰিয়েল ক্লাছ চলাবলৈ সুবিধাকণ আগবঢ়াই কলেজৰ ভবিষ্যত দুৱাৰ মুকলি কৰিবলৈ সহায় কৰাত গুনিয়ালগুৰী ৰাইজৰ ওচৰত আমাৰ অঞ্চলৰ সমূহ ৰাইজ চিৰ কৃতজ্ঞ।

১৯৭০ চনৰ শেষৰ পিনে কলগাছিয়া, বগাই পথাৰ খাৰবাৰী আমগুৰী আৰু গুনিয়ালগুৰীৰ কেইজন মান দানশীল ব্যক্তিয়ে নৱজ্যোতি কলেজৰ কাৰণে ৪৫ বিঘা মাটি দান কৰি কলেজৰ ইতিহাসত এটা নতুন অধ্যায় সূচনা কৰিলে। এই মহান ব্যক্তি সকলৰ নাম কলেজৰ ইতিহাসত সোণৰ আখৰেৰে লিখা থাকিব। দান পোৱা মাটিৰ বিনিময়ত কলেজৰ নিৰ্দ্ধাৰিত বৰ্ত্তমান ঠাইত মাটি সংগ্ৰহ কৰা হয় আৰু ইয়াৰ পিচত গুনিয়ালগুৰীৰ পৰা কলেজৰ স্থায়ী ভেটিলৈ কলেজ স্থানান্তৰিত হয়। কলগাছিয়াত আহি স্থানীয় ৰাইজৰ মাজত এটা নতুন উদ্যম দেখিবলৈ পালো। আমি প্ৰায় ৩০।৪০ জনমান মানুহে গোটেই ৰাতি হেচাক-বাতি জ্বলাইলৈ মানুহৰ ঘৰে ঘৰে গৈ চাঁদা সংগ্ৰহ কৰিছিলো। এনেকৈ চাঁদা সংগ্ৰহ কৰি কলেজৰ প্ৰথম ঘৰখন নিৰ্ম্মান কৰা হয়।

১৯৭১ চনৰ ৩১ জানুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জিয়কক (Register) তেওঁৰ কাৰ্য্যালয়ত লগ ধৰি তেওঁৰ হাতত কলেজৰ অনুমতি বিচাৰি আমি দৰখাস্ত দাখিল কৰো। তেওঁৰ পৰা আশ্বাস লৈ আমি ঘূৰি আহো। কিন্ত ১৮।৫।৭১ ইং তাৰিখত কলেজ খোলাৰ অনুমতি দিয়া নহব বুলি বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষই চিঠিৰে আমাক জনাই দিলে। এই মূহুৰ্ত্তটো আছিল মোৰ নিজৰ জীৱনৰ আৰু আমাৰ এই অঞ্চলৰ ৰাইজৰ এটা অতি সঙ্কটপূৰ্ণ মূহুৰ্ত্ত। যদি অৱশেষত তেনেকুৱা ঘটনা ঘটে তেন্তে সকলো মানুহৰ সপোন চূৰমাৰহৈ যাব আৰু ভবিষ্যতে কোনেও কলেজৰ কথালৈ ৰাইজৰ মাজত সোমাব নোৱাৰিব-এই কথা ভাবি ভাবি আমি বাস্তবিকতে অতি বেয়াকৈ হতাশ হৈ পৰিছিলো। কষ্ট হব পাৰে কিন্ত উদ্দেশ্য সৎ থাকিলে কাম সমাধা কৰিব পৰা যায়। ১৮।৭।৮১ তাৰিখত দুপৰীয়া ১২ বজাত বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য শ্ৰীযুত সুৰেশ চন্দ্ৰ ৰাজখোৱা আৰু পঞ্জিয়ক শ্ৰীযুত সীতা দাস ডাঙৰীয়াক আমি এটা সজাঁতি দলে উপাচাৰ্য্যৰ কাৰ্য্যালয়ত লগ ধৰো। সেইটো আছিল এটা অতি কৰুণ দৃশ্য। সজাঁতি দলৰ আমাৰ অঞ্চলৰ মুৰব্বী কেইজনে বিশ্ব-বিদ্যালয়ৰ এই মহান ব্যক্তি দুজনৰ

2033

ভৰিত ধৰি কান্দি কান্দি কলেজৰ অনুমতি "ভিক্ষা স্বৰূপ" বিচাৰিছিল। ওচৰত থিয় হৈ এই অপ্ৰত্যাশিত দৃশ্য দেখি মই মোৰ চকুলো ৰাখিব নোৱাৰিছিলো, আৰু বিশ্ব-বিদ্যালয়ৰ এই ব্যক্তি দুজনে সহানুভূতিৰে তেওঁলোকক শান্তনা দি থকা দেখিছিলো। "বিবেচনা কৰা হব নিশ্চয়ই" বুলি কোৱাত আমি ধন্যবাদ দি গুচি আহিছিলো। ভাৰতৰ ভূতপূৰ্ব্ব ৰাষ্ট্ৰপতি মৰহুম ফকৰুদ্দিন আলি আহম্মেদ চাহাবে আমাৰ প্ৰাৰ্থনা বিবেচনা কৰিব লাগে বুলি অনুৰোধ কৰি বিশ্ব-বিদ্যালয় কৰ্তৃপক্ষলৈ দিল্লীৰ পৰা পঠোৱা তাৰ বাৰ্ত্তায় এই ক্ষেত্ৰত যথেষ্ঠ সহায় কৰিছিল। ১৯৭১ চনৰ জুলাই মাহৰ ২৪ তাৰিখত গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী ডাঃ হিৰণ্য প্ৰসাদ দাস ডাঙৰীয়াক আমাৰ কলেজখন পৰিদৰ্শনৰ কাৰণে কলগাছিয়ালৈ পঠায়। বহুত ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ উপস্থিতিত তেখেতে কলেজখন পৰিদৰ্শন কৰে। তেখেতৰ 'সন্তোষজনক' প্ৰতিবেদনৰ ফলত ১৯৭১ চনৰ আগষ্ট মাহৰ ৫ তাৰিখত বিশ্ব-বিদ্যালয় কৰ্তৃপক্ষই প্ৰাক্-বিশ্ব-বিদ্যালয়ৰ শ্ৰেণী ১ম বাৰ্ষিক [ক'লা] শাখা খোলাৰ অনুমতি দিয়ে। এটা 'অভিযান' সাৰ্থক হ'ল এই কথা ভাবি মই সচাকৈ আনন্দিত হৈছিলো। সেই বছৰৰ ১৬ আগষ্টত গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ আৰবী বিভাগৰ মুৰব্বী, কটন কলেজৰ ভূতপূৰ্ব্ব অধ্যক্ষ মৌলানা আব্দুল লতিফ চাহাবে প্ৰাক্ বিশ্ব-বিদ্যালয়ৰ ১ম বাৰ্ষিক শ্ৰেণীৰ দ্বাৰ মুকলি কৰে।

১৯৭৩ চনত জানুৱাৰী মাহত কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মাননীয় বছিৰ উদ্দিন আহম্মেদ চাহাব বিদায় গ্ৰহণ কৰে, আৰু তেখেতৰ পদত বৰ্ত্তমান অধ্যক্ষ জনাব আব্দুছ ছাত্তাৰ আহম্মেদ এম, এ চাহাবক নিয়োগ কৰা হয়।

কলেজৰ স্নাতক শ্ৰেণী খোলাৰ সময়তে বহুতো বাধা বিপত্তি অতিক্ৰম কৰিব লগীয়া হৈছিল। এই সৰু প্ৰবন্ধত কলেজৰ দীঘলীয়া ইতিহা সম্পূৰ্ণকৈ লিখা সম্ভৱ নহল। সময়ত ইয়াৰ এ পূৰ্ণ ইতিহাস প্ৰকাশ কৰা হব বুলি আশ থাকিল। এই সময়তো কলেজৰ স্থায়ী জমা টক বিল্ডিং আৰু অইন অইন বিষয়ৰ কাৰণে এ অঞ্চলৰ ৰাইজে যথেষ্ঠ সহায় আগবঢ়াইছে। কো জনমান দানশীল ব্যক্তিয়ে এক হাজাৰ টকাৰ মূল্য জাতীয় সঞ্চয় প্ৰমাণ পত্ৰ এটা এটাকৈ কলেজ নামত ক্ৰয় কৰি দি কলেজখনক আগবঢ়াই নিয়া যথেষ্ঠ সহায় কৰিছে। তেওঁলোকক কলেজৰ ইতি হাসে কেতিয়াও পাহৰি নেযায়। ১৯৭৬ চন জুন মাহত স্নাতক শ্ৰেণী খোলাৰ বিশ্ব-বিদ্যালয় অনুমতি পোৱাত এই অঞ্চলৰ জনসাধাৰণ সপোন বাস্তৱত পৰিণত হ'ল। এই প্ৰতিষ্ঠানটো যদি মানুহ গঢ়া [ Man making ] প্ৰতিষ্ঠা হিচাবে কাম কৰি যাব পাৰে, তেন্তে এই অঞ্চল জন-সাধাৰণৰ ত্যাগ আৰু পৰিশ্ৰম সাৰ্থক হব অধ্যয়নত ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাৰ উদ্দেশ্য যথ যথ ভাবে উপলব্ধি কৰিব পাৰিলে জনসাধাৰণ ত্যাগ আৰু বেছি সাৰ্থক হব। ছাত্ৰ-ছাত্ৰী সকলে শিক্ষানুষ্ঠান সমূহক কেৱল উপাধী গ্ৰহণ ক অনুষ্ঠান [ Degree earning institutio হিচাবে নলৈ মানুহ গঢ়া অনুষ্ঠান [Man-mal ing institution ] হিচাবে গণ্য কৰিব লাগে

১৯৭৭ চনৰ জানুৱাৰী মাহত মৰহুম মুছলি উদ্দিন আহম্মেদ চাহাবক সভাপতি আৰু ম উদ্দিন আহম্মেদ চাহাবক সম্পাদক হিচাবে গঠিত নতুন কাৰ্য্যকৰী কমিটীয়ে কলেজ পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰে।



১৯৭৯ চনৰ চেপ্তেম্বৰ মাহৰ পৰা কলেজখনে ী মঞ্জুৰী অনুদান পায়। আগৰ কমিটীৰ য়াদ উকলি যোৱাত ১৯৮০ চনৰ নবেম্বৰ মাহত ন বিধায়ক জনাব আব্দুছ ছোৱহান চাহাবক পতি আৰু অধ্যক্ষ আব্দুছ ছাত্তাৰ আহম্মেদ াবক সম্পাদক হিচাবে লৈ কলেজৰ নতুন ৰ্য্যকৰী কমিটীখন গঠিত হয়।

১৯৮১-৮২ চনৰ শিক্ষা বছৰৰ পৰা ৰাজনীতি ক অৰ্থ-শাস্ত্ৰত 'অনাৰ্চ' খোলা হৈছে। আগন্তুক বছৰত পৰ্য্যায়ক্ৰমে ইংৰাজী, অসমীয়া, ইতিহাস, শিক্ষা, আৰবী আদি বিষয়সমূহত অনাৰ্চ খোলাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে। বৰ্ত্তমানে বিজ্ঞান শাখা খোলাৰ কাৰণে তোৰ-জোৰ প্ৰচেষ্টা চলিছে। সকলো দিশত ছাত্ৰ-ছাত্ৰী সকলৰ চাহিদা পূৰণৰ কাৰণে কলেজখন এখন পূৰ্ণাঙ্গ কলেজলৈ ৰূপান্তৰিত হোৱাৰ প্ৰয়োজনীয়তা আছে। কলেজখনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

—ঃ জয় হিন্দ্ ঃ— ০০

মহৎ কাম কৰিব খোজা জনে অৱৰ্ণনীয় যন্ত্ৰণা সহ্য কৰিবলৈও সাজু হৈ থাকিব লাগিব।

—মাৰ্কাছ ক্ৰেছাছ—

গ্ৰন্থ স্বৰূপ শিশুৰ সহজ প্ৰবৃত্তি শিক্ষকে তন্ন তন্নকৈ অধ্যয়ন কৰাৰ ওপৰতহে সফল শিক্ষাদান নিৰ্ভৰ কৰে।

—ৰুছ—

## কবিতা

# নৱ-জ্যোতি

নতুন উদ্যম লই নতুন গতিৰে মই
আহিলো ওলাই নৱ-জ্যোতিলৈ,
নৱ-জ্যোতিৰ নূৰে অন্ধকাৰ যাব দুৰে
আগুৱাই যাম পোহৰলৈ ।

তোমাৰ জ্যোতিৰে পোহৰাই মোৰ হিয়
হিংসা-দ্বেষ হব নাইকিয়া,
মন-ভ্ৰান্তি কুটিলতা ভেদাভেদ সংকীৰ্ণত
তয়ু জ্যোতিৰে আতঁৰাই দিয়া ।

নতুন উৎসাহ লই নৱ কল্পনাৰে মই
তবি দিলো জীৱনৰ পাল,
কৰ্ত্তব্যৰ আহবানত নিজক বুৰাই দিলে
তুমি তবিৰ ধৰিবা হাইল ।

হে মহান নৱ-জ্যোতি গঢ়াই দিয়া আমা
মাজত প্ৰেম মিলা-প্ৰীতি,
অতি অবুজ অজ্ঞানী নবুজো নাজানো এবে
কেনেকৈ কৰিম তুতি ভক্তি ।

অজ্ঞান এন্ধাৰে ঢকা এই বসুন্ধৰাত মই
দুচকুৰে একোকে নমনো,
ভাল বেয়া পাপ পুণ্য সুপথ কু-পথ কিম্বা
একো মই নিচিনো নাজানো ।

যদি পৰে হিয়াত মোৰ তোমাৰ মহান জ্যো
শেষ হব মোৰ কুমতি,
সেয়েহে আহিছো আজি নৱ-জ্যোতি লৈ ল
দিবা বুলি মোক সু-মতি ।

নৱ-জ্যোতিৰ ভাই ভনীৰ মউসনা মিঠা মাত
হিয়া মোৰ পৰি যায় জুৰ,
কত পাম তেনে মাত মৰমী সুমধুৰ ভাষা
চেনেহৰ হিয়াভৰা সুৰ ।

মোঃ লালমামুদ খাঁন
বি, এ, প্ৰথম ক'লি ।

## গল্প

Nabajyoti College, Kalgachia
Estd. 1971
(Assam)
PO Kalgachia Dist Barpeta

# —কৰ্ত্তব্য হীনতা—

মোঃ হাছান আলী
বি, এ, প্ৰথম বাৰ্ষিক ।

প্ৰদীপ নামৰ লৰা এজনক তাৰ মাক-উতাকে সৰুৰে পৰা বৰকৈ মৰম কৰিছিল । জন লৰাক মাক-দেউতাকে মৰম কৰাৰ কাৰণ হতো থাকে; কিন্তু প্ৰদীপৰ ক্ষেত্ৰত মাত্ৰ এটাহে াৰণ আছিল । প্ৰদীপৰ সৰুৰে পৰাই কোনো কাই ভাই নাছিল । যেতিয়াই প্ৰদীপৰ সাঁত বছৰ য়স হৈছিল, তেতিয়াই তাৰ মাক-দেউতাকে প্ৰাই-াৰী স্কুলত নাম ভৰ্ত্তি কৰি স্কুলত পঠাই দিছিল । দীপক ঘৰৰ পৰা অতিকৈ মৰম কৰিছিল কাৰণে ় সাধাৰণ লৰা-ছোৱালীত কৈ অলপ বেছি বয়সত লৈ গৈছিল । প্ৰথম বাৰৰ কাৰণে প্ৰদীপৰ স্কুললৈ াৱা টান হৈ পৰিছিল । টান হৈ পৰিছিল এই াৰণেই যে প্ৰদীপক কোনো দিনেই তাৰ মাক-উতাকে টান কথা বা মাৰ পিট কৰা ছিলে, কিন্তু স্কুলত গৈ সম্পূৰ্ণ পৰিবেশ পৰি-ৰ্ত্তন কৰিব লগাত পৰিল । সাধাৰণতে এটা পৰি-শ পৰিবৰ্ত্তন কৰি অইন এটা পৰিবেশ গ্ৰহণ বোতে কিছু সময়ৰ প্ৰয়োজন, প্ৰদীপৰো ঠিক নেকুৱাই হৈছিল । ঘৰত সদায় ভাল ভাল কথা শুনাৰ পক্ষপাতি প্ৰদীপে এই বাৰ মাজে মাজে টান কথাও শুনিব লগাত পৰিল । ইমান দিনে শুনি অহা ভাল কথাৰ পৰিবৰ্ত্তে মাজে মাজে টান কথা শুনিবলৈ প্ৰদীপে অস্বীকাৰ কৰিলে আৰু স্কুলত নযোৱা কথাটোকে ভাবি ভাবি উলিয়ালে । পিছ-দিনা খন তাৰ ভৱা কথাটোকে কামত লগালে, অৰ্থাৎ প্ৰদীপে স্কুললৈ নগৈ ৰাস্তাৰ কোনোবা ঠাইত গোটেই দিনটো খেলি থাকি গধূলী বেলিকাত স্কুলী-য়া ল'ৰা-ছোৱালীৰ লগত আহি ঘৰলৈ সোমাল । এই দৰে দুই এদিন পাৰ হৈ গল, লাহে লাহে প্ৰদীপ স্কুললৈ নযোৱাৰ বাতৰিটো ঘৰৰ সকলোৱে জানিব পাৰিলে । পিছ দিনাখন প্ৰদীপৰ দেউতাকে প্ৰদীপক মাতি নি কিছুমান প্ৰশ্নৰ সমিধান বিচাৰিলে, সৰু প্ৰদীপে দেউতাকৰ প্ৰশ্নৰ জবাব দিব নোৱাৰিলে । অৱশেষত প্ৰদীপৰ বাপেকে তাক নানা ধৰণৰ টান কথা কৈ মাৰিবলৈ উদ্যত হল; ইমান দিনে মৰম পাই অহা প্ৰদীপে একমহুৰ্ত্ততে দেউতাকৰ ইমান খং দেখি ভয় বিহ্বলত কপিবলৈ ধৰিলে আৰু তেতি-য়াই কাণত ধৰি প্ৰতিজ্ঞা কৰিলে— যে তেওঁ আৰু

কেতিয়াও স্কুলৰ পৰা পলাই নাহে। সেই দিনৰ পৰাই প্ৰদীপে একান্ত চিত্তে লিখা পঢ়া কৰি প্ৰাইমাৰী স্কুল পাছ কৰিলে।

এই দৰে লাহে লাহে প্ৰাইমাৰী স্কুলৰ দেওনা পাৰ হৈ আহি প্ৰদীপে এই বাৰ এম, ই স্কুলত ভৰ্ত্তি হ'ল। এইদৰে ডাঙৰ দীঘল হৈ অহা প্ৰদীপে এই বাৰ তাৰ শিক্ষাৰ ফালেও ডাঙৰ দীঘল হৈ উঠিব ধৰিলে; অৰ্থাৎ তাৰ শিক্ষাৰ ফালে ধাউতি জন্মিল। গৈ গৈ প্ৰদীপে অৱশেষত হাইস্কুলীয়া জীৱনৰ অন্ত পেলালে; অৰ্থাৎ হাইস্কুল লিভিং ছাৰটিফিকেট পৰীক্ষাত ভাল দৰে উত্তীৰ্ণ হ'ল। প্ৰদীপে ইয়াৰ আগতে কেতিয়াও কল্পনাই কৰিব পৰা নাছিল যে এদিনাখন তেওঁ হাইস্কুলীয়া জীৱনৰ ওৰ পেলাই, কলেজীয়া জীৱন আৰম্ভ কৰিব পাৰিব। কিন্তু আগত সপোন দেখা অৰ্থাৎ কল্পনা কৰা কথাবোৰ এইবাৰ প্ৰদীপৰ বাস্তৱলৈ ৰূপান্তৰিত হ'ল। প্ৰদীপে এইবাৰ কলেজত নাম ভৰ্ত্তি কৰিলে [ পি, ইউ প্ৰথম বাৰ্ষিক ক'লা ] আগতে কৰি থোৱা কলেজীয়া জীৱনৰ ৰঙীন কল্পনাবোৰ এইবাৰ বাস্তৱত ৰূপ দিবৰ কাৰণে প্ৰদীপে উঠি পৰি লাগিল। কিয়নো প্ৰদীপে আগতে শুনিব পাৰিছিল যে কলেজীয়া জীৱনটো বৰ সুখৰ, ইয়াত কেৱল প্ৰেম আৰু ল'ৰা-ছোৱালীবোৰ এক লগহৈ নানা ধৰণৰ গল্প আদি কৰাৰ ঠাইহে মাত্ৰ। প্ৰদীপে আৰু শুনিছিল যে কলেজৰ চাৰিও ফালে থকা নানা ধৰণৰ গছ-গছনিৰ তলত বহি ল'ৰা-ছোৱলী দুয়ো দুয়োয়ে নানা ধৰণৰ প্ৰেমৰ আলোচনা কৰি কলেজ শেষ হোৱাৰ লগে লগে ঘৰলৈ উভতি আহে।

প্ৰদীপে এইবাৰ নিশ্চয় কলেজলৈ গল আৰু পুৰণা কথাবোৰ ভালকৈ চালি-জাৰি চাবলৈ সিদ্ধান্ত কৰিলে, অৰ্থাৎ তাহানিত শুনা কথাবোৰ সময়ত গঢ় দিবলৈ উঠি পৰি লাগিল। প্ৰদীপৰ হাইস্কুলীয়া জীৱনৰ পৰাই কোনো ছোৱালীৰ লগত আগ ধৰি কথা বতৰা কোৱাৰ অভ্যাস নাছিল। কিন্তু কলেজীয়া জীৱনত সেই অভ্যাস টো ঘুৰাই নতুন অভ্যাস লবলৈ চেষ্টা কৰিলে। কিয়নো কোনো ছোৱালীৰ লগত আগধৰি কথা কোৱাৰ অভ্যাস নাথাকিলে সি কেতিয়াও প্ৰেমত পৰিব নোৱাৰে। প্ৰদীপেই যে কেৱল তেনেকুৱা কৰিছিল এনে নহয়। অইন কিছুমান ল'ৰা-ছোৱালী বোৰেও প্ৰদীপে তাৰ দৰে কৰা যেন দেখিছিল। কথাত কয় [সাঁপেহে সাপৰ ঠেং দেখে ] প্ৰদীপেও ঠিক তেনেকুৱা কৈয়ে দেখিছিল। ইয়াৰ উপৰিও প্ৰদীপৰ এইখিনিও জানিবলৈ বাকী নেথাকিল যে কেৱল মাত্ৰ কিছুমান ল'ৰাই ছোৱালীক প্ৰেম যাচি নিদিয়ে, কিছুমান ছোৱালীয়েও ল'ৰাৰ পিছে পিছে প্ৰেম যাচি ঘুৰি ফুৰে। এইদৰে কলেজীয়া জীৱনৰ প্ৰেম লীলাত মগ্ন হৈ থকা প্ৰদীপে এইবাৰ লালকাল টোপনীৰ পৰা সাৰ পাই উঠিল, কিয়নো এই বাৰ তাৰ পি, ইউ ফাইনাল পৰীক্ষা নিচেই ওচৰ চাপি আহিছে। এইবাৰ প্ৰদীপৰ শৰীৰলৈ অনুসুচনা জাগি উঠিল, তেওঁ ভাবিব ধৰিলে ইমান দিন ছোৱালীৰ পিছে পিছে ঘুৰি ফুৰাৰ শিক্ষাটো এতিয়াহে পাব। প্ৰদীপৰ নিশ্চয় পৰীক্ষাত ফেল কৰিবৰ বাহিৰে উপায় নাছিল, সেয়েহে তেওঁ তেনেকুৱাকৈ ভাবিবলৈ বাধ্য হৈছিল।

নিলগৰ কথা দুৰত ৰাখি এই বাৰ প্ৰদীপে পঢ়িবলৈ উঠি পৰি লাগিল। এই লিখা পঢ়া জানো প্ৰদীপৰ কামত আহিব? কেতিয়াও নাহে। কিয়নো গোটেই দুটি বছৰ অনাই বনাই ঘুৰি ফুৰি এক সপ্তাহৰ ভিতৰত পাঢ় পাচ কৰিব পৰাটো ইমান সহজ কথা নহয়। এই বাৰৰ কাৰণে প্ৰদীপে পৰীক্ষাত বৈ গল। অথাৎ প্ৰদীপে পৰীক্ষাত ফেল কৰিলে, প্ৰদীপৰ বন্ধু-বান্ধৱীয়ে প্ৰদীপক পুৰনা ক্লাচতেই থৈ সিহঁতে নতুন এটা শ্ৰেণীলৈ গুচি গল। প্ৰদীপৰ বন্ধু-বান্ধৱীয়ে যে কেৱল প্ৰদীপক থৈ গল এনে নহয় প্ৰদীপৰ অনুগামী সকলোকো প্ৰদীপৰ লগতে এৰি থৈ গুচি গল।

প্ৰদীপ আৰু তাৰ অনুগামী সকলে আগৰ জীৱনৰ ঘটনা বিলাক মনত পেলাই নানা ধৰণৰ অনুসূচনা বুকুৰ মাজত সাৱটি লৈ ভৱিষ্যত জীৱনৰ উন্নতি কৰিবলৈ উঠি পৰি লাগিল।

০ ০

---

## কৱিতা

### ত্যাগৰ মূল্য

মিচ্ ছাহেৰা খাতুন
প্ৰাক্ বিশ্ববিদ্যালয় প্ৰথম বাৰ্ষিক (ক'লা)

হাঁহিছে কলিটি চিকণ ওঠত,
দুখ লগৰীয়া ভৰ যৌৱনত ।
সোনালী পুৱাতে দেখোন,
এয়েনেকি নিয়ম জড়-জগতৰ ।
সৰ্ব্বশেষ নিয়ম যদি দুখেৰেই গঢ়া,
দৃঢ়তাৰে সপোন কল্পনা এৰা ।
নলবা ভোগ বিলাসৰ দান,
একেবাৰে তাক কৰা থান-বান ।
লাজ পাই নিয়তিয়ে পলাব,
ৰূপালী ধৰা অধিক সোনালীহে হব ।

০ ০

# চেতনাঃ মাটিৰ পৃথিৱী

মহম্মদ আলী
বি, এ, প্ৰথম বাৰ্ষিক।

সন্ধ্যা নামে বৰ্ষা আহে
মাটিৰ পৃথিৱীত ক্লান্তি নামে।
সভ্যতাৰ প্ৰলেপ সনা নতুন চকুৰে দেখে,
ৰঙীন সপোন এটি নতুন পৃথিৱীৰ।
যাযাবৰী বুৰঞ্জী সিহঁতৰ,
হেৰাই যায়—
দুৰ্গন্ধময়; বিবৰ্ণ ড্ৰেইনৰ জলত!
সন্ধ্যা নামে বৰ্ষা আহে
ফাগুণৰ চকৰি নুঘূৰে,
মাটিৰ পৃথিৱীত।
ৰঙীন পৃথিৱীত কিন্তু সভ্যতাৰ
'মুখা'ৰ খেলা—খেল চলে
মদ আৰু কুটিল কামনাৰ।
এইদৰে—
এইদৰেই সন্ধ্যা নামে ..।
সিন্ধুত বন্যা নামে পুৰণি চকুৰ,
মই যাওঁ খোজকাঢ়ি, বহলাকাৰ
পৃথিৱীৰ কাষে কাষে।
মোৰ চেতনাৰ পৃথিৱীত বৰ্ষা আহে।
সন্ধ্যা নামে—
কান্তি নামে মাটিৰ পৃথিৱীত।
ডুব যায় যৌৱনৰ হেজাৰ সপোন।
সময়ৰ নিৰবছিন্ন উত্তাল গতিৰ;
এৰিঅহা বাটৰ ভূগোলত দেখা পাওঁ;
উন্মত্ত বতাহত দুলি থকা
বহু কাৰবালাৰ কৰুণ সমাধি।
উদ্ভ্ৰান্ত গতি আমাৰ
ক্ষুধাৰ ইস্তাহাৰৰ ভগ্ন কেঁকুৰিত
দেখিছোঁ মাথো
সোণালী গাৰ ৰঙেৰে,
শিৰীষ ডালত বহি থকা
অতীত বৰ্ব্বৰতাকো নেওঁচা
পশুৰ মুখাবয়বৰে
এটি শেন পখী।
পাৰ্থক্য কিমান? প্ৰশ্ন এটি সৰু নৱজাতকৰ
একো নাই। খুন হোৱা পিতৃৰ মৰাশ
ঘৰতে ৰাখি মাথো যোৱাৰ প্ৰস্তুতি।
এজাক বতাহ আহে।
সময় শিলাখণ্ড টুকুৰা-টুকুৰ কৰি।
মোৰ চেতনাৰ প্ৰতিটো তন্ত্ৰত,
সিন্ধুৰ বন্যাই উটুৱাই নিয়ে,
কান্তিত নিমজ্জিত সমুদ্ৰ মিছিল।
আৰু —
দিনে দিনে ক্ষণে ক্ষণে
চিনি পাওঁ মই
স্বপ্নক দুঃস্বপ্নৰূপ দিয়া,
বেসুৰা অৰণ্যত
শিয়ালৰ ধূৰ্ত্তামি।





# ॥ অকণি হিয়াঃ অকণি মৰম ॥

মোঃ সহিদুৰ ৰহমান
বি, এ, প্ৰথম বাৰ্ষিক।

ৰমজান মাহ। মুছলমানৰ পবিত্ৰ মাহ। ...য়াৰ নাম শুনিলেই ল'ৰা-বুঢ়া, ডেকা-গাভৰু ...কলোৰে গাত তৎনাইকীয়া হয়। গোটেই মাহ ...ৰ্মপ্ৰাণ আবাল বৃদ্ধ মুছলমান সকলোৱে ...নৰ বেলিকা নাখাই ৰোজা ৰাখে। নতুন মাহৰ ...াৰম্ভনীৰ দিন 'ঈদ' উৎসৱ। সিদিনা গোটেই জগত ...ৰি আনন্দৰ হেন্দোল জাগি উঠে। ধনী দুখীয়া ...জা-মহাৰজাই একেখন পথাৰত সমবেত হৈ মুক্ত ...াকাশৰ তলত গদ্ গদ্ কণ্ঠত অসীম কৰুণাময়ৰ ...মত প্ৰাৰ্থনা কৰে, সৰুৱে ডাঙৰক শ্ৰদ্ধাৰ ...ৰি ভাতৃৰ ভাৱেৰে সেৱা, আশীৰ্ব্বাদ আদি কৰে। ...াচ্যৱন্ত জনে দীনহীন জনক দান খয়ৰাত কৰি ...কলোৱে একে ঈশ্বৰৰ সৃষ্টি, একে ঘৰৰ মানুহ ...চাবে নিজ নিজ ঘৰলৈ মেলানি মাগে।

এই বছৰেও আগৰদৰে নানা প্ৰকাৰ দুৰ্জয় ...হঙাৰ অতিক্ৰম কৰি আহিল পৱিত্ৰ মাহৰ ৰমজান। ...ন্তু আজি আৰু মানুহৰ মনত আগৰ দৰে আনন্দৰ ...হৰণ জাগি উঠা নাই। প্ৰকৃতিয়েও যেন বিমৰ্ষ ...াপ ধাৰণ কৰিছে। দুই এবিধ শৰৎ কালিন গছে কুঁহিপাত মেলি, চৰাই চিৰিকতিয়ে আগৰ স্বভাৱ ত্যাগ কৰিব নোৱাৰি সুললিত কণ্ঠত নানা ধৰণৰ মাতেৰে ঈদ উৎসৱৰ আগজাননী দিছে! স্বভাৱসুলভ আচাৰ ব্যৱহাৰ ত্যাগ কৰিব নোৱাৰি মুছলিম ভাতৃবৃন্দই ৰমজান মাহ বুলি সহাৰি দিছে।

পশ্চিম গগণত চন্দ্ৰমা উদিত দেখি আল্লাহ তালাৰ নামত সকলোৱে প্ৰাৰ্থনা কৰিছে। মোৰ সোঁফালে থিয় হৈ মোৰ সৰু ভনী মহেলাই থোকা-থুকি মাতেৰ প্ৰাৰ্থনা কৰি আহি মোক সাৱটি ধৰি আপত্তিৰ সুৰত কলে— "দাদা এই ঈদত মোক এটা নতুন চোলা দিব লাগিব। দিবানে দাদা"? ময়ো টপৰাই উত্তৰ দিলো—কিয় নিদিম। নিশ্চয় দিম মোৰ মৰমৰ আজলী ভনীটি। তোক এই ঈদত ধুনীয়া চোলা এটা দিম। এই বিষয়ে তই একো চিন্তা কৰিব নালাগে। মোৰ সাত বছৰীয়া ভনীটি জপিয়াই কোলাত উঠি মোৰ গালত তাৰ ওঠ দুটি লগাই আনন্দত কৈছিল,— সঁচাকৈ দিবানে দাদা? তুমি ই-মা-ন ভা-ল। দাদা মাই তোমাক এই ঈদত কিবা এটা দিম বুলি

কৈছে। সঁচা দাদা, তোমাক এই ঈদ উৎসৱত উপহাৰ এটা দিম। মই মৰমতে সুধিছিলো, "মহেলা কোৱাচোন মোক কি উপহাৰ দিবা"। তাই কৈছিল — ই এতিয়ানো কেলেই কম। যেতিয়া দিও তেতিয়া দেখিবা নহয়। বাৰু দাদা মই এতিয়া খেলিবলৈ যাও। সিফালে মোৰ সখী কুনছল আৰু লগত জায়েদা, মনোৱাৰা, নেহাৰ ৰোকিয়া হঁতে খেলিবলৈ আহিছে নহয়, মই সখী কুনছলৰ লগত যাও দাদা। কুনছলে মোক বৰ মৰম কৰে দাদা। তাৰ ঘৰত কিবা এটা তৈয়াৰ কৰিলে সখী কুনছলে মোক মাতি নি খুৱাইহে তেওঁ খায়। কুনছলৰ মাক বৰ ভাল মানুহ। মই যোৱাৰ লগে লগে মোক আহি টানি নি বহিবলৈ দি খাবলৈ আনি দিয়ে। মই যাও, কিন্তু দাদা মোৰ কথাটো মনত ৰাখিবাদে? এই বুলি তাই দৌৰি আঁতৰি গল সখী কুনছলৰ ঘৰলৈ।

সন্ধিয়া দিনমনিৰ বিদায় বেলা। পশ্চিম আকাশ ৰক্তিম হৈ উঠিছে। ৰিব্ ৰিব্ কৰি মলয় বতাহ বলিছে। চৰাই চিৰিকতিবোৰে দিনৰ ভাগৰ পলোৱাবলৈ গছ-বিৰিষত আশ্ৰয় লৈছে। সিহঁতৰ মাতত জগত মুখৰিত হৈ উঠিছে। মই পদুলি মুখত বহি গা জুৰ পেলাই সিহঁতৰ কাৰ্য্য চাই আছিলো। এনেতে চাট কৰি মনত পৰিল সৰু ভনী মহেলাৰ কথা। তাই যে মোক কি উপহাৰ দিব? নিশ্চয় মই তাইক ফ্ৰক চোলা আনি দিম। সৌ সিদিনা মই ঘৰত আহি পোৱাৰ লগে লগে তাই মোক সাৱটি ধৰি উপহাৰ খুজিছিল। মই যদি তাইৰ কাৰণে সেই বিলাক বস্তু নানিলোহেঁতেন তেন্তে মোৰ কি উপায় হলহেঁতেন? তাই মোৰ হাতৰ পৰা বস্তু কেইটা কাঢ়ি লৈছিল। সেইবিলাক বস্তু পাই তাই যে ইমান আনন্দ পাইছিল। মই মোৰ

বুদ্ধিক ধন্যবাদ নিদি নোৱাৰিলো। সেই দিনা
লাজৰ পৰা এক প্ৰকাৰ ৰেহাই পালো।
আজি কালি ইমান কথা ভাবিব পৰা হৈছে, ভাবিই
আচৰিত হব লাগে। ঘৰৰ পৰা মই ওলাই
তাই মোৰ অহা ফালে চকুলো টুকি টুকি আগব
আহিছিল। মই তাইৰ অকণি হিয়াৰ অ
মৰম কণ বুজি পাইছিলো।

পল, অনুপল, চেকেণ্ড; মিনিট আদি ক
মাহৰ শেষ সপ্তাহত আহি উপনীত হৈছো। কলে
বন্ধ ওচৰ চাপি আহিছে। মই এই কেইদিন কে
তাইৰ কথাই চিন্তা কৰি সময় কটাই আছে
কলেজ বন্ধ হ'ল। মই ঘৰলৈ যোৱাৰ আগ
বজাৰৰ পৰা নতুন ফ্ৰক আৰু পেণ্ট দুটা কি
ললো।

'টেপি-অঁ-টেপি ঘৰত আছানে'? (মই তা
মৰমতে টেপি বুলি মাতিছিলো ] কোন —? অ'
দা? দাদা আহিছে মা, দাদা আহিছে। দৌৰি অ
তাই মোৰ কোলাত উঠিল। ময়ো তাইক সা
কোলাত তুলি ললো, দাদা তুমি ইমান কঠোৰ
আজি ৩/৪ মাহ পাৰ হৈ গল, তুমি ঘৰলৈ
হ'লা। মইযে, তোমাক পাহৰি থাকিব নোৱাৰো
তুমি হলে থাকিব পাৰা। মায়ে সকলো সম
মোৰ ওচৰত তোমাৰ কথা সুধে। মই মাক মা
এই বুলি কওঁ দাদাই আমাক পাহৰি গৈছে।
নাহে। মা সকলো সময়তে কান্দি থাকে। তো
মাই কলে- এই আজলী কৰবাৰ! মই কা
তই কান্দি থাক। এতিয়া মিছা মাতিছা।

নহয় দাদা, মই নহয় মায়ে কান্দি
কৈ তাই হাঁহিলে। মই আৰু ওচৰতে থকা
নেহাঁহি থাকিব নোৱাৰিলো। অলপ সময়
দুয়ো তাইৰ কথা শুনি হাঁহিলো। তাইয়ো



হি উঠা কথাবোৰ কব পাবে। নতুন চোলা
ই ভনীটিৰ এই কেইদিন কিযে আনন্দ। এতিয়া
মোক আগতকৈ মৰম কৰিব পৰা হৈছে।
আহোঁক মৰম কৰি মাজে মাজে গালত চুমা খায়হি।
আজি উৎসৱ। ভনীটি নতুন চোলা পিন্ধি
হিৰলৈ ওলাই গৈছিল। যেতিয়া তাই উভতি
হিছিল, তেতিয়া আমাৰ ঘৰৰ পদূলি মুখত
জনী সাত-আঠ বছৰ মান বয়সীয়া ছোৱালী
ৰু এগৰাকী বুঢ়ী তিৰোতা ভিক্ষাৰ কাৰণে বৈ
ছিল। ছোৱালীজনী বুঢ়ীজনীৰ নাতীনায়েক।
ইৰ মাক-বাপেক ইহ সংসাৰত নাই। ছোৱালী
নী এই জৰ্জ্জৰিত ধবাৰ বুকুত আইতাক আশ্ৰয়
ৰি ডাঙৰ দীঘল হয়। বুঢ়ীজনীৰ মুখৰ পৰা
কলো কথা শুনি মোৰ মনত বেজাৰ লাগিল।
াজি মুছলমান সকলৰ বিৰাট ধৰ্মৰ দিন। ধনী
নুহে কিমান টকা খৰচ কৰি কাপোৰ কানি
ছে, খোৱা লোৱাত কিমান টকা খৰচ কৰিছে
থচ সেই সংসাৰৰ বুকুতেই খাবলৈ, পিন্ধিবলৈ
পাই কিমানে শুকাই মৰিছে তাৰ হিচাব নাই।

দুখীয়া মানুহৰ কথা ভাবি ভাবি মই তন্ময়
গৈছিলো। তাইহতক কিবা খাবলৈ দিব লাগিব
ই কথা মই পাহৰি গৈছিলো। বুঢ়ী জনীক খিচুৰী
Khichury ) আৰু ছোৱালী জনীক নাস্তা (Na-
a) খাবলৈ দি আকৌ বুঢ়ীৰ লগত কথা কোৱাত
ম দিলো। ঠিক এনে সময়ত মোৰ সৰু ভনী মহেলা
াহি বুঢ়ীক উদ্দেশ্য কৰি কলে হেৰী বুঢ়ীমা! এই
নীটিক ঈদৰ নতুন চোলা এটা দিলানে? বুঢ়ী
নীয়ে এটা দীঘল হুমুনীয়াহে কাঢ়ি কৈছিল কৰপৰা
তুন চোলা আনি দিম আই। মানুহৰ ঘৰে ঘৰে
ভিক্ষা কৰি পেটৰ ভাত দুই তিনিদিন পিছতো
াগাৰ নহয়। আজি কালি মানুহে দান খয়ৰাত

কৰা দূৰৰ কথা ভিক্ষাৰী দেখিলে হাতত দা-কুঠাৰ লৈ খেদি আহে। ভিক্ষাৰী বিলাকে উপায় নাপাই বাটে ঘাটে থকা কচু, কলগছ, মানুহৰ ঘৰৰ হাঁহ-কুকুৰাই খোৱা তুঁহ, গৰুৰ ঘাহ আদি খাই নমৰি কোনো মতে জীয়াই আছে। কিমান ল'ৰা-ছোৱালী, ভাৰ্য্যা আদি এৰি থৈ মনে মনে গুছি গৈছে। কিছু-মান মাতৃয়ে অইন সন্তানৰ কথাই নই, কোলাৰ শিশু বাটত পেলাই থৈ উধাওঁ হৈ গৈছে। কিছুমানে পেটৰ ভাত মোকলাবৰ কাৰণে সমাজৰ বিধি-নিয়ম উপলুঙা কৰি অন্যায় অত্যাচাৰ, ব্যাভিচাৰ আদি চলাইছে। কিছুমান ল'ৰা-ছোৱালী, ডেকা-গাভৰু ইহ লীলা সম্বৰণ কৰিছে তাৰ লেখ জোখ নাই। বুঢ়া-বুঢ়ীৰতো জিভাৰ আগত জীউ। বুঢ়ী জনীৰ মুখৰ মাত শেষ নৌহওতেই মহেলাই মোৰ গলত সাৱটি ধৰি কানৰ ওচৰত মুখ নি ফুচ ফুচাই কিবা কিবি কলে। তাইৰ কথাৰ অৰ্থ অৱশ্যে মই বুজিলো। কিন্তু আয়ে একো বুজি নাপাই মোৰ মুখৰ ফালে ঘূৰি চালে। আমি দুয়ো মুখ চোৱা চোৱি কৰি থাকোতেই তাই ঘপকৰি কলে—দাদা, মোৰ এই নতুন ফ্ৰক চোলাটো দি দিওনে? চোৱা চোন দাদা তাইৰ অৱস্থা। তাইৰো যদি মোৰ দৰে মা-বাবা, দাদা থাকিলেহেতেন, তেনেহলে তাইয়ো আজিৰ দিনত নতুন চোলা লব পাৰিলেহেতেন এই কথা খিনিকৈ থাকোতেই তাই আমাৰ উত্তৰলৈ বাট চাই নেথাকি গাৰ পৰা নতুন চোলাটো সোলোকাই ছোৱালীজনীক জোৰ কৰি পিন্ধাই দিলে। আমি দুয়ো একো মাত মাতিব নোৱাৰিলো তাইৰ মুখৰ ফালে তৱধ লাগি চাই ৰলো। আয়ে মুখখন কলা কৰি তা-ৰপৰা গুচি গ'ল। মহেলাই মোক উদ্দেশ্য কৰি কলে "দাদা দেখিছানে সৰু ছোৱালী জনী ভোকত খোজ কাঢ়িব নোৱাৰি আমাৰ পদূলি মুখত উবুৰি খাই

পৰি গৈছিল। মোৰ চোলাটোৱে তাইক কিমান ধুনীয়া দেখাইছে ? আজি আনন্দৰ দিন, তাইৰোতো অন্তৰত আনন্দৰচৌ বাগৰিছে। কিন্তু তাই আজি পেটৰ ভাতৰ কাৰণে বুঢ়ী আইতাৰ হাতত ধৰি বাটে-ঘাটে মানুহৰ ঘৰে ঘৰে ঘুৰি ফুৰিছে। ইয়াতকৈ আৰু দুখৰ বিষয় কি আছে।

সৰু ভনী মহেলাৰ কথা শুনি মোৰ গোটেই শৰীৰ অৱশ হৈ দুয়ো চকুয়েদি ধাৰাসাৰে পানীৰ লোতক আপোনা আপুনি বাগৰি পৰিছিল। মোৰ অন্তৰত নানা প্ৰকাৰ দুৰ্ভাৱনাই হেঁচা মাৰি ধৰিছিল। কিন্তু তাইৰ দৰে মই কোনো কথাই মুখেদি প্ৰকাশ কৰিব নোৱাৰিছিলো। তাইৰ অকণি অন্তৰত যে, সমাজৰ ইমান বিলাক কথা উপলব্ধি কৰিব পাৰিছে, তাইৰ অকণি হিয়াও যে দীন-দুখীয়াৰ দুৰ্ভিক্ষ দেখি কান্দি উঠিছে ভাবি মই নিজকে নিজে পাহৰি যাও।

ছোৱালী জনীয়ে মিচিকীয়া হাঁহি আহি মোৰ সৰু ভনী মহেলাক সাৱটি ধৰি চকু মুখ আদিত চুমা খাই ৰঙা কৰি দিলি মহেলায়ো তাইক সাৱটি ধৰি কান্দি পেলাই বুঢ়ীজনী মহেলাক মোক, মা-দেউতাক আশি দি কান্দি কান্দি বিদায় লৈছিল। মা-দেউতা ঘৰৰ সৰু ডাঙৰ সকলোৱে তাইহঁতৰ যোৱা চাই হা-হুমনীয়া কাঢ়িছিলো কোনেও, ক এষাৰি মাতেৰে সমিধান দিব নোৱাৰিলো। তাই গৈ গৈ সুদূৰ দূৰণিৰ নীলাকাশৰ ৰক্তিম দি বিলীন হৈ গৈছিল।

# কবিতা

## অৱসাদ


নবিবৰ ৰহমান
বি, এ প্ৰথম কলি


বলা আমি আগবাঢ়ি যাও
সেই সুদুৰ প্ৰান্তত।
এইয়াযে জীৱনৰ অন্তিম,
ক্ষত বিক্ষত ঘাট।
তাতেই পাম চিৰ শান্তি,
আকোৱালি লম শিখা।
তাতেই পাম জীৱনৰ সুখ,
আত্মাই পাব পৰমাত্মাক।
সেই বিয়লি বেলাত গুজৰি গুমৰি,
লৱ অৱসৰৰ সোৱাদ।
বলা আমি আগবাঢ়ি যাও
সেই সুদুৰ প্ৰান্তত।

০ ০

## —চিৰ বিদায়—


মিচ্ সুলতা কৰ্ম্মকাৰ।
স্নাতক কলা, ১ম বাৰ্ষিক।


বৃথা হ'ল মোৰ জনম লোৱা
মধুময় পৃথিবীৰ মাজত.
পুঞ্জীভূত আশা যত মাৰগল আজি
মোৰ মন সাগৰত।
নুমাই যাব মোৰ জীৱন বন্তি
মিছা কিয় মায়াৰ খেলা,
অন্তিম কালত দেখা দিছে আজি
ধুমুহা বৰষুণৰ লীলা।
সংসাৰৰ অভিলাষ নহল পূৰণ
ওচৰ চাপিছে মোৰ বিদায়ৰ ক্ষণ।
যিমানেই পাহৰিব খোজো মায়া সংসাৰৰ
সিমানেই উপচি পৰে বেদনা অন্তৰৰ।
কোন যে সাগৰৰ উপকূলত বহি
সাজিলো খেলাঘৰ গোপনে সৰলে;
কত বাৰু আছিল নিয়তি
ৰুক্ষ বতাহে দেখোন উৰুৱাই নিলে।
বেদনা গভীৰ অন্তৰ ব্যাপি
আহিল ওলাই চকুলো দুটুপি।
জীৱনৰ যত কিছু আশা আকাংশা,
নিমিতিলে একো হায়! অকল নিৰাশা।
বিদায়- ! পৃথিৱী,—বিদায়!!

০ ০

প্ৰবন্ধ

# স্বদেশানুৰাগী বেজবৰুৱা

অধ্যাপক— ভগীৰথ নাথ, এম

আধুনিক অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ বাবে যি কেইজন মহান কবি সাহিত্যিকে যৎপৰোনাস্তি চেষ্টা কৰি অসমীয়া ভাষা সংস্কৃতিক বিশ্ব-সাহিত্যমন্দিৰত স্থাপন কৰিবলৈ সক্ষম হৈছিল সেই কেই জন মহন সাহিতিকৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা অন্যতম। সাহিত্যৰথী এই মহান ব্যাক্তি গৰাকীক উচ্চমান বিশিষ্ট নানান উপাধিৰে বিভূষিত কৰিছে। তেওঁ সাহিত্যত মনোনিবেশ কৰিছিল অসমীয়া সমাজৰ প্ৰগতি আৰু সংস্কাৰৰ বাবে। বেজবৰুৱাই অসমীয়া সমাজৰ নানা ভ্ৰান্তি, অন্ধ বিশ্বাস আৰু অপৈণত অৱস্থা দূৰ কৰিবলৈ সাহিত্যৰ আশ্ৰয় লৈছিল। এখন স্বাধীন সমাজ বা এটা সুকীয়া জাতিৰূপে পৃথিৱীৰ আগত মুখ দেখুৱাবলৈ হলে তাৰ এটা সুকীয়া সুস্থ, সবল ভাষাৰ প্ৰয়োজন এই ভাষাতেই পৰিপুষ্টি আৰু তাৰ শ্ৰীবৃদ্ধি হয় সাহিত্যৰ মাধ্যমেৰে। সাহিত্য যে অকল আনন্দ দিবৰ বাবেই, এনে নহয়, এখন দেশ, এটা জাতিক শৃঙ্খলাবদ্ধ ৰূপে আৰু উন্নত অৱস্থালৈ আনিবলৈ হলেও সাহিত্যৰ সহায় লব পাৰি। সেয়েহে বহু-

মুখী প্ৰতিভা সম্পন্ন বেজবৰুৱাই সাহিত্যৰ অ
কেইটা দিশকে সামৰি লৈছিল।

অসমৰ ভাষা, সাহিত্য, ৰাজনী
সমাজনীতি ধৰ্মনীতি, অৰ্থনীতি
জাতীয় কলা সংস্কৃতিৰ লগত বেজবৰু
ওতপ্ৰোত ভাবে জড়িত আছিল। সেয়ে বেজবৰু
সাহিত্যৰ মাজেৰে অসমবাসীৰ সকলোবোৰ
ত্ৰুটি ধুই নিকা কৰিবলৈ দেহে কেহে চেষ্টা চল
ছিল। বঙালী সাহিত্যৰ বঙ্কিম চন্দ্ৰই কমলা ক
ভাও লোৱাৰ দৰে আমাৰ বেজবৰুৱা দেৱও কৃপ-
বৰৰ বেশত এফালে অসমীয়া জাতিক হুহুৱাই
আন ফালে চকুপানী টুকাইছে। কৃপাবৰৰ বে
তেওঁ অসমীয়া লোকক প্ৰবল ভাবে বাঙ
স্বদেশানুৰাগত দীক্ষিত কৰিবলৈ চেষ্টা কৰিৰ
এই কৃপাবৰ বাহিৰত দেখাত হাস্যৰসিক হ
ভালকৈ লক্ষ্য কৰিলে তেওঁ দেশ প্ৰেমিক, চিন্তা
বেজবৰুৱাহে। বেজবৰুৱাই তেওঁৰ লিখনিৰ দ্বা
হুহুৱাইছিল যদিও হুহুৱাৰ চলেৰে শেল মাৰি
পাহৰা নাছিল। তেওঁৰ লিখনি পঢ়ি হাঁহি
পিছ মুহূৰ্ত্ততে গভীৰ চিন্তাত নিমগ্ন হব লগা হৈ

ৰচনাবোৰৰ মাজত বেজবৰুৱাৰ স্বদেশানুৰাগ
ান। ডঃ বাণীকান্ত কাকতিদেৱে বেজবৰুৱাৰ
ত্যৰ বিষয়ে কৈছে— 'স্বদেশ প্ৰীতিয়েই বেজ-
। সাহিত্যৰ মূল মন্ত্ৰ।'

যি সময়ত ভাৰত মাতৃৰ পৰাধীনতাৰ
ল চিগিবলৈ ভাৰতবাসীয়ে আপ্ৰাণ চেষ্টা কৰি-
তেতিয়াই বেজবৰুৱাই কৈছিল যে, 'সিংহ
নিৰ্মাণতেই আৱদ্ধ নাথাকি ভাৰত উদ্ধাৰ
লৈ আগবাঢ়িছে। বেজবৰুৱাই জানে কথাৰে
উদ্ধাৰ নহয়। লাগিব সৎসাহস, লাগিব
ক্ষতা। সেয়ে কৃপাবৰী বেজবৰুৱাই কৈছে—
ভাৰত উদ্ধাৰ ভাত উদ্ধাৰ নহয়নে তাৰ মাজৰ
ক গতিয়াই উলিয়াই দি তই তুমি মই আপুনি
চ-তেওঁ তেখেতক আদি কৰি মামৰে খোৱা
ৰ ধৰা যত যি আছে সকলোৱে কৰিব পাৰে।
ৰ ভাৰত উদ্ধাৰ, ৰাখৰি ভাৰত উদ্ধাৰ, কেপ-
ই ভাৰত উদ্ধাৰ নহয়, নহয়, নহয়। হাতে
কাম কৰা, দেখিবা, ভাৰত উদ্ধাৰ হৈ বৰ
ওপৰত উঠি, বহি, হাঁহি খিলখিলাই আছে।
ভাৰতবাসীয়ে যদি সাম্প্ৰদায়িক ভাব পৰিহাৰ
দেশমাতৃক আপোন মাতৃৰ মৰ্য্যাদা দিব
নিজ স্বাৰ্থ পৰিত্যাগ কৰি সংকীৰ্ণতাক
আগবাঢ়ি আহিব নোৱাৰে-তেতিয়া জাতীয়
পৰিপন্থী নহব। সেয়ে বেজবৰুৱাই
তা পৰিহাৰকৰি হিন্দু মুছলমানক একেডাল
বান্ধ খাবলৈ আহ্বান— জনাইছে।
ভাবে হিন্দু মুছলমান ভাৰত জননীৰ দুটা
এটা চকু দুৰ্বল হলে আমাৰ সুন্দৰী
কুন্ধচ হব।
কৰ্মময় জীৱনত অসমৰ পৰা আঁতৰি
ৰত থাকিও শেণ চকুৰা বেজবৰুৱাই

অসমৰ চুকে কোণে দৃষ্টি ৰাখিছিল আৰু সেয়েহে অসমৰ জকাইচুকত ঘটা সাধাৰণ ঘটনা এটিও আমাতকৈ ভালদৰে গম পাইছিল। আমি এটা কথা অনুভৱ কৰিব পাৰো যে, এটি বস্তুৰ সংস্পৰ্শত থাকিলে তাৰ মৰ্য্যদা দিবলৈ কোনেও যত্ন নকৰে নাইবা তাৰ প্ৰকৃত ৰূপ দেখা নাযায়। কোনো আত্মীয় স্বজনৰ পৰা দূৰৈত থাকিলে নাইবা আত্মীয়ৰ বিয়োগ হলে তেওঁৰ প্ৰতি আমাৰ অন্তৰ কান্দি উঠে আৰু তেওঁৰ প্ৰকৃত সত্তাৰ আভাস পাওঁ। অসমৰ পৰা আঁতৰি থাকিও প্ৰতি মুহূৰ্ত্ততে অসম ভূমিৰ কথা সোঁৱৰিছিল আৰু অসমৰ লৌকিক আচাৰ-নীতিৰ কথা মনত পেলাইছিল। বেজবৰুৱাই বঙালী ৰান্ধনীয়ে বাৰ মচলা দি ৰন্ধা ত্ৰিশ ব্যঞ্জনেৰে ভোজন কৰিলেও অসমৰ কুজী থেকেৰা, পইতা ভাত, কোমল চাউল, কচু-ঢেকীয়া, কাঁহুদী, খাৰলিৰ কথা শুৱৰি কৈছিল—

"ক'ত আছে এনে চাউল পানীত দিলে ভাত ?
ক'ত এনে কুজী-থেকেৰা টেঙাই যায় দাঁত ?
ক'ত পাবা পকা খৰিচা ক'ত ঢেঁকীয়া শাক ?
এঠা দৈ ক'ত এনে নেৰায় ধূলে যাক ?"

বেজবৰুৱাৰ এনে স্বদেশ প্ৰীতিৰ ভাব দেখিয়ে বোধহয় ডঃ বাণীকান্ত কাকতি দেৱে কৈছে— "বেজবৰুৱা য'তে থাকক তেওঁৰ হিয়া পৰি আছে অসমৰ হাবি বননিৰ মাজত। তেওঁ বঙালীৰ সন্দেশ মিঠাই খাই থাকিলেও, তেওঁৰ জিভাৰ পানী পৰে এতিয়াও-অসমীয়া কাঁহুদী খাৰলিৰ সোঁৱৰণীত। শোৱা-খোৱাকে আৰম্ভ কৰি বাহিৰৰ চলন ফুৰণলৈকে চকুৰ আগত যিমানেই বিদেশী ভাব দেখিছে, তিমানেই তেওঁৰ অন্তৰ আত্মাই নিজৰ দেশ নিজৰ সমাজৰ প্ৰতি প্ৰচণ্ড ধাউতি দেখুৱাইছে'

বেজবৰুৱাই সামাজিক বা ৰাজনৈতিক

কোনো সমস্যাতে হাত নিদিয়াকৈ থকা নাছিল আৰু যাতে অসমবাসীক সকলোৰোগৰ পৰা মুক্ত কৰি সুস্থ সবল কৰি তুলিব পাৰি তাৰ বাবে বেজে বেজালি কৰিছিল। অসমৰ বিৰুদ্ধে কোনোবাই ক'ৰবাত অপপ্ৰচাৰ কৰিলে সিংহৰূপ ধাৰন কৰিছিল; কিন্তু আজি আমাক লোকে কটু সমালোচনা কৰিলেও মুখেৰে মাত নোলায়। যি সময়ত বেজবৰুৱাই সাহিত্য ৰচনা কৰি অসমবাসী ক বিশ্ববাসীৰ আগত অসমীয়া ভাষা সংস্কৃতিও যে এটা স্বতন্ত্ৰ ভাষা সংস্কৃতি তাক দাঙি ধৰিছি । পৰাধীনতাৰ গ্লানিয়ে যদিও বেজৰ অন্তৰ পুৰিছিল তথাপি পিছ হহকি অহা বিধৰ লোক বেজবৰুৱা নাছিল। আজি স্বাধীনতাৰ আনন্দই আমাক স্বাৰ্থান্ধ কৰিছে, কুসংস্কাৰ বোৰে আমাৰ সততাক ধ্বংস কৰিছে। এনে স্বাৰ্থান্ধমানুহবোৰৰ কুসংস্কাৰ বোৰ দেখি শুনিও নেদেখা ভাও জুৰিছোঁ।। এয়া আমাৰ দুৰ্ব্বলতা নহয় নে?

সমাজৰ চহকী টেঙৰ আৰু স্বাৰ্থপৰ মানুহ বিলাকে নিজৰ সুবিধাৰ বাবে এসময়ত ভালকৈ আৰম্ভ হোৱা আচাৰ-নীতিবোৰ কৌশলেৰে লৰচৰ কৰি লয়। ফলত সমাজৰ ৰীতি-নীতি তললৈ অবনমিত হয় আৰু সমাজ ধ্বংস পথলৈ নামি যায়। এনে সময়ত কিছুমান উদাৰমনা মহাপুৰুষে সমাজক কুপথৰ পৰা উদ্ধাৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰে আৰু নানাধৰণৰ কষ্ট স্বীকাৰ কৰিব লগা হয়। যীশুখৃষ্ট, ছক্ৰেটিছ, মহাত্মা গান্ধী আদিৰ নিচিনা মহান পুৰুষ সকলোকো সমাজৰ ব্যাভিচাৰী ব্যাক্তি বুলিয়ে এদিন হত্যাকৰা হৈছিল। পিছে তেওঁলোকৰ আদৰ্শক বাদ দি জানো আমি আজি চলিব পাৰিছোঁ ? এই মহান পুৰুষ সকলৰ নিচিনাই বেজবৰুৱা ডাঙৰীয়াই হাতত কাপ তুলি লৈছিল— স্বাৰ্থপৰ আৰু ভেমপুৰীয়া হৈ উঠা

সকলৰ স্বৰূপ উদ্ঘাটন আৰু মানসিক সংকী
দূৰ কৰাৰ বাবে। বেজবৰুৱাইও জানো সংকী
জাতীয়তাবাদী বুলি সমালোচক সকলৰ চকুনু
বিছিল ?

'বাহী'ত সম্পাদকীয় টোকা এটাত তে
লিখিছে— 'সাহিত্য আৰু সমাজৰ দোষ গুচা
নিমিত্তে, ভুল শুধৰাবৰ নিমিত্তে সঁচা তৰ্ক অ
সঁচা সমালোচনা ডাঙৰ অস্ত্ৰ; কিন্তু মিছা তৰ্ক,
ইংৰাজীৰে কবৰ নিচিনা Hydra- head
monster, অৰ্থাৎ জানিবা দহমূখীয়া ৰা
তাৰ মূৰ যিমানেই কাটিব সিমানেই গজি উ
আৰু তৰ্ক কৰোঁতাজনে 'though vauqu
hed will argue still.' অৰ্থাৎ সেই
বাগীশজন মৰিও নমৰে, হাৰিও নাহাৰে। এ
স্থলত বিদ্ৰুপ বাঙ্গ satire এ বৰ গুণ দি
বিদ্ৰুপ বাঙ্গলৈ সকলো দেশৰ সাহিত্যই আসন প
থৈছে।'

যি সময়ত অসম-বঙ্গ সমাজত ভাষা
চলি আছিল, যি সময়ত আনন্দ ৰাম ঢেকী
ফুকনে বঙলা ভাষাৰ শাসনৰ বিৰুদ্ধে পাদ্ৰী সক
লগত লগ লাগিছিল; সেই সময়তে কেবা
অসমীয়া ডেকাই গা-জোকাৰি উঠিছিল। আ
ৰাম ঢেঁকীয়াল ফুকনৰ সহায়ক হিচাপে গুণাভি
বৰুৱা; হেমবৰুৱা; কমলাকান্ত ভট্টাচাৰ্য্য লক্ষ্মী
বেজবৰুৱাৰ নাম আগতে লব লাগিব। সেইসময়
লক্ষ্মীনাথে গাই উঠিছিল—

"নতুন প্ৰাণৰ
ন চকু জুৰি
দীপিতি ঢালি দে তাত;
পুৰণি পৃথিৱী
নকৈ চাই লওঁ
হে বীণ, এষাৰি মাত।"

জোড়া সাঁকোৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ
ীত বৈবাহিক সম্বন্ধ স্থাপন কৰি বেজবৰুৱাই
ক্ষেত্ৰত নামিব লগা হ'ল আৰু অসমীয়া ৰীতি-
তি যে আনৰ অনুগামী নহয়, আনৰ এৰা পচাঁ
য়, জাতীয় চৰিত্ৰৰ লগত যে সম্পৰ্ক আছে বঙ্গৰ
মাজিক ৰীতি-নীতিতকৈ যে আমাৰ সামাজিক
তি-নীতি উন্নত নহলেও যে হীন নহয়, নানা
ক্তিৰে খণ্ডন কৰিবলৈ যুক্তি তৰ্কত অৱতীৰ্ণ
ছিল। যেতিয়া ৰবীন্দ্ৰ নাথ আৰু পৰিয়াল বৰ্গই
জবৰুৱাক 'ঘৰজামাই' আৰু ৰবী সঙ্গীতৰ সুৰ
য়াব নোৱাৰিলে তেতিয়াই বঙ্গৰ সাহিত্যৰথী
াৰথী সকলৰ মনৰ ভ্ৰান্তি ধাৰণা দূৰ হ'ল।
ন্তৰ্জাতিক সাহিত্যিক ভাষা বিদ ডক্টৰ সুনীতি
মাৰ চেটাৰ্জী প্ৰমুখ্যে বঙ্গ ভাষা সাহিত্যৰ জ্যো-
ষ্ক মণ্ডলীয়ে অসমীয়া আৰু বঙ্গ ভাষা সাহিত্যৰ
দান-প্ৰদানৰ বাট মুকলি কৰোঁতা বুলি বেজবৰু-
ৰ গ্ৰন্থাৱলী বঙ্গ ভাষাতো অনুবাদ কৰিব লাগে
লি বঙালী প্ৰেমী সকলক অনুপ্ৰেৰনা যোগাইছিল।

নীলমণি ফুকনদেৱে কোৱাৰ দৰে—'সৰ্ব্ব-
ৰতীয় হৈয়ো প্ৰাতঃ স্মৰনীয় আশুতোষ মুখো-
ধ্যায় যিদৰে 'বেঙ্গল টাইগাৰ' অৰ্থাৎ সুন্দৰবনৰ
ঘ বুলি জনাজাত আছিল, লক্ষ্মীনাথো সৰ্ব-
ৰতীয় দহজনৰ এজন হৈও অসমৰ শাল কাঠনিত
চৰণ কৰা, দাঁতে মাটি চুঁই যোৱা গণেশ হাতী-
। যথাৰ্থতে তেওঁ গজেন্দ্ৰ গমন আছিল। হাতী
তে যেন তেওঁৰ কলমৰ দাঁত—য'তে বহুৱাছিল
কি গৈছিল। তেওঁৰ ককা শহুৰেক মহৰ্ষি
বন্দ্ৰ নাথে আশীৰ্বাদ দি সোণৰ কলম এনেয়ে
য়া নাছিল। এই প্ৰকাণ্ড গজহস্তীৰ সম্মুখত থিয়
ওঁতা কোন ওলাব ? পাচ ফালৰ পৰা তৰাৰ

ফৰ্মুটি দুডাল মাৰিলেও, টিকাৰ নোম কেইডালেও গম নাপাইছিল। অসমৰ তাল-শালেও তেওঁক দেখিলে অলপ কাটি হৈ বাট এৰি দিছিল।"

মান মৰাণে অসমক ঠেকেচি যোৱাৰ পিছতো অসমৰ আকাশত ক'লা ডাৱৰে খেলা খেলিয়েই আছিল। মান মৰাণ গ'ল, আহিল ইংৰাজ সকল। ইংৰাজ সকলক অসমবাসীয়ে হাতত পাই বিপদৰ বন্ধু বুলি সাৱটি ধৰিলে। সিহঁতেও অসমবাসীৰ দুৰ্বলতাৰ সুযোগ লৈ বিভেদ নীতি ৰোপন কৰিলে। নৱ বৈষ্ণৱ আৰু আহোম সকলৰ শাসনত সম্প্ৰীতি বিৰাজ কৰা আৰু গাঢ় ভাবে ঐক্যবদ্ধ হোৱা অসম আৰু অসমীয়া সমাজখনত অনৈক্যৰ বীজ সিঁচি অসমীয়া জাতিটো ক্ৰমে দুৰ্বল কৰি তুলিবলৈ এটা ধাৰাবাহিক প্ৰচেষ্টা এওঁলোকে চলাইছিল। তাকে দেখি বেজবৰুৱাই মহাভাৰত ৰামায়ণ ঐতিহ্য সম্বন্ধ বায়ু মণ্ডলত পৰিপুষ্ট হোৱা সুবৃহৎ ভাৰতীয় জাতীয় জীৱনৰ ভেটিত অসমৰ জাতীয় জীৱনক থিয় কৰাবলৈ আপ্ৰাণ চেষ্টা কৰিছিল।

বেজবৰুৱা দেৱৰ স্বদেশ প্ৰীতি তেওঁৰ ৰচিত প্ৰতিখিলা পাতৰ প্ৰতিটো শব্দৰ মাজতে নিহিত হৈ আছে। তেওঁৰ একনিষ্ঠ স্বদেশ-প্ৰীতি লিখনিৰে প্ৰকাশ কৰিব নোৱাৰি। ডঃ বাণীকান্ত কাকতিৰ ভাষাত কবলৈ গলে—'এই সুগভীৰ স্বদেশানুৰাগ, স্বদেশ-প্ৰীতি বেজবৰুৱা সাহিত্যৰ প্ৰত্যেকটো শব্দৰ ভিতৰেদি প্ৰকাশ পাইছে। তেওঁৰ সকলো ৰচনাৱলী এই স্বদেশানুৰাগৰ বোলেৰে বোলোৱা। তেওঁৰ হাঁহি ধেমেলিয়া ৰচনাৰ পৰা আৰম্ভ কৰি শেহৰ ডোখৰৰ আধ্যাত্মিক ৰচনাৱলী লৈকে সকলোৰে ঐক্য সূত্ৰ এই স্বদেশানুৰাগ, এই স্বদেশ প্ৰীতিতেই '

০ ০

# কবিতা

## অনুতাপ

এম, এ, ৰহমান
বি, এ, ২য় বাৰ্ষিক শ্ৰেণী (ক'লা)

আছা তুমি প্ৰতিকূলে— নিঠুৰ নিয়তী
পালো তাৰ যি প্ৰতিদানত,
যাব গুচি প্ৰাণবায়ু অথলে জীৱন
শোকাকুলে কান্দিছো প্ৰাণত ।

কত শত জোৱানৰ বোৱালি বিফলে
অমৃতভৰা প্ৰেমৰ নই;
যাতনাত অবিৰাম তিতি অশ্ৰু জলে
আছে মোৰ একেদৰে বই ।

হাঁহিছো যদিও বাৰু হাঁহিৰ আঁৰত
অফুৰন্ত বেদনাৰ ছাপ;
নুবুজে মানুহে জনা তুমি অক'লই
কৰিছো কিহৰ অনুতাপ ।


বুজিলো জীৱন মোৰ অসাৰ সপোন
মিছাই আহিলো বাট বুলি;
দুখীয়া নিচলা মই মায়া বজাৰত
কোনে আজি চাব চকু মেলি ।

সপোনতে মাৰ গল আশা ল'ৰালিৰ
থল নাই বুলিবৰো মাত;
লীলাময় প্ৰকৃতিৰ অবাঞ্ছিত ধন
আৰু বম কিহৰ আশাত ।

সাঁচিলো যি প্ৰতিচ্ছবি হিয়া ভৰনত
তোমাৰ এয়া অমূল্য দান;
বাট বুলি হতাসত অনন্ত নয়ত
সুখে দুখে কৰিমগৈ পাণ ।

০ ০





চিয়াৰত বহি থকা ( বাওঁফালৰ পৰা ) অধ্যাপক শ্ৰীভগীৰথ নাথ ( ভাৰপ্ৰাপ্ত আলোচনী ), অধ্যাপিকা মিচ্ মেহৰুণ নেছা বেগম ( তত্বাঃ ছাত্ৰী জিৰণি কোঠা ), অধ্যাপক মতিয়াৰ ৰহমান ( তত্বাঃ লঘু খেল বিভাগ ), অধ্যাপক ওমৰ আলী আহমেদ ( তত্বাঃ গুৰু খেল বিভাগ ), অধ্যক্ষ আঃ ছাত্তাৰ আহমেদ ( সভাপতি ছাত্ৰ একতা সভা ), উপাধ্যক্ষ মোজাম্মেল হুচেইন ( উপ সভাপতি ছাত্ৰ একতা সভা ), অধ্যাপক শ্ৰীঘনশ্যাম ভৰালী ( তত্বাঃ সাংস্কৃতিক ), অধ্যাপক গফুৰ দেৱান ( তত্বাঃ ছাত্ৰ জিৰণি কোঠা ) অধ্যাপক আঃ ছালাম আহমেদ ( তত্বাঃ সমাজ সেৱা ) ★ অনুপস্থিত অধ্যাপক লম্বিত কোঁৱৰ ( তত্বাঃ তৰ্ক বিভাগ )

থিয় হৈ থকা-(বাওঁফালৰ পৰা) মোকাজ্জেল হুচেইন খাঁন (শ্ৰেণী প্ৰতিনিধি বি,এ), আবুবক্কাৰ ছিদ্দিক (শ্ৰেণী প্ৰতিনিধি ১ম বাৰ্ষিক পি, ইউ) মোঃ ৰুস্তম আলী, (সহঃ সম্পাদক তৰ্ক বিভাগ) মোঃ লাল মামুদ খাঁন ( সম্পাদক আলোচনী ), মিচ্ সুলতা কৰ্ম্মকাৰ,(সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), আব্দুল হক (সাধাৰণ সম্পাদক), শামচুল হক চৌধাৰী ( সহ সাধাৰণ সম্পাদক), আব্দুল গফুৰ (সম্পাদক, ছাত্ৰ জিৰণি কোঠা) নবিবৰ ৰহমান (সম্পাদক, তৰ্ক বিভাগ), হাছান আলী (সম্পাদক, খেল বিভাগ), হাফিজ ইদ্ৰিছ আলী ( সহঃ সম্পাদক. খেল বিভাগ) সাহাব উদ্দিন আহমেদ ( সম্পাদক, সাংস্কৃতিক ), নবিবৰ ৰহমান ( সম্পাদক, সমাজ সেৱা ), নুৰুল হক আহমেদ (সহঃ সম্পাদক সাংস্কতিক)।

মাটিত বহি থকা ( সন্মুখত, বাওঁফালৰ পৰা ) মোঃ আজাহাৰ আলী (কলেজ পিয়ন), মোঃ আঃ বাবেক (কলেজ ৰক্ষক, চকীদাৰ)

# গোলাপ

আব্দুল হক
বি, এ, প্ৰথম বাৰ্ষিক ।

হাঁহিছা গোলাপ পাহি বুকু উদঙাই
মোহময় ভৰ যৌৱনত;
দেখিও সহস্ৰবাৰ নেলাগে আমনি
হাঁহিছা যে মোহিনী ৰূপত ।


ৰঙ মনে হালি জালি নাচিছা বাগৰি
মলয়াৰ বায়ু পৰশত;
ধৰা ৰখা টান মোৰ অবলা মনটি
নাচি উঠে মায়াৰ মোহত ।

ফুলিবা গোলাপ কলি থাকিবা নিতউ
মনহৰা নৱৰূপ ধৰি;
সৌৰভ বিলাই মোৰ হিয়া উজলাই
থাকিবা অনন্ত কাল জুৰি ।

নাচিবা আজিৰ দৰে অনন্ত লয়তো
প্ৰেম ৰস দুগুনে বঢ়াই;
বিৰহ বেদনা এৰি লভিম শান্ত্বনা
আবেগৰ চুমা এটি খাই ।

০ ০

# বিদায়



এম, মোবিনূৰ ৰহমান ।
প্ৰাক্ বিশ্ববিদ্যালয় ১ম বাৰ্ষিক (ক'লা)

দুদিনৰ বাবে আহি
তোমাৰে বাগিছাত;
ললোঁ জিৰণি
তোমাৰে ছাঁত ।

শেষ হ'ল খেলাঘৰ
পালোহি বাটৰ বাঁক;
বাটৰুৱা মই দুদিনৰ
দিলাহি চেনেহি মাত ।


সময় নাই পেলাবলৈ চকুলো
ক্ষণিকৰ মিলন মাথো;
পাহৰিবা সকলো
পৰিচয় ক্ষন্তেকীয়া নহয়— একো ।

কিনো আছে দিবলৈ
সেয়েহে দিয়া নাই;
কিনো আছে লবলৈ,
সেয়ে লোৱাও নাই ।

ললোঁ মাথো
স্মৃতিটি তোমাৰ
থাকিবা গথা
চিৰ দিন অন্তৰত মোৰ ।

০ ০

[ প্ৰবন্ধ ]



# হজৰত মোহাম্মদ

আছৰ উদ্দিন মণ্ডল
পি, ইউ প্ৰথম বাৰ্ষিক (ক'লা)

হজৰত মোহাম্মদৰ (দঃ) জন্মৰ আগেয়ে কোৰেচ বিলাকে মক্কাত ৰাজত্ব কৰিছিল। সেই সময়ত কোৰেচ বংশৰ আব্দুল মুতালিবৰ পুতেক সকলৰ মাজত আব্দুল, হামজা, আবুতালেব আব্বাছ আৰু লাহাব এই কেইজনেই জনাজাত। আব্দুল্লাই বানি জোহৰা গোত্ৰৰ ওয়াহাবৰ জীয়েক আমেনাক বিয়া কৰিছিল। বিয়াৰ তিনি দিনৰ পিচত আব্দুল্লাহ ছিৰিয়ালৈ বেপাৰকৰিবলৈ গৈছিল। উভতি আহোতে মদিনাত তেখেতৰ এন্তেকাল (মৃত্যু) হয়।

জন্ম ঃ— ইং ৫৭০ খৃষ্টাব্দত ৰবিউল আউৱাল মাহৰ ১২ তাৰিখে সোমবাৰৰ দিনা ৰাতি পুৱাৱ হজৰত মোহাম্মদৰ (দঃ) জন্ম হয়। মাৰ আমেনাই তেখেতক 'আহমাদ' বুলি মাতিছিল। কোৰআন শ্বৰীফত মোহাম্মাদ আৰু আহমাদ দুয়ো নামৰ উল্লেখ আছে। আৰবী সকলৰ ৰীতি অনুসাৰে তেখেতৰ লালন-পালনৰ ভাৰ বনি ছা'দ বংশৰ হালিমা নামে এগৰাকী মহিলাক দিয়া হয়। ৫ বছৰ পিছত হালিমাই তেখেতক মক্কালৈ লৈ আহে। মাকে হজৰত মোহাম্মদক (দঃ) লৈ গৈছিল। তাৰ পৰা উভতি আহোতে আবুয়া নামে ঠাইত মাক অসুস্থ হয় আৰু ঢুকায়। এগৰাকী মাইকী মানুহৰ হজৰত মোহাম্মদ (দঃ) মক্কা লৈ উভতি দুবছৰ মান পিছত তেখেতৰ তত্ত্বাৱ আবদুল মুতালিব ঢুকায়। পৃথিৱীৰ ভৱি গাম্বৰ এতিয়া ঘাট মাউৰা অৱস্থাত পৰিল মুতালিবৰ পিচত হজৰতৰ দদায়েক আবু তেখেতৰ তত্ত্বাবধানৰ ভাৰ ললে। তে পঢ়াৰ কোনো ব্যৱস্থা নাছিল। সৰু তেখেতে পাহাৰত ভেড়া, ছাগলী ৰাখিছিল। তেখেতৰ বংশৰ প্ৰধান অৱলম্বন আছিল

১২ বছৰ বয়সত তেখেত এবাৰ দদায়েক লেবৰ লগত বাণিজ্য উপলক্ষে ছিৰিয়ালৈ বয়স হোৱাৰ লগে লগে তেখেতে বেপাৰ বা মন দিছিল। বাণিজ্যত আৰু তেখেতৰ ক ৰাত সভ্যতা দেখি মক্কাবাসী আচৰিত হৈছি

আল আমিন—হজৰত মোহাম্মদৰ [ দঃ ] সৎচৰিত্ৰ গুণত আৰব বাসী মুগ্ধ হৈছিল। তেখেতৰ সৎগুণত মুগ্ধ হৈ বিবি খদিজাই তেওঁৰ ব্যৱসায় বাণিজ্যৰ ভাৰ তেখেতক গতাই দিছিল।

তেখেতে বৰ সুখ্যাতিৰে সেই কাম চলাইছিল। তেখেতে কেতিয়াও লোকৰ আমানত মাল নষ্ট কৰা নাছিল। তেখেতে সৰু ডাঙৰ সকলোৰে লগত মিঠা মাতেৰে কথা কৈছিল। তেখেতৰ সভ্যতা দেখি আৰব বাসীয়ে তেখেতক আলআমিন অৰ্থাৎ বিশ্বাসী উপাধি দিছিল।

২৫ বছৰ বয়সত তেখেতে ধনী আৰু সম্ভ্ৰান্ত খদিজাৰ বাণিজ্যৰ সকলো গুৰু দায়ীত্ব গ্ৰহণ কৰে। হজৰতৰ কামত সভ্যতা আৰু দক্ষতা দেখি সতী খদিজাই তেখেতক স্বামীবৰণ কৰিছিল।

নবুয়ত— বিয়াৰ পিচত তেখেতে খদিজাৰ ধন সম্পত্তিত লোভ নকৰি সদায় নানা চিন্তা আৰু ভাৱনাত কাল কটাইছিল। তেখেতে নিজৰ ঘৰ দুৱাৰ এৰি মক্কাৰ ওচৰত 'হিৰা' নামে পৰ্ব্বতৰ গুহাত ধ্যানত মগ্ন হৈ আছিল। এনেতে এদিন স্বৰ্গ দূত জিব্ৰাইলে [আঃ] সংবাদ দিলে, "এই বিশাল পৃথিৱীৰ সকলো বস্তু আৰু সকলো জীৱ জন্তুৰ সৃষ্টিকৰ্ত্তা স্বয়ং আল্লাহ, তেওঁ এক, তেওঁৰ কোনো অংশীদাৰ নাই আৰু ধ্যান মগ্ন মোহাম্মদ [ দঃ ] আল্লাহৰ প্ৰেৰিত পুৰুষ।"

কোৰআন শ্বৰীফ ঃ– স্বৰ্গদূত হজৰত জিব্ৰাইলে হিৰা গুহাত উপস্থিত হৈ হজৰত মোহাম্মদক [দঃ] কলে, 'হে মোহাম্মদ [ দঃ ] তুমি আল্লাহৰ নামত পঢ়া।" তেখেতে কলে 'মই পঢ়িব নোৱাৰো।' এনেকৈ জিব্ৰাইলে তিনিবাৰ পঢ়িবলৈ কোৱাৰ লগে লগে তেখেতে পঢ়িবলৈ ধৰিলে। ৰমজান মাহৰ ২৭ তাৰিখে হিৰা গুহাত পবিত্ৰ কোৰআন শ্বৰীফ অবতীৰ্ণ হোৱা আৰম্ভ হয়। আল্লাহৰ আদেশৰ সমষ্টি, মুছলমান সকলৰ ধৰ্ম গ্ৰন্থ কোৰআন শ্বৰীফ। মুছলমান সকলৰ দৈনন্দিন কাম, ধৰ্ম্মীয়, সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যাৰ সমাধান এই কোৰআন শ্বৰীফত আছে। হজৰত মোহাম্মদৰ নবুয়ত প্ৰাপ্তিৰ পৰা তেখেতৰ এন্তেকাল [ মৃত্যু ] লৈকে ২৩ বছৰৰ ভিতৰত স্বৰ্গদূত হজৰত জিব্ৰাইলৰ মধ্যস্থতাত আল্লাহৰ আদেশ আৰু নিষেধবোৰ মাজে সময়ে আৱশ্যক অনুসৰি তেখেতৰ ওপৰত অবতীৰ্ণ হয়। কোৰআন শ্বৰীফৰ ভিন ভিন অংশ ভিন ভিন সময়ত অবতীৰ্ণ হৈছিল।

খোলাফায়ে ৰাসেদীনৰ সময়ত বিভিন্ন অংশ একে লগ কৰি কিতাপৰ আকাৰত ৰখা হৈছিল। কোৰআন শ্বৰীফৰ ভাষা গদ্যও নহয় পদ্যও নহয়। তথাপি ইয়াত সুৰৰ অবতীৰ্ণ হৈছিল তেতিয়া আৰবী বিলাকে কৈছিল 'কোৰআন শ্বৰীফ মোহাম্মদৰ [দঃ] মুখৰ কথা।" মুছলমান সকলক অপমানিত আৰু লাঞ্ছিত কৰিবৰ কাৰণে আৰবী সু-সাহিত্যিক সকলে কোৰআন শ্বৰীফৰ ভাষাৰ অনুৰূপ ভাষাত গদ্য আৰু পদ্য লিখিবৰ চেষ্টা কৰিছিল। কিন্তু সিহঁতে কৃতকাৰ্য্যত লাভ কৰিব পৰা নাছিল। কোৰআন শ্বৰীফৰ ভাষা সকলো ভাষাতকৈ শ্ৰেষ্ঠ। ইয়াত মুছলমান সকলক পাৰ্থিব আৰু আধ্যাত্মিক শিক্ষা দিছে। এই মহাগ্ৰন্থত কেতিয়াবা আল্লাহৰ মহিমা ঘোষণা কৰা হৈছে আৰু কেতিয়াবা আল্লাহৰ ভয় প্ৰদৰ্শন কৰা হৈছে। এই মহাগ্ৰন্থই স্বৰ্গ বেহেস্তৰ হুৰ গেলমান আৰু পবিত্ৰ নিজৰাৰ বৰ্ণনা দিয়াৰ লগে লগে নৰক বা দুজখৰ ভয়ঙ্কৰ শাস্তিৰ বৰ্ণনা দি পাপী সকলক সৎপথলৈ আহ্বান কৰিছে।

ধৰ্ম্ম প্ৰচাৰঃ —হিৰা পৰ্ব্বতৰ গুহাত স্বৰ্গ-দূতৰ আবিৰ্ভাবৰ কথা তেখেতে প্ৰথমে খদিজাক আৰু তাৰ পিচত আন আন মানুহক জনাইছিল। হিৰা পৰ্ব্বতৰ গুহাত তেখেত আদিষ্ট হৈ অদ্বিতীয় আল্লাহৰ বাণী প্ৰচাৰ কৰিবৰ মনস্থ কৰিলে। তেখেতে প্ৰচাৰ কৰা ধৰ্ম্মৰ নাম ইছলাম। ইছলাম ধৰ্ম্ম গ্ৰহণ কাৰী সকলক মুছলমান বোলে। ইছলাম প্ৰচাৰৰ ৩ বছৰৰ ভিতৰত মাথোন ৩০ জন মানুহে তেখেতৰ ধৰ্ম্ম গ্ৰহণ কৰিছিল। কোৰেচ বিলাকে মোহাম্মদৰ [দঃ] প্ৰচাৰিত ধৰ্ম্মৰ কথা শুনি তেখেতৰ বিৰুদ্ধে উঠি পৰি লাগি গল। তেখেতক আল আমিনৰ পৰিবৰ্ত্তে এতিয়া 'মজুনন' অৰ্থাৎ পাগল উপাধি দিলে আৰু য'তে ত'তে অত্যাচাৰ কৰিবলৈ ধৰিলে। দদায়েক আবুতালেবে তেখেতক এই ধৰ্ম প্ৰচাৰ কৰিবলৈ মানা কৰিছিল। তেতিয়া হজৰতে উত্তৰ দিছিল, "যদি কোনোৱে তেখেতৰ সোঁহাতত সূৰ্য্য আৰু বাওঁ হাতত চন্দ্ৰ আনি দিয়ে তথাপি তেখেতে এই সত্য ধৰ্ম্ম প্ৰচাৰৰ পৰা বিৰত নহয়" কোৰেচ বিলাকে নতুন মুছলমান সকলক মৰুভূমিৰ তপত বালিত, কাইটত আৰু জুইত পেলাই কষ্ট দিছিল।

নবুয়তৰ ১০ ম বছৰত দদায়েক আবু তালেব আৰু সহ ধৰ্ম্মিনী খদিজাৰ মৃত্যু হয়। তেতিয়া কোৰেচ বিলাকে বেচিকৈ অত্যাচাৰ কৰিবলৈ ধৰিলে।

কিছুমানে এই অত্যাচাৰ সহ্য কৰিব নোৱাৰি আবিছিনিয়ালৈ হিজৰত কৰিছিল। হজৰতে কোৰেচ বিলাকৰ অত্যাচাৰ নীৰৱে সহ্য কৰি ধৰ্ম্ম প্ৰচাৰ কৰিছিল। মক্কাৰ কোৰেচ বিলাকে তেখেতৰ কথা বিশ্বাস নকৰাত তেখেতে মক্কাৰ ওচৰত 'তায়েফ' চহৰত ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ গৈছিল। তায়েফৰ অধিবাসী সকলে তেখেতক নানা প্ৰকা অত্যাচাৰ কৰাত তেখেত নিৰুপায় হৈ মক্কা উভতি আহে। মক্কাৰ কোৰেচ বিলাকে তেখেত মাৰি পেলাবলৈ ষড়যন্ত্ৰ কৰি আছিল।

প্ৰথম তিনি বছৰ তেখেতৰ অনুসৰণকা সকলৰ সংখ্যা নিচেই কম থকাত তেখেতে গোপ ধৰ্ম্ম প্ৰচাৰ কৰি আছিল। সেই সময়ত হজৰ আবুবক্কৰ, হজৰত ওচমান আৰু হজৰত আলী ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিছিল। ৪ৰ্থ বছৰৰ প তেখেতে প্ৰকাশ্য ভাবে প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰি ছিল। তেতিয়াৰ পৰা তেখেতৰ শত্ৰু বাঢ়ি যা ধৰিছিল। ইছলামৰ শত্ৰু আবু ছুফিয়ানৰ আদে পাই এদিন ওমৰে হজৰতক মাৰি পেলাবলৈ খোল তৰোৱাল হাতত লৈ ৰাস্তাইদি গৈ আছিল। এনে শুনিবলৈ পালে যে, তেওঁৰ ভনীয়েক আৰু ভিনি দুয়োজন মুছলমান হৈছে। ওমৰে ভনীয়েকৰ ঘৰ গৈ দুয়োজনক কোৰআন শ্বৰীফ পঢ়ি থকা অৱস্থা পালে। ওমৰে সিহঁতক শাস্তি দিয়াতো সিহঁ নতুন ধৰ্ম্ম এৰিবলৈ মান্তি নহল। ওমৰে সিহঁত সুধিলে, 'মোহাম্মদে [দঃ] তোমালোকক কিহ ভুলাইছে।" তেতিয়া সিহঁতে কোৰআন শ্বৰীফ কেবাটাও আয়াত পঢ়িবলৈ ধৰিলে। সিহঁত মুখত কোৰআন শ্বৰীফৰ ভাষা শুনি ওমৰৰ অ অলপতে পমি গ'ল। হজৰত মোহাম্মদক [দ হত্যা কৰাৰ পৰিবৰ্ত্তে তেখেতৰ ওচৰত গৈ ক্ষ খুজি নতুন ধৰ্ম্ম গ্ৰহণ কৰিলে। হজৰত ও মুছলমান হোৱাৰ পিচত নবী কৰিমে [দঃ] প্ৰকা ভাৱে ধৰ্ম্ম প্ৰচাৰ আৰম্ভ কৰিলে।

ইছলাম বিস্তাৰৰ লগে লগে মক্কাবাসী সক অত্যাচাৰৰ মাত্ৰা বাঢ়ি গৈছিল। এবাৰ মক্কাবা সকলে মুছলমান সকলৰ লগত অসহযোগ কা



ছিল। অৰ্থাৎ সিহঁতৰ লগত কথাবতৰা কোৱা বস্তু বাহানি আদান প্ৰদান কৰা আৰু সিহঁতৰ লগত বেচা কিনা বন্ধ কৰি দিছিল। এই সময়ত মুছলমান সকল পৰ্ব্বতৰ গুহাত তিনি বছৰলৈকে অৱৰুদ্ধ থাকি অশেষ কষ্ট ভুগিছিল।

নবুয়তৰ দ্বাদশ বছৰ হজৰতৰ আধ্যাত্মিক জীৱনৰ এটা বিশেষ ঘটনাৰ কাৰণে বিখ্যাত। এই ঘটনাৰ নাম মে'ৰাজ বা স্বৰ্গাৰোহণ। এদিন ৰাতি তেখেতে শুই আছে, এনেতে স্বৰ্গদূত জিব্ৰাইলে আহি তেখেতক স্বৰ্গলোক লৈ যাবলৈ আল্লাহৰ আদেশ হৈছে বুলি জনালে। জিব্ৰাইলে তেখেতক এটা দ্ৰুতগামী শূন্যচাৰী ঘোঁৰাত আৰোহন কৰাই প্ৰথমে পয়গম্বৰ সকলৰ লীলা ভূমি জেৰুজালেমলৈ নিলে তাৰ পিচত স্বৰ্গলোকলৈ লৈ যায়। হজৰত আদম, ঈছা, মুছা, ইউছুফ, ইব্ৰাহীম প্ৰভৃতি পয়গাম্বৰ সকলৰ লগত তেখেতৰ সাক্ষাত হয়। তাৰ পিছত আল্লাহৰ নৈকট্য লাভ কৰে আৰু পৰ্দাৰ বাহিৰত থাকি আল্লাহৰ লগত কথা বতৰা হয়। সেইসময়ত মুছলমানৰ ওপৰত নিতৌ ৫ বাৰ নামাজ পঢ়া আৰু ৰমজান মাহৰ ৰোজাৰখা ফৰজ হয়। কিছুমানে কয় তেখেত সোশৰীৰে স্বৰ্গলোক আৰোহণ কৰিছিল আৰু কিছুমানে কয় যে, তেখেত টোপনি থকা অৱস্থাত সপোন দেখিছিল।

হিজৰতঃ— হজৰতৰ দদায়েক আবুতালেব আৰু সহ ধৰ্ম্মিনী খাদিজাৰ এন্তেকালৰ পিচত কোৰেচ বিলাকে তেখেতক নানা ৰকমে অত্যাচাৰ কৰিব ধৰিলে। এদিন কোৰেচ সকলে তেখেতক মাৰি পেলাবলৈ ষড়যন্ত্ৰ কৰি তেখেতৰ থকা ঘৰ অৱৰোধ কৰি ৰাখিলে। হজৰত আলীক বিছনাত শুৱাই থৈ তেখেতে হজৰত আবু বকৰক লগত লৈ মদিনা অভিমুখে ৰাওনা হ'ল। মক্কাৰ পৰা ২½ মাইল দূৰত এটা পাহাৰৰ গুহাত তিনি দিন লুকাই থাকি ৪ৰ্থ দিনা মদিনালৈ যাত্ৰা কৰিলে। মদিনা বাসী সকলে তেখেতক বৰ আগ্ৰহেৰে গ্ৰহণ কৰিলে। তেখেত মক্কাত থকা কালত মদিনাৰ কিছুমান মানুহে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। সিহঁতে তেখেতক মদিনালৈ যাবলৈ আহ্বান জনাইছিল। যি সকল মানুহ মক্কাৰ পৰা মদিনালৈ হিজৰত কৰিছিল, তেওঁলোকক মুহাজেৰিণ আৰু মদিনাৰ নাম আগেয়ে 'ইয়াছৰব' আছিল। পয়গাম্বৰ চাহাবৰ আগমনৰ লগে লগে এই নগৰৰ নাম 'মদিনাতুৰ নবী' ৰখা হয়। মদিনাৰ মানুহ সকলে তেখেতক ৰজাৰ নিচিনা সন্মান দেখুৱাই ছিল। তেখেতক মদিনা বাসীসকলে বিচাৰক আৰু শাসন কৰ্ত্তা হিচাবে মানিছিল। মক্কাৰ পৰা মদিনালৈ পলাই যোৱাক হিজৰত বোলে।

মক্কা বিজয়ঃ— মক্কা বিজয় হজৰত মোহাম্মদৰ ( দঃ ) জীৱনৰ এটা প্ৰধান ঘটনা। হিজৰীৰ ৭ম বছৰত হজৰত মোহাম্মদ (দঃ) মক্কাৰ কা'বা ঘৰ দৰ্শন কৰিবলৈ মন কৰিলে। সেই সময়ত কোৰেচ বিলাকে কা'বা ঘৰত ৩৬০ টা পাথৰৰ মূৰ্ত্তি ৰাখিছিল। কা'বা শ্বৰীফত দেৱ-দেৱীৰ মূৰ্ত্তি পূজাৰ পৰিবৰ্ত্তে এক আল্লাহৰ উপাসনাৰ প্ৰচলন কৰিবৰ কাৰণে তেখেতৰ ইচ্ছা আছিল। কোৰেচ বিলাকে হুদাই বিয়াৰ সন্ধিৰ সৰ্ত্তভঙ্গ কৰাত হজৰত মোহাম্মদ (দঃ) ১০,০০০ সৈন্যলৈ মক্কা আক্ৰমন কৰিবলৈ ওলাল। তেখেতে শান্তিস্থাপনৰ কাৰণে মক্কাৰ জননায়ক আবু ছুফিয়ানৰ ওচৰত দূত পঠাইছিল। কোৰেচ বিলাকে এই প্ৰস্তাৱ উপেক্ষা কৰাত মুছলমান সৈন্যই মক্কা অৱৰোধকৰিলে। আবুছুফিয়ানে ৰাতি মুছলমান সকলৰ গতি বিধি লক্ষ্য কৰিবলৈ নগৰৰ বাহিৰলৈ অহাত মুছলমানৰ হাতত বন্দী হয়।

হজৰত মোহাম্মদে ( দঃ ) ইছলামৰ শত্রু আবু ছুফিয়ানক ক্ষমা কৰিলে। আবু ছুফিয়ান হজৰতৰ ব্যৱহাৰত মুগ্ধ হৈ ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে। নগৰবাসী নিৰুপায় হৈ ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে। মক্কাবাসীৰ দ্বাৰা তেখেত অপমানিত, লাঞ্ছিত আৰু উৎপীড়িত হোৱা সত্বেও আজি তেখেতে সকলো কথা পাহৰি গৈ মক্কাবাসীক প্ৰীতিৰ বান্ধোনত আৱদ্ধ কৰিলে৷ যি সকল হজৰত মোহাম্মদৰ [দঃ] পৰম শত্রু আছিল, তেওঁলোক আজি তেখেতৰ পৰম বন্ধু। মূৰ্ত্তি পূজা, জুৱা খেলা, নাৰী নিৰ্য্যাতন আৰু ব্যাভিচাৰ আৰবৰ পৰা চিৰ কালৰ কাৰণে বিদায় ললে। ক'াবা ঘৰৰ মূৰ্ত্তি বিলাক ধ্বংস কৰি জম জমৰ পানীৰ দ্বাৰা ক'াবা ঘৰ ধৌত কৰি দিছিল।

শেষ হজব্রতঃ— হিজৰীৰ দশম বছৰত মোহাম্মদে [ দঃ ] জানিব পাৰিছিল যে, তেখেতৰ কৰ্ম্ম জীৱন চমু চাপি আহিছে আৰু তেখেতৰ প্ৰচাৰ কাৰ্য্য শেষ হৈছে। সেই বছৰত [ ৬৩২ খৃঃৰ ফেব্ৰুৱাৰী মাহৰ ২৩ তাৰিখে ] এটা বিৰাট মুছলিম বাহিনীলৈ শেষ হজব্ৰত পালন কৰিবলৈ মক্কা শ্বৰীফত উপাস্থিত হৈছিল। আৰফাত পাহাৰৰ ওপৰৰ পৰা তেখেতে তেখেতৰ অসংখ্য ভক্ত সকলক নিম্ন মৰ্ম্মে উপদেশ দিছিল।

"হে! মোৰ প্ৰিয় ভক্ত সকল, তোমালোকে মোৰ কথাবিলাক মনোযোগেৰে শুনিবা। মই আকৌ তোমালোকৰ লগত হজ কৰিব পাৰিম বুলি বিশ্বাস নাই। তোমালোকৰ কৃত ধৰ্মৰ জবাব দিবৰ কাৰণে হাসৰৰ দিন আল্লাহৰ ওচৰত গোট খাব লাগিব। এই কথাত কোনো প্ৰকাৰ সন্দেহ নাই। নিজ নিজ কামৰ কাৰণে পুৰস্কাৰ নাইবা শাস্তি ভূগিব লাগিব।"

"হে, মোৰ বিশ্বাসী ভক্ত সকল! মুছলমান আন মুছলমানৰ ভাই। মুছলমান এটা ভাতৃ সমাজ, তোমালোকৰ ঘৈণীয়েকৰ ও... যেনেকুৱা দাবী আছে, তোমালোকৰ ওপ... সিহঁতৰ তেনেকুৱা দাবী আছে। সিহঁতৰ ... সদায় ভাল ব্যৱহাৰ কৰিবা। মাইকী মানুহ ... আল্লাহৰ আমানতৰ বস্তু। তোমালোকৰ ... বিলাকৰ প্ৰতি ভাল ব্যৱহাৰ কৰিবা। নিজে যি ... খাবা, তাক সেই বস্তু খাবলৈ দিবা। নি... পোচাক পিন্ধিবা দাস বিলাকৰো সেই পো... পিন্ধিব দিবা।

সিহঁতৰ অন্যায় আৰু অপৰাধ ক্ষমা ... বলৈ চেষ্টা কৰিবা। আমি সকলোৰেই আ... দাস।'

হজকামৰ পিচত তেখেতে মদিনালৈ ... আহে। মদিনালৈ অহাৰ লগে লগে তেখেত ... হৈ পৰে। তেখেতৰ বেমাৰ বৃদ্ধি হোৱাত হ... আয়েশা ছিদ্দিকাৰ ঘৰলৈ যায়। তাতে তেখেত ... খৃঃৰ মাজ ভাগত ৰবিউল আউৱাল মাহ... তাৰিখে তেখেতৰ ভক্ত সকলক কন্দোৱা... জান্নাত বাসী হয়। "ইন্না বিল্লাহে অ ইন্না ই... ৰাজেউন।"

চৰিত্রঃ — হজৰত মোহাম্মদে [ দঃ ] ...ৰা ইছলাম ধৰ্ম্ম আৰবৰ সকলোৱে গ্ৰহণ... তেখেতৰ অধীনতা মানি লৈছিল। লাখ লাখ ... হে তেখেতৰ ধৰ্ম্মত বিশ্বাস স্থাপন কৰি... তেখেত এজন বিস্তীৰ্ণ সাম্ৰাজ্যৰ অধিপ... পাৰিছিল। তেখেত যদিও এজন পৰাক্ৰমশালী ... কৰ্ত্তা আছিল তথাপি তেখেত সবলতাৰ প্ৰতি... আছিল। তেখেতে ৰাজপদ তুচ্ছজ্ঞান কৰি... সংসাৰৰ সকলো কাম নিজ হাতে কৰি...

...পোৰ ধোৱা, জোতা চিলাই কৰা ইত্যাদি কাম ...জ নিজে কৰিবলৈ লাজ কৰা নাছিল। তেখেত ...জন ধৰ্ম্ম প্ৰবৰ্ত্তক, মহাকৰ্ম্মী আৰু মহাত্যাগী ...ছিল। তেখেতে ব্যৱসায় বাণিজ্য ভাল পাইছিল। ...খেতে সাহসী বীৰৰ নিচিনা যুদ্ধ কৰিছিল। ...শলী সেনা পতিৰ নিচিনা যুদ্ধ পৰিচালনা কৰি...ল। সুদক্ষ শাসন কৰ্ত্তাৰ নিচিনা দেশ শাসন ...ৰু ন্যায়বান বিচাৰকৰ দৰে বিচাৰ কৰিছিল। ...খেত এজন ৰাজনীতিজ্ঞ আছিল। তেখেতৰ ...ৰিত্ৰৰ তুলনা জগতত বিৰল। তেখেতৰ মহত্ব ...বিত্ৰতা, সত্য সাধনা আৰু নম্ৰ আচৰণত সুখী ... আৰবৰ প্ৰত্যেক নৰ নাৰীয়ে তেখেতক বন্ধু ...চাবে গ্ৰহণ কৰিছিল।

যেতিয়া গোটেই পৃথিৱী অজ্ঞান অন্ধকাৰ ...ভিচাৰ, অত্যাচাৰ আৰু অধৰ্ম্মত ভৰপুৰ ...াছিল; তেতিয়া তেখেত জন্ম গ্ৰহন কৰি দুৰ্ব্বলী ...ৰু পাপীক ৰক্ষা কৰিছিল আৰু মানুহক জ্ঞানৰ ...াহৰ বিলাইছিল। ঘৰৰ চাকৰৰ লগত তেখেতে ...ৰ্ব্যৱহাৰ কৰিছিল। কাকো কেতিয়াও তিৰস্কাৰ ...ৰা নাছিল। সৰু সৰু ল'ৰা-ছোৱালীক তেখেতে ...ৰ মৰম কৰিছিল। মুছলমান অমুছলমান সকলোৱে তেখেতৰ ঘৰত সমাদৰ পাইছিল। শত্রুৰ প্ৰতি দয়াভাৱ দেখুৱাইছিল আৰু ক্ষমা কৰিছিল। গোটেই সাম্ৰাজ্যৰ অধিকাৰী হৈয়ো তেখেতে বৰ কষ্টৰে জীৱন যাপন কৰিছিল। কেতিয়াবা তেখেতে নিজে নোখোৱাকৈ থাকি দুখীয়াৰ প্ৰতি সহানুভূতি দেখুৱাইছিল। তেখেতে কৈছে, "দৰিদ্ৰই হৈছে মোৰ পৰ্ব্ব", ৰাজভঁড়ালৰ পৰা তেখেতে নিজৰ খৰচৰ কাৰণে এক পইচা গ্ৰহন কৰা নাছিল। তেখেতৰ চাহাবৰ সকলে তেখেতক আল্লাহৰ দাস আৰু সিহঁতৰ নিচিনা এজন মানুহ হিচাবে জ্ঞান কৰিছিল। তেখেতৰ প্ৰতি চাহাবা সকলৰ ভক্তি আৰু শ্ৰদ্ধা ইমান বেচি আছিল যে, তেখেতৰ কথা বিলাক ( হাদিছ ) সকলোৱে মুখস্থ কৰি ৰাখিছিল। তেখেতৰ কৰ্ম্মক সিহঁতৰ জীৱনৰ আদৰ্শ স্বৰূপে গ্ৰহণ কৰিছিল। তেখেতৰ জীৱনৰ দৈনন্দিক কাম আৰু কথাৰ দ্বাৰা আমি তেখেতৰ চৰিত্ৰৰ সম্বন্ধে যিমান খিনি জানিব পাৰো আন আন মহাপুৰুষ সকলৰ জীৱনী সম্পৰ্কে সিমানখিনি জানিব নোৱাৰো।

০ ০

## কবিতা

### মাধুৰি

আঃ বাৰেক মিঞা
প্ৰথম বাৰ্ষিক স্নাতক মহলা

হে মাধুৰি ! তুমি সৌন্দৰ্য্যপ্ৰিয়
অতৃপ্ত বাষ্প হৃদয়ৰ
মৰুভূমিৰ শুষ্কপথত
পিয়াহ কাতৰ পথিকৰ ।

বাৰু মাধুৰি ! তুমি আত্মানে ?
যদি তুমি আত্মাই হোৱা
তেন্তে জন্মতেই তোমাৰ অংকুৰণ
আৰু তুমি আত্মাৰ ধোৱা ।

হে মাধুৰি ! তুমি মোৰ
নোহোৱানে গুপ্ত প্ৰেমিক ?
জীৱন শলিতাৰ নিঃশেষ তেলৰ
পোহৰ মাথো চিমিক চামাক ।

হে মাধুৰি ! তুমিসৌন্দৰ্য্যপ্ৰিয়
আৰু প্ৰাণৰ আবেগ মালা
সন্ধিয়াৰ অস্ত আয়োজন
নাইবা সি সুপ্ত বিৰহ জ্বালা ।

কেতিয়াবা মাধুৰি তোমাক
ভাবো মই কোনো দেৱদূত
জীৱনৰ অপেক্ষা দ্বাৰত
শব্দহীন গমন নিখুদ ।
জানিলো ভালকৈ হে মাধুৰি তোমাক
তুমিয়েই পৰাত্মাৰ সুন্দৰ আবাস
আৰু জানিলো মাত্ৰ তোমাক
তুমি ন সৃষ্টিৰ পূৰ্ব আবাস ।



## জীৱনী

# ভাৰতৰ পঞ্চম ৰাষ্ট্ৰপতি মৰহুম ফকৰুদ্দিন আলি আহমেদ

মোঃ গোলাম মছতাফা
২য় বাৰ্ষিক স্নাতক মহলা

ঃ ১৯০৫ চনত দিল্লীত ফকৰুদ্দিন আলি হমেদৰ জন্ম হয় ।

বংশ পৰিচয় — তেখেতৰ পিতাকৰ নাম হল জালনুৰ আলি আৰু ককাক গোলা ঘাটৰ ৰী হাটৰ কাজী খলিলুদ্দিন আহমেদ । তেওঁৰ াক তাহানিৰ প্ৰথম মহাসমৰ যোদ্ধা, অসমৰ ৷ আই-এ-এছ কৰ্ণেল জালনু আলি । আলি মেদৰ মাকো এজনী উচ্চ বংশৰ জীয়ৰী হল । জালনু আলিৰ দহোটা ল'ৰা-ছোৱালীৰ ৰত আলী আহমেদই জ্যেষ্ঠ । আলি আহমেদৰ জন ভায়েক আৰু পাঁচজনী ভনীয়েক আছিল । ৫ চনত আলি আহমেদ বিয়া কৰায় । তেওঁৰ বেগম আবিদা হৈছে লোহাৰগ্ৰ ৰাজ্যৰ নবাব । উদ্দিন আহমেদৰ নাতিনী । এই জন জিয়া- ন আছিল । চিপাহী বিদ্ৰোহত ফাঁচী কাঠত নবাব ছামছুদ্দিন খানৰ বংশধৰ । বেগম বিদা আহমেদ যেতিয়া আলিগড় বিশ্ববিদ্যালয়ৰ াক তেতিয়া আলি আহমেদৰ বিয়া স্থিৰ হয় । তয়া স্বাধীনতা সংগ্ৰামৰ হকে তেখেত জেলত । লি আহমেদৰ তিনিটা ল'ৰা-ছোৱালীৰ ভিতৰত দুজন ল'ৰা পাৰভেজ, বদিৰ আৰু এক মাত্ৰ ছোৱালী শ্বালিমা ।

কৰ্ম জীৱন — আলি আহমেদৰ শিক্ষা আৰম্ভ হয় উত্তৰ প্ৰদেশৰ গোণ্ডাত । তাৰ পাচত দিল্লীত পঢ়ি তেখেত ইংলণ্ডলৈ বাৰ এট্‌ল পঢ়িবলৈ যায় । ১৯২৮ চনত আলি আহমেদ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা ইতিহাসত উচ্চ শিক্ষা আৰু বাৰ এট্‌ল ডিগ্ৰী লৈ স্বদেশ লৈ উভতি আহে । ফকৰুদ্দিনক বিলাতলৈ পঠাই আশাকৰা হৈছিল যে তেওঁ আই চি এছ হব কিন্তু তেওঁ বেৰিষ্টাৰ হে আহিল । ভৱা হৈছিল তেওঁ ডাঙৰ উকিল হব, তেওঁ অকল ডাঙৰ উকিলেই নহল এজন ডাঙৰ দেশ কৰ্মীও হল ।

আলি আহমেদে বেৰিষ্টাৰী পাছ কৰি আহি পঞ্জাৱৰ হাই কোৰ্টত যোগ দিয়ে আৰু তাতেই দেউতাকৰ বন্ধু এজনৰ অধীনত ওকালতি আৰম্ভ কৰে । কিন্তু দেউতাক জালনুৰ আলিয়ে পুতেকক এনেদৰে অসমৰ পৰা বিছিন্ন কৰি বাহিৰত প্ৰতিষ্ঠা কৰাটো বিচৰা নাছিল গতিকে ১৯২৮ চনত তেওঁৰ দেউতাকে আলি আহমেদক লৈ গুৱাহাটী পায়গৈ

ৰাজনৈতিক জীৱন— ১৯৩১ চনত ভাৰতীয় জাতীয় কংগ্ৰেছত আলি আহমেদে ভৰ্ত্তি হয়। আটাইতকৈ মন কৰিব লগীয়া কথা যে আলি আহমেদৰ ভাৰতীয় ৰাজনীতিত যেতিয়া প্ৰবেশ ঘটিছিল, তেতিয়া জাতীয় কংগ্ৰেছৰ অধিনত গান্ধীজীৰ নেতৃত্বত একত্ৰিত ভাৰতৰ লক্ষ্য সাধন যেনে দৰে হাতৰ স্পৰ্শৰ ভিতৰত আছিল তেনেদৰেই বনীয়া ইংৰাজৰ কৌশল পূৰ্ণ Divideand rule নীতিৰে Tonation theory ৰ প্ৰতিক্ৰিয়া তেতিয়া সৰ্বগ্ৰাসী ৰূপত বিয়পি পৰিছিল। যদিও ইংৰাজ ৰাজনৈতিজ্ঞৰ চতুৰ মগজুৰ উদ্ভাৱনৰ ফল স্বৰূপে ১৯০৬ চনতে ভাৰতীয় মুছলিম লীগৰ জন্ম হয়। ১৯৩৫ চনৰ আগেয়ে অসমৰ ৰাজনীতিত মুছলমান স্বাৰ্থ ৰক্ষাৰ ঘাইহোতা হিচাবে পৰিচিত হৈ উঠা চৈয়দ মহম্মদ ছাদুল্লা এগৰাকী বিচক্ষণ ৰাজনীতিজ্ঞ হিচাবে সুপ্ৰতিষ্ঠিত। চৈয়দ মহম্মদ ছাদুল্লাই আলি আহম্মদক মুছলিম লীগত যোগ দিবলৈ আহ্বান কৰিছিল। আলি আহমদে মুছলিম লীগ উপেক্ষা কৰি ভাৰতীয় কংগ্ৰেছৰ সক্ৰিয় কৰ্মী হৈ ৰল।

ইতিমধ্যে আলি আহমেদ পণ্ডিত নেহেৰু আৰু গোপীনাথ বৰদলৈৰ উপদেশ মতে ১৯৩৭ চনৰ নিৰ্ব্বাচনত নিৰ্দ্দলীয় প্ৰাৰ্থী হিচাবে জয় লাভ কৰে।

ছাদুল্লা মন্ত্ৰী সভা যেতিয়া অনাস্থা প্ৰস্তাৱৰ সন্মুখীন হৈ বিদায় লব লগা হয়, নেতাজী সুভাষ বসুৰ উদ্যোগত এছেম্বলীত কংগ্ৰেছৰ সংখ্যা গৰিষ্ঠতা নথকাৰ হেতুকে সংযুক্ত মন্ত্ৰী সভা গঠিত হয়। গোপীনাথ বৰদলৈ হয় মুখ্য মন্ত্ৰী আলি আহমদে হয় বিত্ত আৰু ৰাজহ মন্ত্ৰী। ১৯৪৬ চনত বৰদলৈ মন্ত্ৰী সভা গঠন হোৱাৰ পূৰ্ব্বলৈ মাজৰ সময় ছোৱা আলি আহমদে ব্যক্তিগত আৰু ভাৰত ত্যাগ আন্দোলনৰ সন্দৰ্ভত হৈ চাৰি বাৰৰ অধিক কাল কাৰাবৰণ খাটে চনৰ নিৰ্ব্বাচনী যুদ্ধত কংগ্ৰেছ প্ৰাৰ্থী হিচা আহমদে মুছলিম লীগৰ নেতা মহম্মদ বিৰুদ্ধে পৰাজিত হয়।

১৯৪৬ চনত অসমৰ মুখ্য মন্ত্ৰী বৰদলৈয়ে আলি আহমদক এডভোকেট পদত প্ৰতিষ্ঠিত কৰায়। ১৯৪৭ চনৰ পাচত অসমত মুছলিমলীগৰ জোৰ হ্ৰাস আনকি মহম্মদ ছাদুল্লাই উপায়হীন হৈ যোগ দিয়ে।

১৯৫৭ চনত আলি আহমদে পু সভালৈ নিৰ্ব্বাচিত হৈ আকৌ বিত্ত আৰু ভাগৰ মন্ত্ৰী হয়। ১৯৫২ চনত পুনৰ নিৰ্ব মন্ত্ৰী হয়। ১৯৬৬ চনত তেওঁ ৰাজ্য সভালৈ হয় আৰু কেন্দ্ৰীয় মন্ত্ৰী সভাত প্ৰথমতে আৰু বিদ্যুত মন্ত্ৰী আৰু পাচত শিক্ষা মন্ত্ৰী

১৯৬৭ চনত লোক সভা লৈ নিৰ্ব্বাচি পিছত তেওঁ উদ্যোগ উন্নয়ন আৰু কোম্পানী আৰু ১৯৭০ চনত কৃষি আৰু খাদ্য ভাৰতৰ দৰে এখন বিশাল ৰাষ্ট্ৰৰ চাৰি খাদ্য দপ্তৰৰ গুৰুদায়িত্ব লৈ নানা প্ৰতিকূল বিৰুদ্ধে যুজিও আলি আহমদে তেওঁৰ পৰিপূৰ্ণ ছবি দাঙি ধৰে। ১৯৭১ চনৰ নিৰ্ব্বাচনৰ পিছত তেওঁলৈ সেই একেখন কৃষি মন্ত্ৰীত্বৰ পদ জপাই দিয়া হৈছিল। ১৯৭৪ চনৰ জুলাই মাহলৈকে থাকে।

তাৰ পাচত এইবাৰ সেউজ কৃষি ৰাজকীয় ৰাষ্ট্ৰপতি ভৱনলৈ। ৰাজনীতি সাতুৰি অথচ বোকা নলগাকৈ নিকা জীৱন নিজকে প্ৰতিষ্ঠা কৰি আহিছে আহমদে।



১৯৭৪ চনৰ ২১ আগষ্ট তাৰিখে আলি আহমদক ৰাষ্ট্ৰপতি হিচাবে শপত গ্ৰহণ কৰোৱা হয়। কৃষি ভৱনৰ পৰা ৰষ্ট্ৰপতি ভৱলৈ ভাৰতৰ পঞ্চম ৰাষ্ট্ৰপতি গৰাকী অসমে দিলে।

অসমৰ গৌৰৱ বৃদ্ধি পালে, এই সম্মানৰ বাবে দেশৰ স্বাধীনতা সংগ্ৰামত তেতিয়াৰ বাৰু সচেতন হেজাৰ জনৰ দৰে। গোলাঘাটৰ কাছাৰী হাট গাওঁৰ কাজী খলিলুদ্দিন আহমদৰ নাতিয়েক ফকৰুদ্দিন আলি আহমদও জপিয়াই পৰি নানা দুখ কষ্ট ভোগ কৰি এটি মুহূৰ্ত্তও আদৰ্শ তথা লক্ষ্যৰ পৰা বিচ্যুত নোহোৱাকৈ সংখ্যা গৰিষ্ঠ মুছলমানৰ সম্প্ৰদায়িকতাৰ ঠেক গণ্ডীৰ উৰ্দ্ধত থাকি দেশৰ বাবে অবদান আগবঢ়াই গ'ল।

জীবনৰ বৈশিষ্ট:—ৰাষ্ট্ৰপতিৰ কাৰ্য্যভাৰ লোৱাৰ পিছত তেওঁৰ প্ৰথম ভাষণতে তেওঁ অকুণ্ঠ ভাবে কৈছিল 'মহাত্মাগান্ধী আৰু তেওঁৰ সুযোগ্য অনুগামী জৱহৰ লাল নেহেৰু, ছৰ্দাৰ বল্লভ ভাই পেটেল আৰু মৌলনা আবুল কালাম আজাদ যি ৰাস্ত্ৰীয় আন্দোলনৰ সৃষ্টি কৰি গল মই তাৰেই সন্তান। ধৰ্মনিৰপেক্ষত গণতন্ত্ৰ আৰু সমাজ বাদৰ প্ৰতি অকুণ্ঠ বিশ্বাস তেওঁৰ জীৱনৰ বৈশিষ্ট্য আৰু ধ্যান ধাৰনাত তেওঁ আছিল আধুনিক। উদাৰ উদ্দেশ্য আৰু লক্ষ্যৰ প্ৰতি তেওঁ আছিল সৎ, সততা আছিল তেওঁৰ শক্তি। এই শক্তিৰেই তেও প্ৰয়োজন হলে যিমান কঠোৰ আৰু দৃঢ় হব পাৰিছিল সিমান কোমল হব পাৰিছিল। তেওঁ আছিল অতিশয় ভদ্ৰ, শান্ত, মিষ্ট ভাষী আৰু নিৰহঙ্কাৰী নীতি আৰু মূল্যবোধৰ প্ৰশ্ন নাই বা পৰীক্ষাত সেইবোৰ কোমল আৰু মাৰ্জিত ব্যৱহাৰৰ মাজেদিয়েই তেওঁৰ অদমনীয় আৰু পৌৰুষ ব্যক্তিত্ব ফুটি উঠিছিল। এইটোৱেই আছিল তেওঁৰ জীৱনৰ বৈশিষ্ট্য। তেওঁ কেৱল ৰাজনীতিজ্ঞই নাছিল ৰাজনীতিৰ বাহিৰেও বিভিন্ন সামাজিক কামৰ মাজতো আলি আহমেদ সদায় জাকত জিলিকা।

অসমৰ মন্ত্ৰী সভাৰ গুৰু দায়িত্ব থকা কাল ছোৱাত ৰাজ্যৰ বিভিন্ন ঠাইত সংঘটিত বিভিন্ন জটিল পৰিস্থিতি নিজ হাতেৰে নিৰ্মূল কৰা ভূৰি ভূৰি উদাহৰণ আছে। ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ত কটন কলেজ Hostelৰ চৌহদলৈ গৈ ছাত্ৰ সকলৰ সন্মুখীন হৈ পিতৃ সুলভ সান্তনাবাণী দিয়া মানুহজন আছিল আলি আহমেদ। ১৯৬২ চনত চীনা আক্ৰমনত বিপন্ন তেজপুৰ চহৰৰ, চহৰ বাসীক নিয়াৰিকৈ স্থানান্তৰ কৰা মানুহজন ফকৰুদ্দিন আলি আহমেদ। আন এটি ভাষা সম্পৰ্কীয় মাধ্যম আন্দোলনত দিল্লীৰ পৰা অসম লৈ দৌৰি আহি সৰ্বাতোকৈ বিপৰ্য্যস্ত ঠাই নগাওঁ লৈ যোৱা মানুহজন আছিল আলি আহমেদ। অসমৰ ভাষা সংস্কৃতিৰ ন্যায্য দাবীক সমান কঠোৰতাই প্ৰতিধ্বনিত কৰি প্ৰতিপক্ষৰ চোকা মুখ ভোটা কৰি দিছিল। আজি এই কথা কলে অকনো বঢ়াই কোৱা নহব যে ফকৰুদ্দিন আলি আহমদে আছিল আধুনিক অসমৰ ভাষা সংস্কৃতিৰ আন এজন সতৰ্ক প্ৰহৰী।

স্বৰূপত ফকৰুদ্দিন আলি আহমেদ আছিল বৰ্ত্তমান কালৰ অসমীয়া জীৱনক ৰাস্ত্ৰীয় জীৱনৰ বৃহত্তৰ সোতৰ লগত একীভুত কৰাৰ এজন পুৰোধালোক।

বিশেষকৈ অসমৰ ক্ৰীড়া জগতত তেওঁৰ ভালেখিনি অবদান আছে। হকী, টেনিচ্ আদি খেলৰ উপৰিও আলি আহমেদ এজন ভাল চিকাৰীও আছিল। তেওঁ নিয়মিত গলফ্ খেলিছিল। জনা যায় যে ফকৰুদ্দিন আলি আহমেদ কেম্ব্ৰিজত পঢ়ি থকাৰ সময়ত হেনো কোনো অবসৰ মুহূৰ্ত্তত

উর্দ্দু ভাষাত কবিতা এটা লিখি পৰিয়ালৰ বন্ধু তেতিয়াৰ সুখ্যাত উদু কবি নবাৰ খেইল দেহলবীৰ তালৈ পঠিয়াই দিছিল—চাইচিতি দিবলৈ। কবি দেহলবীয়ে উত্তৰত আলি আহমদলৈ লিখিছিল 'মই মোৰ জীৱনত ৰচিত আটাই খিনি কবিতা নষ্ট কৰিলোঁ। জীৱনত সঁচা শান্তি দিয়া কিবা এটা কৰা বোধ হয় ভাল হব'। কবি নহল আলি আহমেদ, ৰাজনীতিজ্ঞ হল। বহুতো বিশিষ্ট কবিৰ কথাই সঁচাকৈ দেখা দিলে।

১৯৭৩ চনৰ ফেব্ৰুৱাৰী মাহত ফকৰুদ্দিন আলি আহমেদে নৱজ্যোতি মহাবিদ্যালয়ৰ আধাশিলা স্থাপন কৰিছিল। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ত হেঁচা দিয়াৰ ফলত উক্ত মহাবিদ্যালয়ক স্বীকৃতি দিবলৈ বাধ্য হয়। ইয়াৰ ওপৰিও আলি আহমেদ চাহাবে আমাৰ এই মহাবিদ্যালয়ত বহুতো সা-সুবিধা আগবঢ়ায়। আনকি তেখেতে নিজে নগদ ৫০০০'০০ (পাচ হাজাৰ) টকা মুক্তহস্তে দান কৰে। ফকৰুদ্দিন আলি আহমেদে জনিয়া সমষ্টিৰ পৰা একেৰাহে তিনিবাৰ অসম বিধান সভাৰ সদস্য হৈ অবশেষত ভাৰতৰ পঞ্চম ৰাষ্ট্ৰপতিৰ পদোন্নতি লাভ কৰে।

ফকৰুদ্দিন আলি আহমেদ ভাৰতৰ ৰাষ্ট্ৰপতি হোৱাৰ এবছৰ পূৰ্ণ নহওতেই ভাৰতৰ প্ৰাকৃতিক দুৰ্যোগত খেতি বাতি নোহোৱা বাবে ভাৰতৰ অ'ত ত'ত খাদ্য সমস্যাই দেখাদিয়াত হৰতাল পিকেটিং ধৰ্মঘট আদিৰ উপদ্ৰৱ কাম বাঢ়ি যায় আৰু নানা ঠাইত মাৰাত্মক দুৰ্ঘটনা হবলৈ ধৰে। সেই বোৰকে কেন্দ্ৰ কৰি বিৰোধী দল সমূহে প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ ওপৰত অত্যাধিক হেচা দিয়াৰ বাবে উপায় হীন হৈ শ্ৰীমতী গান্ধীয়ে ৰাষ্ট্ৰপতিৰ হতুৱাই ১৯৭৫ চনৰ জুন মাহৰ ১৫ তাৰিখত সমগ্ৰ ভাৰতবৰ্ষ জুৰি অনিৰ্দ্দিষ্ট কাল লৈ জৰুৰী কালীন ঘোযনা কৰে। জৰুৰী কালীন ১৮ মা
লৈ বলবৎ থাকে। বিশেষ কৈ কবলৈ গ'লে ভাৰত
বৰ্ষই স্বাধীনতা লাভ কৰাৰ পাচত ইমান দীৰ্ঘদি
জৰুৰী কালীন ঘোষীত হোৱা নাই। জৰুৰী কাল
উঠাই লোৱাৰ কিছুদিন পাচত ৰাষ্ট্ৰপতি আহমে
১৯৭৬ চনৰ নবেম্বৰ মাহৰ ২৭ তাৰিখত শেষ বাৰ
বাবে অসম ভ্ৰমন কৰি যায়। ১৯৭৭ চনৰ লো
সভাৰ নিৰ্ব্বাচনীৰ কিছুদিন আগতে অৰ্থাৎ ফেব্
ৰাৰী মাহৰ ৬ তাৰিখে দক্ষিণ পূব এছিয়াৰ মা
য়ছিয়ালৈ সুস্থ শৰীৰে ভ্ৰমন কৰিবলৈ যায়।

আগতে কোৱা হৈছে ৰাষ্ট্ৰপতি আহমে
গলফ দেখিবলৈ বৰ ভাল পাইছিল আৰু বি
শ্ৰেষ্ঠতম মালয়চিয়াৰ গলফ খেল পথাৰৰ আক
নেই হয়তো তেওঁৰ কাল হল। তেওঁ মালয়ছিয়
প্ৰধান মন্ত্ৰীৰ সৈতে সোমবাৰৰ দিনা পুৱা গল
খেলিবলৈ যায়। কিছু সময় খেলাৰ পাচত
কাৰোলিয়ে ৰাষ্ট্ৰপতিক অনুৰোধ কৰিলে- যাও
আৰু খেলিব নালাগে। কিন্তু আজন্মা এজন খেল
আহমেদ তেতিয়া খেলাৰ আনন্দত। তেওঁ প্ৰায় দে
ঘণ্টা গলফ খেলিছিল। তাৰপাচত দিনটোৰ সক
কাৰ্য্য সূচীতে তেওঁ যোগ দিছিল।

ইয়াৰ পিছদিনা ৰাষ্ট্ৰপতি আহমেদক খ
ক্লান্ত হোৱা বুলি জনা গল আৰু চিকিৎসক সকল
পৰা মৰ্শমতে তেওঁৰ সকলো ভ্ৰমণ সূচী বাতি
কৰা হয়। তাৰ পিছত বিশ্ৰাম লৈ ভাল হৈ উঠি
দুদিনৰ পিছত তেওঁ বৃহস্পতি বাৰৰ দিনা ন
দিল্লীলৈ উভতি আহিল। পিছ দিনা ৰাতি পু
শুক্ৰবাৰ ফজৰৰ নামাজ যি নামাজ তেওঁৰ দি
দিনীয়া নামাজ, সেই নামাজ মছজিদত কৰা নহ
পুৱা ছয় বজাত তেওঁ বাথৰুমলৈ গল আৰু তা
হৃদ ৰোগত আক্ৰান্ত হৈ ঢলি পৰিল। এই টো



সেই বাথৰুম য'ত ভাৰতৰ তৃতীয় ৰাষ্ট্ৰপতি ডঃ
াকিৰ হুছেইনৰো ঠিক একেদৰেই হৃদৰোগত
াক্ৰান্তহৈ গিছত মৃত্যু হৈছিল, সেই দিনা আছিল
৯৬৯ চনৰ ৩ মে'।

বাথৰুমত ৰাষ্ট্ৰপতি আলি আহমেদ ঢলি প-
ৰ লগে লগে ডাঃ কাৰোলি আহি আলি আহমেদক
ক্সিজেনৰ যোগান দিয়ে। ইতিমধ্যে দিল্লীৰ বিখ্যাত
কিৎসক সকলেও আহি যোগদিয়েহি। কিন্তু
কলো চেষ্টা বিফলে গ'ল। ইমান চেষ্টাৰ সত্বেও
ালি আহমেদক হৃদৰোগৰ আক্ৰমনৰ পৰা উদ্ধাৰ
ৰিব নোৱাৰিলে। হৃদৰোগৰ আক্ৰমনত ১৯৭৭
ৰ ফেব্ৰুৱাৰী মাহৰ ১১ তাৰিখ শুক্ৰবাৰ দিনা
ৱা ৮-৫২ মিনিটত ৭২ বছৰ বয়সত আলি আহ-
দ ইহ সংসাৰ ত্যাগ কৰে।

ৰাষ্ট্ৰপতি আলি আহমদৰ মৃত্যুত অকল
ৰতবৰ্ষৰ বাবেই নহয়, গোটেই পৃথিবীৰ বাবে
টো আছিল বিস্ময়ৰ বাতৰি। আলি আহমেদৰ মৃত্যু হৈছে এনে এটা ৰাজনৈতিক সন্ধিক্ষণত যাৰ এটা বিবাট কৌতুহলি প্ৰশ্নৰ উত্তৰৰ অপেক্ষা কৰি আছিল। জৰুৰী কালীণৰ পিছৰছোৱা ১৯৭৭ চনৰ লোক সভাৰ নিৰ্ব্বাচন। যিটো নিৰ্ব্বাচনত ভাৰতীয় ইতিহাসিক জীৱনৰ এক আমূল পৰিবৰ্ত্তন আনিলে, কংগ্ৰেছৰ ৩০ বছৰীয়া শাসনৰ অৱসান। য'ত কংগ্ৰেছ পতন জনতাৰ উত্থাপন। আকৌ কংগ্ৰেছ (ই)ৰ উত্থাপন। চমুকৈ কবলৈ গলে কংগ্ৰেছৰ অন্যতম বিশিষ্ট নেতা আলি আহমেদৰ মৃত্যুৰ লগে লগে কংগ্ৰেছৰ মৃত্যু প্ৰায় অনিবাৰ্য দেখা দিলে।

এই কথা কলে বহলাই কোৱা নহব যে ৰাষ্ট্ৰপতি হিচাবে ফকৰুদ্দিন আলি আহমদৰ মৃত্যুত অসমীয়া জাতীয় জীৱনৰ অভাবনীয় ক্ষতি হৈছে, সেই ক্ষতি ঠাই অসমে ভৱিষ্যতলৈ পূৰণ কৰিব নোৱাৰে।

০ ০

# কবিতা

## ঃপ্ৰতি গীতঃ

আব্দুল বাৰেক আহমেদ
প্ৰাক্ বিশ্ব বিদ্যালয় শ্ৰেণী
প্ৰথম বছৰ ( ক'লা )


লুইতঁৰ সোঁত থমকি নৰয়
আৰু থমকি নৰয় দুৰন্ত সময়।
বননিৰ ফুল ফুলি জহি যায়
যৌৱনৰ লাহ আহি গুছি যায়
ঢৌৰ মাজতে এটি ঢৌ হৈ
সকলোটি পায় লয়।
দুৰন্ত সময় নৰয়, নৰয়, নৰয়॥
প্ৰতিপলে— অনুপলে
জীৱন জগাই তোলে
"গতি"য়েই জীৱনৰ পৰিচয়
আন বোৰ মাথোঁন সাধুকথা হয়।
দুৰন্ত সময় থমকি নৰয়॥

## —সমদল—

মোঃ ছায়েদুৰ ৰ
বি, এ, প্ৰথম বা

সমদল আহিছে, আহি আছে ........
আহি থাকিবই—।
পাহাৰ-পৰ্বত, হাবি-বননি
জান-জুৰি, খাল-বিল অতিক্ৰমি
সমদল আহিছে, আহি আছে।
শোষিত প্ৰীড়িত লুণ্ঠিত জনৰ মুক্তিৰ গান
প্ৰতিবাদৰ ধ্বনিলৈ
প্ৰতিৰোধৰ কণ্ঠই কণ্ঠই
বিপ্লবৰ ধ্বনি লৈ
শোষিত, অত্যাচাৰিত, নিৰ্য্যাতিত জনৰ ব
একজাক বিজুলি ধুমুহা হৈ
সূৰ্য্যমুখী ৰক্তপতাকা লৈ
সমদল আহিছে, আহি আছে।
হালুৱা হজুৱা শ্ৰমিক কৃষকৰ বা
এক নতুন পোহৰ, এক নতুন দেশৰ ঠিক
দপ্ দপ্ কৈ জ্বলি থকা একুৰা জুই হৈ
সমদল আহিছে, আহি আছে.
মিচিলে মিচিলে গানৰ সুৰে সু
দেশে দেশে, আকাশে বতাহে
সমদল আহিছে, হাবি বননি
জান-জুৰি খাল-বিলত
সূৰ্য্যমুখী ৰক্তপতাকা লৈ সমদল
আহি আ






Lal Mamud Khan
Editor & Best Literaryman



Nural Hoque Ahmed
Best Singer



Shuquer Ali Ahmed
Best Actor



Newajul Hoque
Best Directer



Nural Hoque Ahmed
Best Singer



Newajul Hoque
Best Director

# সম্পাদকীয়

আজিৰ দিনত প্ৰতিটো উন্নতিকামী শিক্ষানুষ্ঠানৰেই একোখন মুখপত্ৰ বা আলোচনী থকা বাঞ্চনীয়। কিয়নো, এনে ধৰণৰ আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত যথেষ্ট সহায় কৰাৰ উপৰিও ভৱিষ্যৎ জীৱনৰ গতিয়ো নিয়ন্ত্ৰণ কৰিব পাৰে। আজিৰ কঠোৰ জীৱন-সংগ্ৰামত জয়যুক্ত হবলৈ হলে প্ৰতিজন শিক্ষাৰ্থীয়ে পাঠ্যপুথিৰ উপৰিও বাহিৰা জ্ঞান আয়ত্ব কৰিব লাগিব। আমি লক্ষ্য কৰি আহিছো যে; যি সকল লিখকে কবিতা কাননত আৰু সাহিত্য জগতত সুখ্যাতি লাভ কৰিছে; তেখেত সকলৰ প্ৰাৰম্ভিক সাহিত্য আৰু কবিতা কাননৰ প্ৰথম পদক্ষেপ হ'ল আলোচনী বা কাকতৰ জৰিয়তে। এই ক্ষেত্ৰত আলোচনাৰ ভূমিকা সৰ্চাঁকয়ে ব্যাপক আৰু গুৰুত্বপূৰ্ণ। আলোচনী হ'ল ছাত্ৰ-ছাত্ৰী সকলৰ অন্তৰত থকা সুপ্ত মানৱাত্মাক জাগ্ৰত কৰাৰ বাহন। ই হ'ল ছাত্ৰ-ছাত্ৰীৰ জ্ঞান চৰ্চাৰ এটি আহিলা। ইয়াৰ পৰাই আমি সাহিত্য ৰচনাৰ ক্ষেত্ৰত প্ৰথম পদক্ষেপ পেলাব পাৰো। ইয়াৰ সহায়ত ছাত্ৰ ছাত্ৰীয়ে নিজ নিজ প্ৰতিভা বিকাশত সুযোগ পায়। ছাত্ৰ-ছাত্ৰীৰ মুখ পত্ৰ স্বৰূপে আলোচনীয়ে ছাত্ৰ ছাত্ৰীৰ সাংগঠনিক মনোভাৱ আৰু আত্মবিশ্বাস বঢ়াই তোলে, প্ৰেৰণা দিয়ে নতুন নতুন সাহিত্য ৰচনাৰ; ৰবঙণি যোগায় নতুন সাহিত্যিক সৃষ্টিত।

আলেচনী কেৱল সাহিত্য চৰ্চ্চাৰ বাহনেই নহয়, ই একোখন শিক্ষানুষ্ঠানৰ বুৰঞ্জীৰ একো একোটা অধ্যায় উন্নতি অবনতি, অগ্ৰগতি, অধোগতিৰ মাপ কাঠি। তাৰোপৰি আলোচনীৰ পাততেই শিক্ষানুষ্ঠানৰ এখন সামগ্ৰিক নহলেও আংশিক চিত্ৰৰ আভাস পোৱা যায়। ইয়াৰ পৰা দেখা যায় আলোচনী হ'ল প্ৰত্যেক শিক্ষানুষ্ঠানৰ এটা অপৰিহাৰ্য্য অঙ্গ। ন লিখনি প্ৰকাশৰ বাবে মহাবিদ্যালয় বিলাকত আলোচনী সাহিত্যই এক মাত্ৰ বাহন। ছাত্ৰৰ চিন্তা শক্তিৰ কলেবৰ বৃদ্ধি কৰিবলৈ আলোচনী সাহিত্য প্ৰকাশ কৰা অতি আৱশ্যক। আজিৰ ছাত্ৰৰ পৰাই নতুন লিখকৰ জন্ম হব।

## নিৰাশাৰ মাজত আশাৰ আলো ঃ

যি ঠাই খণ্ডত আমাৰ এই নৱজ্যোতি মহাবিদ্যালয় খন জ্যোতিৰ্ময়ী হৈ জিলিকি আছে, সেই ঠাই খণ্ড হল কলগাছিয়া। যি ঠাইত অজ্ঞান অন্ধ

# সম্পাদকীয়

আজিৰ দিনত প্ৰতিটো উন্নতিকামী শিক্ষানুষ্ঠানৰেই একোখন মুখপত্ৰ বা আলোচনী থকা বাঞ্চনীয়। কিয়নো, এনে ধৰণৰ আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত যথেষ্ট সহায় কৰাৰ উপৰিও ভৱিষ্যৎ জীৱনৰ গতিয়ো নিয়ন্ত্ৰণ কৰিব পাৰে। আজিৰ কঠোৰ জীৱন-সংগ্ৰামত জয়যুক্ত হবলৈ হলে প্ৰতিজন শিক্ষাৰ্থীয়ে পাঠ্যপুথিৰ উপৰিও বাহিৰা জ্ঞান আয়ত্ব কৰিব লাগিব। আমি লক্ষ্য কৰি আহিছো যে; যি সকল লিখকে কবিতা কাননত আৰু সাহিত্য জগতত সুখ্যাতি লাভ কৰিছে; তেখেত সকলৰ প্ৰাৰম্ভিক সাহিত্য আৰু কবিতা কাননৰ প্ৰথম পদক্ষেপ হ'ল আলোচনী বা কাকতৰ জৰিয়তে। এই ক্ষেত্ৰত আলোচনাৰ ভূমিকা সচাঁকয়ে ব্যাপক আৰু গুৰুত্বপূৰ্ণ। আলোচনী হ'ল ছাত্ৰ-ছাত্ৰী সকলৰ অন্তৰত থকা সুপ্ত মানৱাত্মাক জাগ্ৰত কৰাৰ বাহন। ই হ'ল ছাত্ৰ-ছাত্ৰীৰ জ্ঞান চৰ্চ্চাৰ এটি আহিলা। ইয়াৰ পৰাই আমি সাহিত্য ৰচনাৰ ক্ষেত্ৰত প্ৰথম পদক্ষেপ পেলাব পাৰো। ইয়াৰ সহায়ত ছাত্ৰ ছাত্ৰীয়ে নিজ নিজ প্ৰতিভা বিকাশত সুযোগ পায়। ছাত্ৰ-ছাত্ৰীৰ মুখ পত্ৰ স্বৰূপে আলোচনীয়ে ছাত্ৰ ছাত্ৰীৰ সাংগঠনিক মনোভাৱ আৰু আত্মবিশ্বাস বঢ়াই তোলে, প্ৰেৰণা দিয়ে নতুন নতুন সাহিত্য ৰচনাৰ; ৰৰঙণি যোগায় নতুন সাহিত্যিক সৃষ্টিত।

আলেচনী কেৱল সাহিত্য চৰ্চ্চাৰ বাহনেই নহয়, ই একোখন শিক্ষানুষ্ঠানৰ বুৰঞ্জীৰ একো একোটা অধ্যায় উন্নতি অবনতি, অগ্ৰগতি, অধোগতিৰ মাপ কাঠি। তাৰোপৰি আলোচনীৰ পাততেই শিক্ষানুষ্ঠানৰ এখন সামগ্ৰিক নহলেও আংশিক চিত্ৰৰ আভাস পোৱা যায়। ইয়াৰ পৰা দেখা যায় আলোচনী হ'ল প্ৰত্যেক শিক্ষানুষ্ঠানৰ এটা অপৰিহাৰ্য্য অঙ্গ। ন লিখনি প্ৰকাশৰ বাবে মহাবিদ্যালয় বিলাকত আলোচনী সাহিত্যই এক মাত্ৰ বাহন। ছাত্ৰৰ চিন্তা শক্তিৰ কলেবৰ বৃদ্ধি কৰিবলৈ আলোচনী সাহিত্য প্ৰকাশ কৰা অতি আৱশ্যক। আজিৰ ছাত্ৰৰ পৰাই নতুন লিখকৰ জন্ম হব।

## নিৰাশাৰ মাজত আশাৰ আলো ঃ

যি ঠাই খণ্ডত আমাৰ এই নৱজ্যোতি মহাবিদ্যালয় খন জ্যোতিৰ্ময়ী হৈ জিলিকি আছে, সেই ঠাই খণ্ড হল কলগাছিয়া। যি ঠাইত অজ্ঞান অন্ধ

কাৰৱ কলা ডাৱৰে তাহানি কালৰে পৰা ঢাকি ৰাখিছিল, য'ত পোহৰৰ কোনো লেশমাত্ৰা নাছিল, যাৰ ফলত ইয়াৰ মানুহে অ'ত দিন ধৰি বহিঃ জগতৰ লগত নিজক ফেৰ মাৰিবলৈ বিমুখ হৈ নিৰাশাৰ মাজত নিজক হেয় বুলি ভাবিছিল। ব্যক্তিৰ ব্যক্তিত্ব পৰিস্ফুট কৰিবৰ কাৰণে, সমাজৰ কল্যাণৰ কাৰণে, দেশৰ উন্নতিৰ বাবে আৰু মানৱ কল্যাণৰ বাবে শিক্ষা অপৰিহাৰ্য্য। এইবোৰ উপলব্ধি কৰি এই অঞ্চলৰ মানুহে দিঠকত নিৰাশাৰ মাজতো আলোৰ জিলিকনি দেখি, কেইজন মান সমাজসেৱী শিক্ষানুৰাগী সকলৰ আপ্ৰান চেষ্টা, উৎসাহ, উদ্দীপনাৰ ফলত কলা ডাৱৰে ঢাক খাই থকা ঠাইত ১৯৭১ চনত আমাৰ এই নৱ-জ্যোতি দীপ্তিমান হৈ উঠে। এনেকুৱা এটা পিছপৰা অঞ্চলত জিলিকি উঠা,

নৱ-জ্যোতিৰ নূৰে
অন্ধকাৰ গ'ল দূৰে।

নৱ-জ্যোতিৰ নূৰে এই অঞ্চলৰ অজ্ঞান, অন্ধকাৰ আঁতৰি গৈ জ্ঞান চকুৰ মুকলি হ'ল। এতিয়া ইয়াৰ মানুহে পোহৰলৈ ধাবিত হৈছে।ইয়াৰ মানুহে এতিয়া নিজক মানুহ বুলি পৰিচয় দিবলৈ সক্ষম হৈছে। এই অঞ্চলৰ মানুহে এতিয়া বহিঃ জগতৰ লগত ফেৰ মাৰিবলৈ সাজি কাছি ওলাইছে।

এই অঞ্চলখন হৈছে শিক্ষাক্ষেত্ৰত পিছ পৰা আৰু আৰ্থিক অৱস্থাত অতি দুৰ্ব্বল। সৰ্ব্বসাধাৰণৰ আৰ্থিক অৱস্থা অতি শোচনীয়। তথাপিও মহাবিদ্যালয়খন গঢ়ি উঠাত এই অঞ্চলৰ লোকৰ দান বৰঙণি অপৰিসীম। 'ৰাইজে নখ জোকৰিলে নৈ বয়' ইয়াকে সৰোগত কৰি অনুষ্ঠানখন দিনক দিনে পোহৰৰ পিনে আগবাঢ়ি গৈ আছে।

এই পিছ পৰা অনুন্নত ঠাইত জনসা[ধা]ৰই। ক্লান্তিহীন চেষ্টাত গঢ়ি উঠা অনুষ্ঠানটো বাবে ইয়াৰ ৰাইজৰ পৰা জাতিবৰ্ণ নিৰ্ব্বিশেষ সহযোগ তথা আৰ্থিক সাহায্য পাই আহিছে বৰ্ত্তমানেও পাই আছে আৰু আগলৈ পাই থা ৰাইজৰ সহযোগ আৰু স্নেহাশীষ পালে এই অনুষ্ঠানটিয়ে যে প্ৰকৃত প্ৰগতিৰ পথত আগবা তাত সন্দেহ নাই।

ব্যক্তিগত,

নৱ-জ্যোতি মহাবিদ্যালয় জ্ঞান চৰ অন্যতম উৎস, ন-লিখনি প্ৰকাশৰ বাহন বিদ্যালয়ৰ আলোচনীখনৰ সম্পাদনাৰ অৰ্পণ কৰি সাহিত্য সেৱাৰ সুবিধাকণ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃত নিবেদিছো। নানা অসুবিধাৰ সন্মুখী আলোচনীখন যথা সময়ত ছাত্ৰ-ছাত্ৰীৰ তুলি দিব নোৱাৰাত মই ব্যক্তিগত ভাবে প্ৰাৰ্থী।

এখন উচ্চমান বিশিষ্ট আলোচনী কৰিবলৈ প্ৰকৃতাৰ্থত বহুতো সা-সুবিধাৰ প্ৰয়ো পানীত হাহ নচৰা অঞ্চলৰ অনুষ্ঠানে আলো খনৰ বাবে যিমান সা সুবিধাৰ দৰ্কাৰ সিমান দিব নোৱাৰে। ইয়াৰ উপৰি ছাত্ৰ ছাত্ৰীৰ আশানুৰূপে সহাৰি নাই। ছাত্ৰ ছাত্ৰী সক বহুতো গল্প, প্ৰৱন্ধ, কবিতা আদি দিছিল সেই সকলোবোৰ উপযুক্ত নোহোৱা আলোচনীত দিব পৰা নগল। তাৰ বাবে দুঃখিত। তথাপি মোৰ সীমিত জ্ঞান আৰু জ্ঞতাৰে আলোচনীখনক ন-ৰূপেৰে ন-সা সজাবলৈ কোনো ফালৰ পৰাই চেষ্টাৰ ত্ৰুটি

মই কিমানখিনি আগবাঢ়িব পাৰিছো ইটো আপোনালোকৰ বিচাৰ্য্য।

আলোচনীখন প্ৰকাশত যাবতীয় দিহা ৰামৰ্শৰে সহায় কৰা বাবে শ্ৰদ্ধাভাজন অধ্যক্ষ ঃ ছাত্তাৰ আহমেদ, উপাধ্যক্ষ মোজাম্মেল চেইন, অধ্যাপক লম্বিত কোৱৰ, অধ্যাপক ন্দকাৰ গফুৰ, অধ্যাপক সেখ ওমৰ আলী ধ্যাপিকা মেহেৰণ নেছা আৰু তত্বাৱধায়ক অধ্যাক শ্ৰীযুত ভগীৰথ নাথ প্ৰমুখ্যে নৱ-জ্যোতি মহাদ্যালয়ৰ সকলো শিক্ষাগুৰুলৈ মোৰ আন্তৰিক ৱা আৰু কৃতজ্ঞতা নিবেদিলো। ছাত্ৰ একতা ভাৰ বিভিন্ন বিভাগৰ সম্পাদক আৰু সম্পাদিকা সকলৰ ওপৰিও বন্ধুবৰ নূৰুল ইছলাম, দানেচ গোলাম মোস্তাফা, আয়নাল হক, আজিজ কাদেৰ হাকিমুদ্দিন, আলী মুনছুৰ, ৰমেশ, আবুবক্কাৰ ছিদ্দিক, বুজৰত বান্ধবী ৰৌশনাৰা, হাফিজা, ৰমেলা, ৰেজিয়া, হাজেৰা আৰু বহুতকে মোৰ আন্তৰিক হিয়াভৰা মৰম জনাইছো।

পৰিশেষত অজানিত ভূল ত্ৰুটিৰ বাবে মই নৱ-জ্যোতি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী লগতে অধ্যাপক অধ্যাপিকাৰ ওচৰত মই নতঃশিৰে ক্ষমা বিচাৰিছো। নৱ-জ্যোতি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ নিৰস প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু নৱ-জ্যোতি মহাবিদ্যালয়।

মোঃ লাল মামুদ খাঁন
সম্পাদক, ১৯৮১-৮২ ইং
নৱ-জ্যোতি মহাবিদ্যালয়।

# সাধাৰন সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

১৯৮২ ইং

নৱ-জ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**শুভেচ্ছা জ্ঞাপন**— জয় জয়তে মই নৱজ্যোতি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী বন্ধু বান্ধৱীলৈ অভিনন্দন আগবঢ়ালোঁ। সাহিত্য সংস্কৃতি প্ৰাণ কেন্দ্ৰ স্বৰূপ অসমৰ অতিপিছ পৰা অঞ্চলৰ ভিতৰত লেখত লবলগীয়া এই মহান অনুষ্ঠানটিৰ নেতৃত্ব লবলৈ যি সকল জ্ঞানবান ব্যক্তিয়ে মোক উৎসাহ উদ্দীপনা আৰু উপদেশ আগবঢ়ালে সেই সকল মহান ব্যক্তিলৈ মোৰ বৈ যোৱা ত্ৰুটিৰ ক্ষমা ভিক্ষাৰ লগতে আন্তৰিক শ্ৰদ্ধাঞ্জলি আগবঢ়ালোঁ।

**কাৰ্য্যকাল**— মোৰ কাৰ্য্যকাল ১৯৮১-৮২ চন। মই যোৱা বছৰৰ ১৩।৯।৮১ ইং তাৰিখত আমাৰ ছাত্ৰ একতা সভা খন গঠন কৰো। প্ৰতিবেদনৰ আৰম্ভনীতে আপোনালোকৰ আগত এষাৰ কথা কবলৈ বাধ্য হৈছো যে কোনো নতুনত্ব নোহোৱাকৈ গতানুগতিক ভাৱে মই মোৰ কাৰ্য্য ভাৰ চলাই গলোঁ। এই গুৰু দায়িত্ব ভাৰ লোৱাৰ পিছত যি খিনি কাম কৰিবলৈ সক্ষম হৈছিলোঁ তাৰ থুল-মূল আলোচনা আপোনালোকৰ আগত দাঙি ধৰিলোঁ।

**মোৰ কাৰ্য্যৰ শুভ আৰম্ভন**—নতুন ছাত্ৰ একতা সভা খন গঠন হোৱাৰ লগে লগে বিগত দহ [১০] বছৰ পাৰ হোৱাৰ পিছত এই বেলিকা আমি 'আন্ত কলেজ ফুটবল টুৰ্নামেন্টত যোগদান কৰো'। 'আন্তকলেজ ফুটবল টুৰ্নামেন্ট'ত যোগদান কৰাৰ এইয়ে প্ৰথম পদক্ষেপ।

মোৰ কাৰ্য্যকালৰ দ্বিতীয় লানি কাল হ'ল পবিত্ৰ 'মহৰম পৰ্ব' উদ্‌যাপন। যোৱা ৮।১১।৮১ ইং তাৰিখত এদিনীয়া কাৰ্য্য ক্ৰমনিকাৰে আমাৰ মহাবিদ্যালয় প্ৰাঙ্গনত 'মিলাদে মেহ্‌ফিল' অনুষ্ঠিত কৰা হয়।

**একাদশ বাৰ্ষিক কলেজ সপ্তাহ উদ্‌যাপন**—মোৰ কাৰ্য্য কালৰ তৃতীয় লানি কাম হ'ল 'একাদশ বাৰ্ষিক কলেজ সপ্তাহ' উদ্‌যাপন। ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী বৈঠকৰ জৰিয়তে এখন বছৰেকীয়া বাজেট মিটিং কৰা হয় আৰু কলেজ সপ্তাহ উদ্‌যাপন উপলক্ষে বিভিন্ন বিভাগৰ সম্পাদক মণ্ডলীক নিজ নিজ বিভাগীয় কাৰ্য্যৰ দায়িত্ব দিয়া হয়। যোৱা ১০।১২।৮১ ইং তাৰিখৰ পৰা ১৩।১২।৮১ ইং তাৰিখলৈকে বিভিন্ন কাৰ্য্য সূচীৰে আমাৰ কলেজ সপ্তাহ অনুষ্ঠিত হয়। কলেজ সপ্তাহৰ শেষ দিনা মুকলি সভা



আৰু বঁটা বিতৰনী অনুষ্ঠান অনুষ্ঠিত হয়, কিন্তু এই খিনিতে দুখেৰে এটা কথা কবলৈ বাধ্য হৈছো যে বি.শষ অসুবিধা হেতুকে আমি সেই দিনাখন বঁটা বিতৰণ কৰিব নোৱাৰিলো। কলেজ সপ্তাহত বিভিন্ন খেল ধেমালীত বিজয়ী হোৱা ছাত্ৰ বন্ধু সকলক কেৱল কলেজীয়া প্ৰমান পত্ৰ (চাৰ্টিফিকেট) দিয়া হয়।

**গণতন্ত্ৰ দিবস উদ্‌যাপন**— ১৯৫০ চনৰ পৰা ২৬ জানুৱাৰী তাৰিখটো ভাৰতবৰ্ষত গণতন্ত্ৰ দিবস হিচাপে পালন কৰা হয় আৰু সিদিনা ভাৰতৰ ত্ৰিৰঙ্গ পতাকাখন উত্তোলন কৰি সন্মান প্ৰদৰ্শন কৰা হয়। তদুপলক্ষে পূৰ্ণ স্বাধীনতাৰ পৱিত্ৰ সৌৰৱনিত আমাৰ মহাবিদ্যালয়ৰ চৌহদত মাননীয় অধ্যক্ষ আঃ ছাত্তাৰ আহমেদৰ সভাপতিত্বত জাতীয় পতাকা খন উত্তোলন কৰা হয় আৰু আমি ছাত্ৰ–ছাত্ৰীয়ে এপাহি ফুল আগ বঢ়াও।

গণতন্ত্ৰ দিবসৰ পিছতেই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ বিভিন্ন অভাৱ অভিযোগ লৈ ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী বৈঠকৰ জৰিয়তে সোতৰ [ ১৭ ] দফীয়া দাবীৰ স্মাৰক পত্ৰ এখন কলেজ কতৃপক্ষৰ ওচৰত প্ৰেৰন কৰো। কতৃপক্ষই কলেজ গৱনিং বডিৰ সৈতে আলোচনা কৰি আমাৰ অভাৱ অভিযোগ সমূহ পাৰ্য্যমানে পূৰণ কৰিব বুলি আশ্বাস দিয়ে।

আমাৰ দাবী সমূহ আপোনালোকৰ আগত দাঙি ধৰিলোঁ।

[১] ইংৰাজী, ৰাজনীতি আৰু অৰ্থনৈতিক বিভাগত অনতি পলমে অধ্যাপক অধ্যাপিকাৰ নিযুক্তি দিব লাগে।

[২] দূৰবৰ্তী ছাত্ৰ ছাত্ৰী সকলৰ থকামেলাৰ সুবিধাৰ্থে ছাত্ৰবাসৰ ব্যৱস্থা কৰিব লাগে।

[৩] অতি শীঘ্ৰেই আমাৰ মহাবিদ্যালয়ত এখন সংবিধান প্ৰস্তুত কৰিব লাগে।

[৪] বুক বেংকৰ জৰিয়তে ছাত্ৰ ছাত্ৰী সকলক পৰ্য্যাপ্ত পৰিমানৰ কিতাপৰ যোগান ধৰিব লাগে।

[৫] ছাত্ৰ ছাত্ৰী সকলৰ কাৰণে অধ্যায়ন কোঠাৰ ব্যৱস্থা কৰিব লাগে।

[৬] আমাৰ মহাবিদ্যালয় খেল পথাৰৰ ব্যৱস্থা কৰিব লাগে।

[৭] ছাইকেল ৰখাৰ বাবে ছাইকেল ছেডৰ ব্যৱস্থা কৰিব লাগে।

[৮] স্থায়ী কেন্টিনৰ ব্যৱস্থা কৰিব লাগে।

[৯] কলেজৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে উন্নত ধৰনৰ কলেজীয়া প্ৰমান পত্ৰ (Identy card)ৰ যোগান ধৰিব লাগে

[১০] ছাত্ৰ একতা সভাৰ স্থায়ী কাৰ্য্যালয়ৰ ব্যৱস্থা কৰিব লাগে।

[১১] নিয়মিত ভাৱে দৈনিক অসম, আসাম ট্ৰিবুন, সপ্তাহিক নীলাচল, সপ্তাহিক ৰেডিয়ান্স আদি বাতৰি কাকতৰ যোগান ধৰিব লাগে।

(১২) কলেজৰ চিঠিৰ বাকচ তৈয়াৰ কৰিব লাগে আৰু নিয়মিত ভাৱে ইয়াৰ সুবিতৰনৰ ব্যৱস্থা কৰিব লাগে

(১৩) অধ্যাপক, অধ্যাপিকা সকল নিয়মিত ভাৱে শ্ৰেণীত উপস্থিত থাকি পাঠদান কৰিব লাগে।

(১৪) স্থায়ী লেট্ৰিনৰ ব্যৱস্থা কৰিব লাগে।

(১৫) ছোৱালী জিৰণী কোঠা, ল'ৰা জিৰণী কোঠা আৰু অধ্যাপক অধ্যাপিকাৰ জিৰণী কোঠাৰ আগত এখন কৈ নোটিছ বোৰ্ডৰ ব্যৱস্থা কৰি দিব লাগে।

(১৬) ল'বাৰ জিৰণী কোঠাৰ আগত এখন পানীৰ কলৰ ব্যৱস্থা কৰিব লাগে।

(১৭) ছাত্ৰ একতা সভাৰ বিভিন্ন আচবাব পত্ৰৰ যোগান ধৰিব লাগে।

এইখিনিতে গৌৰবেৰে উল্লেখ কৰিছো যে আমাৰ কলেজ কতৃপক্ষই ইতিমধ্যে তলত উল্লেখ কৰা নম্বৰৰ দাবী সমূহ পুৰন কৰিছে।

৪, ৫, ৭, ৮, ৯, ১১, ১২, ১৩, ১৪, ১৫, ১৬, আৰু ১৭ নং দাবী পুৰন কৰিছে।

**অভাৱ অভিযোগ—** পণ্ডিত নীটছে কৈছে; 'নিজৰ কবলগীয়া থকা সত্বেও যিজনে নকয় তেওঁৰ সমান ভণ্ড আৰু মূৰ্খ এই পৃথিবীত নাই। গতিকে নিজৰ কবলগীয়া কথা নোকোৱাকৈ থাকি ভণ্ড আৰু মূৰ্খ হোৱাত কৈ কোৱাই ভাল।

প্ৰথমতে, আমাৰ মহাবিদ্যালয়ত শ্ৰেণী কোঠাৰ অভাৱ। পুৱাই আহি হাইস্কুলৰ দৰে গোটেই দিনটো একেটা কোঠালীতে আৱদ্ধহৈ থাকিব লাগে। বেঞ্চ, ডেস্ক আছে যদিও পৰ্য্যাপ্ত পৰিমাণৰ নহয়।

দ্বিতীয়তে, আমাৰ মহাবিদ্যালয়ত ছাত্ৰ একতা সভা এখন আছে যদিও ইয়াৰ স্থায়ী কাৰ্য্যালয় নাই। যাৰ ফলত সভা সমিতি আদি কৰোতে বহুতো ক্লাচ ক্ষতি কৰিব লগীয়া হয়।

তৃতীয়তে, ল'ৰাৰ জিৰণী কোঠাটো তেনেই উদং। আজিলৈকে স্থায়ী জিৰণী কোঠা এটি দিব পৰা নাই। যি এখন আছে তাতেও বিজুলী পঙ্খা, বিজুলী বাতি আনকি খেলৰ কোনো সামগ্ৰীও নাই।

চতুৰ্থতে, ছোৱালী সকলৰ কাৰণে স্থায়ী জিৰণী কোঠা এখন নাই। যি এখন আছে তাতেও খেলৰ কোনো সামগ্ৰী নাই। যাৰ কাৰণে ছোৱালী সকলে কলেজ সপ্তাহ আনকি উৎসৱ আদিত যোগ দান কৰিবলৈ অক্ষম।

পঞ্চমতে, আমাৰ মহাবিদ্যালয়ৰ দূৰবৰ্তী ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে ছাত্ৰাবাস এখনৰ নিতান্ত প্ৰয়োজন। কিন্তু এই বিষয়ত আমাৰ কলেজ কতৃপক্ষক বাৰে বাৰে কোৱা স্বত্বেও তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰিলো।

ষষ্ঠমত, আমাৰ মহাবিদ্যালয়খন স্থাপিত হবৰ প্ৰায় এঘাৰ (১১) বছৰ হ'ল। কিন্তু আজি পৰ্য্যন্ত স্থায়ী খেল পথাৰৰ কোনো ব্যৱস্থা হোৱা নাই। হব যে তাৰো কোনো আলোচনা শুনা নাযায়।

এনেকুৱা ধৰণৰ অভাৱ-অভিযোগ আমাৰ মহাবিদ্যালয়ত আৰু বহুতো আছে। এই অভাৱ অভিযোগবোৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ কতৃপক্ষক টানি অনুৰোধ জনোৱা হৈছে। লগতে আশা ৰাখিছো আমাৰ অধ্যক্ষ মহোদয়ে এই অভাৱ সমূহ অনতি পলমে পুৰণ কৰিব।

**কবলগীয়া দু-আষাৰ ঃ—** প্ৰতিবেদনৰ আৰম্ভনীতেই মই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক মৰম নিবেদিছোঁ। এই প্ৰসংগতে মই ছাত্ৰ-ছাত্ৰী সকলক এষাৰ কথা জনাই থব বিচাৰিছোঁ যে বৰ্তমান ছাত্ৰ সমাজৰ মাজত কোনো কোনো ন্যস্ত স্বাৰ্থ জড়িত ৰাজনৈতিক দল সোমাই পৰা দেখা যায়। ইয়াৰ ফলত সহজ, সৰল, নিৰীহ ছাত্ৰ-ছাত্ৰী সকল বিপথে পৰিচালিত হয়। এই কাৰণেই ছাত্ৰ-ছাত্ৰীৰ মাজত একতাৰ নামত বিৰোধ ভাৱহে পৰিলক্ষিত হয়। মই আশা ৰাখিছোঁ এনেকুৱা ন্যস্ত স্বাৰ্থত জড়িত নহৈ সমূহ ছাত্ৰ-ছাত্ৰীয়ে মহৎ উদ্দেশ্য আগত ৰাখি দেশ তথা জাতিৰ মঙ্গল সাধনত ব্ৰতী হওঁক।



**অশ্ৰু অঞ্জলি আৰু শোক সভা ঃ** আমাৰ কাৰ্য্য-কালত অসমৰ প্ৰাক্তন অসামৰিক আৰু যোগান বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া আৰু কলগাছিয়াৰ স্থানীয় মুৰব্বী মোঃ চিৰাজ উদ্দিন আহমেদৰ আকস্মিক পৰলোক প্ৰাপ্তি হয়। তেখেত সকলৰ মৃত্যুত শোক সভা অনুষ্ঠিত হয় আৰু তেওঁলোকৰ আত্মাৰ সদগতি কামনা কৰি শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্য্য-কালত বিভিন্ন উৎসৱ, পৰ্ব আদি সাফল্য-মণ্ডিত কৰি তোলাত অকনো অৱহেলা নকৰি শ্ৰমদান কৰা ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিশেষকৈ নবিবৰ ৰহমান, ইয়াছিন আলী, হাছান আলী, লাল মামুদ খান, আঃ গফুৰ, নবিবৰ ৰহমান, আবুবক্কাৰ ছিদ্দিক, হাফিজ ইদ্ৰিছ আলী, ৰস্তম আলী, সাহাব উদ্দিন, শামচুল হক, নুৰুল হক, মোকাজ্জেল খান, আবুবক্কাৰ ছিদ্দিক, আঃ কাদেৰ, আঃ আজিজ; আঃ হাকিম, মোয়াজ্জেম হুছাইন খান নজমল হক খান, জামাল উদ্দিন; দানেশ আলী— সুলতা ৰাণী কৰ্মকাৰ, সুফিয়া, ৰমেলা, হাফিজা, ছাহেৰা, টগৰ, মিনতী আৰু ৰৌসনাৰা আক্তাৰ লৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ বিভিন্ন কাৰ্য্যাৱলীৰ বুদ্ধি-পৰামৰ্শ আৰু সহায় সহযোগ কৰা সন্মানিত অধ্যাপক অধ্যাপিকা সকললৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

মোৰ কাৰ্য্যাৱলীৰ জটিলতম অৱস্থাতে পলমাত্ৰ কৃপনতা নকৰি দক্ষতাৰে কাৰ্য্য পৰিচালনা কৰিবলৈ বিভিন্ন দিশত বুদ্ধি পৰামৰ্শ সহায় দান কৰা মাননীয় অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ দেৱলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

আলোচনী সম্পাদক লাল মামুদ খানৰ অদুৰ প্ৰচেষ্টাত আমাৰ কলেজৰ আলোচনী খন প্ৰকাশ পোৱাত আমি সঁচাকৈয়ে আনন্দিত হৈছো আৰু তেওঁৰ শলাগ লৈছোঁ।

মোৰ বিভিন্ন কাৰ্য্যাৱলীত মহাবিদ্যালয়ৰ অফিচ ষ্টাফে সহায় আগবঢ়োৱাৰ বাবে তেওঁলোকলৈ কৃতজ্ঞতা আগবঢ়'লো।

মোৰ এই কাৰ্য্যকালৰ ভিতৰতে অজানিত আৰু অবাঞ্চিত ভাবে কৰা ভুল ত্ৰুটিৰ বাবে মই নতঃশিৰে ক্ষমা বিচাৰিছো।

সদৌশেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰে ভৱিষ্যৎ উজ্বল কামনাৰে,—

নৱ-জ্যোতি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত যি সকল ৰাইজে মুক্ত হস্তে দান বৰঙণি আগবঢ়াইছিল, তেওঁলোকক কৃতজ্ঞতা ৰসুৱৰণিৰে—

সন্মানিত অধ্যক্ষ, অধ্যাপক আৰু অধ্যাপিকা সকলৰ সুশিক্ষা দানৰ সুফল পোৱাৰ কামনাৰেমহান সৃষ্টি কৰ্ত্তা আল্লাহৰ ওচৰত প্ৰাৰ্থনা নিবেদি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীক আকৌ ধন্যবাদ জনাই শলাগৰ শৰাই আগবঢ়াইছোঁ। (নৱ-জ্যোতি মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতি কামনা কৰাৰ লগতে নৱ-জ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ৰঙীন ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। ইতি— "জয় হিন্দ" ?)

**এম. আব্দুল হক**
সাধাৰণ সম্পাদক, নৱ-জ্যোতি কলেজ
ছাত্ৰ একতা সভা, ১৯৮১-৮২ ইংৰাজী।
কলগা ছিয়া।

**অশ্ৰু অঞ্জলি আৰু শোক সভা ঃ** আমাৰ কাৰ্য্য-কালত অসমৰ প্ৰাক্তন অসামৰিক আৰু যোগান বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া আৰু কলগাছিয়াৰ স্থানীয় মুৰব্বী মোঃ চিৰাজ উদ্দিন আহমেদৰ আকস্মিক পৰলোক প্ৰাপ্তি হয়। তেখেত সকলৰ মৃত্যুত শোক সভা অনুষ্ঠিত হয় আৰু তেওঁলোকৰ আত্মাৰ সদগতি কামনা কৰি শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্য্য-কালত বিভিন্ন উৎসৱ, পৰ্ব আদি সাফল্য-মণ্ডিত কৰি তোলাত অকনো অৱহেলা নকৰি শ্ৰমদান কৰা ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিশেষকৈ নবিবৰ ৰহমান, ইয়াছিন আলী, হাছান আলী, লাল মামুদ খান, আঃ গফুৰ, নবিবৰ ৰহমান, আবুবক্কাৰ ছিদ্দিক, হাফিজ ইদ্ৰিছ আলী, ৰস্তম আলী, সাহাব উদ্দিন, শামচুল হক, নুৰুল হক, মোকাজ্জেল খান, আবুবক্কাৰ ছিদ্দিক, আঃ কাদেৰ, আঃ আজিজ; আঃ হাকিম, মোয়াজ্জেম হুছাইন খান নজমল হক খান, জামাল উদ্দিন; দানেশ আলী— সুলতা ৰাণী কৰ্মকাৰ, সুফিয়া, ৰমেলা, হাফিজা, ছাহেৰা, টগৰ, মিনতী আৰু ৰৌসনাৰা আক্তাৰ লৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ বিভিন্ন কাৰ্য্যাৱলীৰ বুদ্ধি-পৰামৰ্শ আৰু সহায় সহযোগ কৰা সন্মানিত অধ্যাপক অধ্যাপিকা সকললৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

মোৰ কাৰ্য্যাৱলীৰ জটিলতম অৱস্থাতে পলমাত্ৰ কৃপনতা নকৰি দক্ষতাৰে কাৰ্য্য পৰিচালনা কৰিবলৈ বিভিন্ন দিশত বুদ্ধি পৰামৰ্শ সহায় দান কৰা মাননীয় অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ দেৱলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

আলোচনী সম্পাদক লাল মামুদ খানৰ অদুৰ প্ৰচেষ্টাত আমাৰ কলেজৰ আলোচনী খন প্ৰকাশ পোৱাত আমি সঁচাকৈয়ে আনন্দিত হৈছো আৰু তেওঁৰ শলাগ লৈছোঁ।

মোৰ বিভিন্ন কাৰ্য্যাৱলীত মহাবিদ্যালয়ৰ অফিচ ষ্টাফে সহায় আগবঢ়োৱাৰ বাবে তেওঁলোকলৈ কৃতজ্ঞতা আগবঢ়ালো।

মোৰ এই কাৰ্য্যকালৰ ভিতৰতে অজানিত আৰু অবাঞ্চিত ভাবে কৰা ভুল ত্ৰুটিৰ বাবে মই নতঃশিৰে ক্ষমা বিচাৰিছো।

সদৌশেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰে ভৱিষ্যৎ উজ্বল কামনাৰে,—

নৱ-জ্যোতি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত যি সকল ৰাইজে মুক্ত হস্তে দান বৰঙণি আগবঢ়াইছিল, তেওঁলোকক কৃতজ্ঞতা ৰসুৰৰণিৰে—

সন্মানিত অধ্যক্ষ, অধ্যাপক আৰু অধ্যাপিকা সকলৰ সুশিক্ষা দানৰ সুফল পোৱাৰ কামনাৰেমহান সৃষ্টি কৰ্ত্তা আল্লাহৰ ওচৰত প্ৰাৰ্থনা নিবেদি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীক আকৌ ধন্যবাদ জনাই শলাগৰ শৰাই আগবঢ়াইছোঁ। (নৱ-জ্যোতি মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতি কামনা কৰাৰ লগতে নৱ-জ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ৰঙীন ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। ইতি— "জয় হিন্দ" ?)

**এম. আব্দুল হক**
সাধাৰণ সম্পাদক, নৱ-জ্যোতি কলেজ
ছাত্ৰ একতা সভা, ১৯৮১-৮২ ইংৰাজী।
কলগা ছিয়া।

# খেল সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে নব্র-জ্যোতি মহাবিদ্যালয়ৰ সমূহ ছাত্র ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন তথা ওলগ জনাইছোঁ যি সকল বন্ধু বান্ধৱীয়ে মোৰ নিচিনা এজন ছাত্ৰক নৱ-জ্যোতি মহাবিদ্যালয়ৰ খেল সম্পাদক হিচাপে নিজকে পৰিচয় দিয়াৰ সুযোগ দিলে, সেই সকল বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰ কৃতজ্ঞ বন্ধু-বান্ধৱী সকলৰ মৰমৰ প্ৰতিদান স্বৰূপে মই একোৱে দিব নোৱাৰিলো, তাৰ বাবে মই অনুতপ্ত।

খেল বিভাগৰ সম্পাদক হৈয়েই বিগত বছৰ কেইটাত চলি অহা খেল ধেমালী সমূহৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলে যাতে আৰু কিছুমান নতুন নতুন খেল খেলিবৰ সুবিধা পায় তাৰ বিষয়ে ভাবিছিলো। কিন্তু নানা অসুবিধাৰ কাৰণে আৰু নিজৰ দায়িত্ব পালন কৰিব নোৱাৰাৰ বাবে কাৰ্য্যত উপনীত হব পৰা নাছিলো। যোৱা কেই বছৰৰ দৰে এই বাৰো আমাৰ মহাবিদ্যালয় কলেজ সপ্তাহ অনুষ্ঠিত হয়. আৰু বহুতো উলহ মালহৰে সামৰণি পৰে। এই কলেজ সপ্তাহত বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰী সকলে অংশ গ্ৰহণ কৰে যদিও ছাত্ৰৰ তুলনাত ছাত্ৰীৰ সংখ্যা নিচেই তাকৰ, তাৰ ওপৰিও বহু সময়ত তেওঁলোকক মাতি আনি খেল খেলিবলৈ অনুৰোধ কৰিব লগীয়া হয়। আন হাতে প্ৰতিযোগিতাত যোগদান কৰা ছাত্ৰৰ সংখ্যা সৰহ যদিও খেলৰ মানদণ্ড উন্নত মান বিশিষ্ঠ নহয়। গতিকে প্ৰতিবেদণৰ জৰিয়তে সমূহ ছাত্ৰ-ছাত্ৰীক অনুৰোধ জনাও যাতে তেওঁলোকে খেলত যোগদান কৰাৰ আগেয়ে খেলৰ নিয়মৰ বিষয়ে ভাল দৰে জানি লয়, আৰু ঘৰতে ভালদৰে অনুশীলন কৰে।


মোৰ কাৰ্য্যকাল ছোৱাত আমাৰ মহাবিদ্যালয়ৰ ফুটবল দলটিয়ে বঙিয়াত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয় আন্ত কলেজ ফুটবল প্ৰতিযোগিতাত আমাৰ খেলুৱৈ সকলে যথেষ্ঠ ভাল খেল প্ৰদৰ্শন কৰে যদিও এ, ডি, পি মহাবিদ্যালয়ৰ লগত পৰাজিত হয়। ইয়াৰ মূলতেই হৈছে উপযুক্ত প্ৰশিক্ষণ আৰু খেলৰ সা-সঁজুলিৰ অভাৱ। খেলৰ সামগ্ৰীৰ অভাৱত বহুতো খেল আমাৰ মহাবিদ্যালয়ত চলাব পৰা নাযায়। ইয়াৰ জৰিয়তে কৰ্তৃপক্ষক অনুৰোধ জনাও যাতে খেলৰ সামগ্ৰীৰ যোগান ধৰি ছাত্ৰ-ছাত্ৰী সকলক খেলৰ সুবিধা কৰি দিয়ে যেন আমাৰ মহাবিদ্যালয়ৰ ফুটবল খেল পথাৰখনৰ বিষয়ে প্ৰত্যেক বছৰে উনুকিয়াই অহা স্বত্বেও আজিলৈ খেল পথাৰখন নোহোৱা আৰু চকুত নপৰাটো বৰ দুখৰ কথা। আশা কৰো মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ইয়াৰ প্ৰতি নিশ্চয় চকু দিব।



মোৰ সকলো কামত সৎ উপদেশ দি উৎসাহিত কৰা ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় 'ওমৰ আলী আহম্মেদ আৰু মাননীয় মতিয়াৰ ৰহমান দেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ ওপৰিও মাননীয় অধ্যক্ষ মহোদয়ৰ মোৰ প্ৰতি থকা মৰম আৰু চোকা দৃষ্টি ৰখা বাবে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবিদিছোঁ। কলেজ সপ্তাহত মোক বিভিন্ন কামত সহায় কৰা সৰ্ব্ব শ্ৰী আব্দুল হক ( সাধাৰণ সম্পাদক ] নবিবৰ ৰহমান [সম্পাদক তৰ্ক বিভাগ], লাল মাহমুদ খান [আলোচনী সম্পাদক] নবিবৰ ৰহমান [সমাজ সেৱা] হাফিজ ইদ্ৰিছ আলী [ সহঃ সম্পাদক খেল বিভাগ] আব্দুল গফুৰ [সম্পাদক ছাত্ৰ জিৰণী কোঠা ] মোঃ আজিজুৰ ৰহমান, অব্দুল, আবুবাক্কাৰ ছিদ্দিক, কাদেৰ, মিচ্ সুলতা ৰাণী কৰ্মকাৰ [সম্পাদীকা ছাত্ৰী জিৰণী কোঠা] ৰৌশনাৰা আকতাৰ, শামচুন নেহাৰ, হাফিজা খাতুন, ছাহেৰা খাতুন আদিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা-জ্ঞাপন কৰিছোঁ।

সদৌ শেষত আমাৰ মহাবিদ্যালয়ৰ খেল বিভাগৰ লগতে নৱজ্যোতি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি আৰু মোৰঅজানিত ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন ইমানতেই সামৰিলো।

মোঃ হাছান আলী
সম্পাদক, খেল বিভাগ।



# "সমাজ সেৱা সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন"

জয় জয়তে এয়া মই নৱ-জ্যোতি মহাবিদ্যালয়ৰ শিক্ষা গুৰু সমূহ, ছাত্ৰ-ছাত্ৰী লগতে নিৰ্ব্বাচনত বিশেষ দক্ষতাৰে সহায় সহযোগ আগবঢ়োৱা বন্ধুসকলৈ মই চিৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, অধ্যাপক আৰু অধ্যাপিকা সকলে সমাজ সেৱা বিভাগৰ সম্পাদকৰ নিচিনা গুৰুত্ব পূৰ্ণ কামটো বহুত আশা আৰু মৰমেৰে মোৰ হাতত তুলি দিয়াত মই নিজেই আনন্দিত হৈছোঁ, কিন্তু দুখৰ বিষয় কাৰ্য্যভাৰ গ্ৰহণৰ সময়ত বিভাগীয় কোনো সা-সজুলি, আনকি এই বিভাগৰ কোনো আছুতীয়া ফাণ্ড নাই বুলি জানিবলৈ পাইছিলোঁ, কিন্তু অধ্যক্ষ মহোদয় আৰু ভাৰপ্ৰাপ্ত মহোদয় লগতে ইউনিয়নৰ সদস্য সকলৰ সহযোগিতাত ইউনিয়নৰ আন আন ফাণ্ডৰ পৰা ধাৰ কৰি অস্থায়ী ফাণ্ডৰ ব্যৱস্থা কৰি ১৯৮১-৮২ চনৰ বিভাগীয় কাম কৰি যাবলৈ সুবিধা দিয়ে। সেয়ে এই সামান্য ফাণ্ডৰ সহায়ত কিমান দূৰ কামত আগবাঢ়িব পাৰিছোঁ সেইটো বিচাৰৰ ভাৰ আপোনালোকৰ হাতত থাকিল। লগতে কলেজ কৰ্তৃপক্ষলৈ আগন্তুক বছৰৰ পৰা আছুতীয়া ফাণ্ড আৰু সা-সজুলি কৰি দিব বুলি মোৰ অনুৰোধ থাকিল।

আৰম্ভনিতেই কওঁ আমাৰ কলেজৰ বেছি সংখ্যক ছাত্ৰ ছাত্ৰীয়েই সমাজ সেৱাত যোগদান নকৰে। কিছুমানে ভাবে সমাজ সেৱা কৰিলে নিজে সৰু হৈ যায়, আৰু কিছুমানে ভাবে 'আমিতো কলেজত অধ্যায়ন কৰিবলৈ আহিছোঁ, কাম কৰিবলৈ অহা নাই।' কিন্তু মোৰ ক্ষুদ্ৰ জ্ঞানেৰে এইটো ভুল বুলি ভাবো, কাৰণ ছাত্ৰ ছাত্ৰীৰ অকল পঢ়াটো কাম নহয়; তাৰ লগতে সমাজৰ উন্নতিৰ কাৰণে কাম কৰাৰ প্ৰয়োজন। গতিকে মই অনুৰোধ জনাওঁ যে এই ভুল ধাৰনা বাদ দি সমাজ সেৱাত যোগদান কৰিব বুলি আশা ৰাখিলোঁ।

মোৰ প্ৰত্যেক কাম সুচাৰু ৰূপে সমাধা কৰাত নানান উপদেশেৰে সহায় কৰা ভাৰপ্ৰাপ্ত অধ্যাপক আঃ ছালাম এম, এচ, চি মহোদয়ৰ ওচৰত চিৰ কৃতজ্ঞ, ইয়াৰ বাহিৰেও সজ উপদেশ আৰু সহায় সহযোগ আগবঢ়োৱা মাননীয় অধ্যক্ষ আৰু অধ্যাপক বৃন্দলৈ ভক্তিপূৰ্ণ শ্ৰদ্ধা নিবেদিছোঁ। তাৰ উপৰিও বিভিন্ন কামত সহায় কৰা আঃ কাদেৰ, জয়নাল আবদিন; মাজম আলী; চাহজাহান আলী; আঃ হাকিম ছোহৰাব; জহিৰ উদ্দিন; বিলাত হোসেন আদিলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

সদৌ শেষত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱী লৈ মোৰ আন্তৰিক ধন্যবাদ তথা শলগৰ শৰাই আগবঢ়াইছোঁ। মোৰ অজানিত ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ লগতে নৱ-জ্যোতি মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিলোঁ। ধন্যবাদ !

মোঃ নবিবৰ ৰহমান।
সম্পাদক সমাজ সেৱা বিভাগ
নৱ-জ্যোতি কলেজ, ১৯৮১-৮২ ইং



# নৱজ্যোতি মহাবিদ্যালয় সংগীত আৰু সাংস্কৃতিক সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন ।

চন ১৯৮১-৮২ ইং

অভিনন্দন,

জয় জয়তে যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱী আৰু হিতাকাংখীয়ে মোক নৱ জ্যোতি মহাবিদ্যালয়ৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভালৈ সংগীত আৰু সাংস্কৃতিক সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰি এইখন মহাবিদ্যালয়ৰ সাংস্কৃতি আৰু কলা কৃষ্টিৰ সেৱা আগবঢ়াবলৈ যি পঠিয়াই অনুন্নত অঞ্চলত প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ সাংস্কৃতি আৰু কলা কৃষ্টিৰ সেৱা আগবঢ়াবলৈ যি সুবিধা দান কৰিছিল, সেই সকল মহান ব্যক্তিলৈ মোৰ আন্তৰিক অভিনন্দন জনাই মোৰ সম্পাদকীয় প্ৰতিবেদনৰ দ্বাৰ উন্মোচন কৰিছোঁ।

শিক্ষা সাংস্কৃতিৰ ব্যাপক উৎকৰ্ষ সাধন নহলে এইখন সমাজ তথা দেশ প্ৰগতিৰ পথত বলিষ্ঠ পদক্ষেপ কৰিব নোৱাৰে। সাহিত্যত যেনেকৈ সমাজৰ স্বৰূপ প্ৰতিফলিত হয়, কলা সাংস্কৃতিত তেনেকৈ সমাজ তথা দেশ এখনৰ প্ৰগতিৰ স্বৰূপ চিত্ৰ প্ৰতিফলিত হয়। গতিকে অনুন্নত এখন সমাজ তথা দেশ প্ৰগতিৰ ফালে আগবঢ়াবলৈ শিক্ষা উপাৰ্জ্জনৰ যিমান খিনি অপৰিহাৰ্য্য, কলা, সাংস্কৃতিৰ উৎকৰ্ষ সাধন ঠিক সেইখিনি অতীৱ প্ৰয়োজন। মই আশা ৰাখিছোঁ এইখন মহাবিদ্যালয়ৰ সাংস্কৃতি, চাৰু কলা চৰ্চ্চাক কেন্দ্ৰ কৰি বাধা গ্ৰন্থ বিশাল সমাজে সাংস্কৃতিৰ পোহৰেৰে আলোকিত হৈ প্ৰগতিৰ পথত এদিন আগবাঢ়িব পাৰি। অশেষ কষ্ট কৰি সজোৱা মঞ্চত যেতিয়া বৰষুণৰ পানীয়ে অবাধে ৰাজত্ব চলায় তেতিয়া মনৰ মাজত কেনেকুৱা মানসিক হতাশাই ঠাই লয় তাক সক্ৰিয় আৰু সজাগ সকলেহে বুজিব পাৰে।

অস্থায়ী মঞ্চত অনুষ্ঠান এখন চলোৱা কিমান দুঃখ তাক সংগীত সম্পাদক হলেহে বুজিব পাৰি। অশেষ কষ্ট কৰি সজোৱা মঞ্চত যেতিয়া বৰষুণৰ পানীয়ে অবাধে ৰাজত্ব চলায় তেতিয়া মনৰ মাজত কেনেকুৱা মানসিক হতাশাই ঠাই লয় তাক সক্ৰিয় আৰু সজাগ সকলেহে বুজিব পাৰে। এই মহাবিদ্যালয়ৰ আন আন বিভাগৰ সম্পাদক আৰু ভাৰপ্ৰাপ্ত অধ্যাপক সকল ধন্যবাদৰ পাত্ৰ হব পাৰিলেও, এই বিভাগৰ সম্পাদক আৰু ভাৰপ্ৰাপ্ত অধ্যাপক তাৰ পৰা বঞ্চিত, অথচ কটু সমালোচনাৰ সন্মুখীন হব লগাটো মন কৰিব লগীয়া।

কাৰ্য্য বিবৰণী –

১৯৮১-৮২ চনৰ শিক্ষা বছৰৰ 'মহাবিদ্যালয় সপ্তাহ' উৎসৱ উৎযাপনৰে মোৰ সাংস্কৃতিক সম্পাদকীয় কাম কাজৰ শুভাৰম্ভ হয়। চাৰি দিনীয়া কাৰ্য্য সুচীৰে উৎযাপন কৰা এই উৎসৱত মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিভিন্ন সংগীত গজল, বোৰাচ, নৃত্য আৰু একাংকীয়া নাট

প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এইখন সমাজৰ প্ৰগতিৰ মানদণ্ড হিচাবে উক্ত প্ৰতিযোগিতাত প্ৰতিযোগিৰ সংখ্যা যথেষ্ঠ হৈছিল যদিও মহাবিদ্যালয় হিচাবে আশানুৰূপ নহয়। মই আগত ছাত্ৰ-ছাত্ৰী আৰু বন্ধু বান্ধৱী সকলৰ প্ৰতি মোৰ সমাজ সেৱা প্ৰবৃত্তিৰ সংস্কাৰ কামী আহ্বান ৰাখিছো, যাতে তেওঁলোকে অহা বছৰলৈ সংগীত আৰু সাংস্কৃতিক সম্পাদকক তেওঁৰ প্ৰতিবেদনত এই কথা লিখাৰ সুবিধা নিদিয়ে।

এই খিনিতে মই এটি কথা আপোনালোকক নজনাই নোৱাৰিলো। কাৰণ মহামতি পণ্ডিত নীটছে কৈছে, 'নিজৰ কবলগীয়া থকা স্বত্বেও যিজনে নকয় তেওঁৰ সমান মূৰ্খ আৰু ভণ্ড এই পৃথিবীত নাই।' আপোনালোকে জানে এই বেলি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাম কাজ নিয়াৰিকৈ চলাবলৈ বছৰৰ প্ৰথমতে এখন বাজেট সভা আহ্বান কৰা হয়। আৰু উক্ত বাজেটত নিৰ্দ্ধাৰিত কৰা বিভিন্ন শিতানৰ বাবে অৰ্থ মঞ্জুৰি অনুযায়ী গোটেই বছৰত কাম চলে। বৰ পৰিতাপৰ বিষয় যে সাংস্কৃতিক বাধা গ্ৰস্ত এখন মহাবিদ্যালয়ৰ বাবে এই বেলি আমাৰ মহাবিদ্যালয়ত গোটেই বছৰৰ বাবে অৰ্থ মঞ্জুৰি কৰা হয় মাত্ৰ ২৫০'০০ (দুইশ পঞ্চাশ) টকা। যিটো কথা মই এইখন মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক হিচাবে উচ্চাৰণ কৰিবলৈ টান পাও, বিশেষকৈ অইন অইন মহাবিদ্যালয়ৰ ছাত্ৰৰ আগত নিজকে যেন হেয় অনুমান হয়। যাৰ কবলত পৰি মহাবিদ্যালয়ৰ অনুষ্ঠিত সংগীত আৰু সাংস্কৃতিক প্ৰতিযোগিতাৰ বিজয়ী সকলক পুৰস্কৃত কৰিবলৈ মই নিজে এদিন এজন "হাৰকমাল" বিক্ৰিকৰা দোকানীৰ ওচৰত যাবলৈ বাধ্য হৈছিলোঁ। এইখিনিতে হয়তো আপোনালোকে নিশ্চয় উপলব্ধি কৰিব পাৰিছে যে মই বিজয়ী সকলক দান কৰা পুৰস্কাৰৰ মানদণ্ড কিমান উচ্চ শ্ৰেণীৰ [?] আছিল। অতি পৰিতাপৰ কথা এইযে বিজয়ী সকলক দান কৰা পুৰস্কাৰ 'বটা বিতৰণী' সভাত বিতৰণ কৰা হোৱা নাছিল। এদিন অনা আনুষ্ঠানিক ভাবে মহাবিদ্যালয় শ্ৰেণী কোঠাত বিজয়ী সকলক মাতি নি দিয়া হয়। সাংস্কৃতিৰ প্ৰতি দেখুৱা অৱহেলাৰ এইয়া এক অভিনৱ নিদৰ্শন।

কবলৈ বাধ্য হৈছো যে আমাৰ মহাবিদ্যালয়ত সংগীত আৰু সাংস্কৃতিৰ ছাত্ৰ-ছাত্ৰীৰ পৰা আঁচুতীয়াকৈ জন প্ৰতি ২ (দুই) টকাকৈ ফিচ লোৱা হয়। ইয়াৰ পৰাই নিশ্চয় আপোনালোকে বুজিব পাৰিব যে সংগীত আৰু সাংস্কৃতিৰ বাবদ কিমান পুঁজি সংগ্ৰহ হব পাৰে আৰু কিমান মঞ্জুৰী কৰিব পাৰে। ২৫০'০০ (দুইশ পঞ্চাশ) টকা মঞ্জুৰি দানেৰে দেখা যায় যে সাংস্কৃতিৰ প্ৰয়োজনীয়তা উপেক্ষা কৰাহে হৈছে। আশা ৰাখিছো উত্তৰ পুৰুষে ইয়াৰ সংস্কাৰ সাধিব।

## কৃতজ্ঞতা স্বীকাৰ ঃ—

এনেকুৱা পৰ্য্যায়ৰ নানান আলৈ আহকালৰ সন্মুখীন হবলগীয়া হোৱাত মোৰ হৃদয়ত সাংস্কৃতিক চৰ্চ্চাৰ অদম্য বাসনা থকা সত্বেও এইখন মহাবিদ্যালয়ত নিষ্কৰ্ম্মাৰ শাৰীত থিয় হৈ মনে মনে সাংস্কৃতিক উন্নতি কামনা কৰাৰ বাহিৰে অন্য গত্যন্তৰ নাছিল। 'বাধা হীন প্ৰগতিৰ মূল্য নাই'। কথাষাৰ ঐতিহ্য ৰক্ষা, যিসকল সাংস্কৃতি প্ৰেমী মোৰ কাৰ্য্যকালত সহায় সহানুভূতি আগবঢ়াইছিল



তেখেত সকলৰ নাম স্মৰণ নকৰি নোৱাৰিলো। তেওঁলোক হল সৰ্ব্বশ্ৰী- ছায়েদুৰ ৰহমান, আব্দুলআজিজ, মতিয়াৰ ৰহমান, মাহবুবৰ ৰহমান আহমেদ আলী, মহিউদ্দিন, আঃ বাৰেক, হবিবৰ ৰহমান, ছামাদ চৌধুৰী খঃ আবু আহমেদ, আঃ কদ্দুছ, ছামছুল হকচৌধাৰী, মিচ্ হামিদা খাতুন, ৰুকীয়া বেগম, হাজেৰা বেগম, সুফিয়া খাতুন, নুৰুল ইছলাম, মাইদুল ইছলাম আৰু সঃ সাংস্কৃতিক সম্পাদক নুৰুল হক আহমেদলৈ থাকিলমোৰ আন্তৰিক অভিনন্দন। সাংস্কৃতিৰ ৰঙিন পোহৰে তেওঁলোকক আলোকিত কৰক।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশ তথা সমস্যা সমাধানত পলমাত্ৰ পলম নকৰাকৈ দান কৰা বহুমূলীয়া পৰামৰ্শৰ বাবে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহাশয়, অধ্যাপক মাননীয় ঘনশ্যাম ভৰালী, লম্বিত কোৱঁৰ, মতিয়ৰ ৰহমান আৰু অধ্যাপিকা মিছ ছৈয়দা মেহিৰুণ নেছা বেগমলৈ ৰাখিলো মোৰ ভক্তিৰ অৰ্ঘ্য।

## সামৰণি—

সামৰণি বেলিকা মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত ৰাখিছো মোৰ নিবেদন। এই মহাবিদ্যালয়ত সংগীত আৰু সাংস্কৃতিৰ চৰ্চ্চাৰ অতীৱ প্ৰয়োজনীয় আহিলা পাতিখিনি যোগান ধৰিবলৈ তেখেত সকলক অনুৰোধ জনাইছো। লগতে জনাও এখন স্থায়ী মঞ্চৰ বাবে, আবেদন ৰাখিছো বছৰেকীয়া বাজেটত পৰ্য্যাপ্ত পৰিমাণৰ অৰ্থ মঞ্জুৰিৰ বাবে। সদৌ শেষত মোৰ এবছৰীয় সংগীত আৰু সাংস্কতিক সম্পাদকীয় নানান কাম কাজৰ মাজেদি ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা সকলৰ ওচৰত অবাঞ্চিত ভাবে কৰি অহা ভুলৰ ক্ষমা বিচাৰি, নৱ-জ্যোতি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি, সাংস্কৃতি বাধাগ্ৰস্ত এই বিশাল সমাজৰ কলা-সাংস্কৃতিৰ উৎকৰ্ষ সাধন কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ। ইতি— জয় হিন্দ।

ঃ শ্ৰদ্ধাৰে ঃ

সাহেব উদ্দিন আহমেদ
সংগীত আৰু সাংস্কৃতি সম্পাদক
নৱ-জ্যোতি মহাবিদ্যালয়
কলগাছিয়া

কলগাছিয়া
তাং = ২৯।৩।৮২ ইং

# প্ৰতিবেদন তৰ্ক সভা

প্ৰতিবেদনৰ আৰম্ভনিতেই নৱ-জ্যোতি কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি ধন্যবাদৰ শৰাই আগবঢ়াইছোঁ, যি সকলে মোক বিনা প্ৰতিদ্বন্দীতাৰে নিৰ্ব্বাচনত জয় লাভ কৰাৰ সুযোগ দিছিল।

অভিনন্দন জনাই উঠিয়েই ছাত্ৰ-ছাত্ৰী সমূহক, যি সকলে বহু আশাৰে মোক এই মহান দায়িত্ব 'তৰ্ক সভাৰ সম্পাদক'ৰ ভাৰ অৰ্পন কৰিছে তেওঁলোকৰ ওচৰত ক্ষমা মাগিছোঁ। কাৰণ তেওঁলোকৰ অসীম আশাক বাস্তৱ ৰূপ দিব পৰা নাই।

মানুহৰ নৈতিক কৰ্ত্তব্য গঢ়াতহে, ভঙাত নহয়। এই ভাৱক সাদৰে আকোৱালি লৈ মইয়ো নতুন কিবা কিবি গঢ়াৰ অটল আশাৰে ছাত্ৰ-ছাত্ৰী সকলে জাপি দিয়া এই মহান দায়িত্বক অবিচল প্ৰতিজ্ঞাসহ গ্ৰহণ কৰিছোঁ। গতানুগতিকতাৰ পৰা ফালৰি কাটি নতুনত্বক সাৱটি নতুন কিবা কিবি গঢ়িম বুলি ভাবিছিলো যদিও অজানিত অসুবিধাবোৰে বাধা দিছে।

এতিয়ালৈকে যিখিনি কৰিছো তাৰ বাবে ধন্যবাদ বিচৰা নাই; কিন্তু কৰিব নোৱাৰাখিনিৰ বাবে ক্ষমা বিচাৰিছোঁ।

প্ৰতিবেদন লিখালৈকে মোৰ কাৰ্য্যকালৰ মাথোন আঠ মাহ মানহে পাৰ হৈ গৈছে। আগত মাহ কেইটিত নতুন আঁচনি কৰি ৰাখিছোঁ। আশা কৰো ছাত্ৰ-ছাত্ৰী সকলৰ পৰা নোপোৱা সহযোগ এইবাৰ পাম

এই কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষা গুৰুৰ অবিহনে মোৰ কাৰ্য্য পালন কৰা সম্ভৱ নহয়। সেয়েহে বিভাগীয় তত্ত্বাৱধায়ক অধ্যাপক লম্বিদ কোঁৱৰ লগতে অধ্যক্ষ আব্দুল চাত্তাব আহমেদ, উপাধ্যক্ষ মোজাম্মেল হোচাইন, শিক্ষাগুৰু দেৱান গফুৰ আহমেদ আৰু আব্দুল চালাম এম, এচ, চি দেৱৰ লগতে এই বিভাগৰ মোৰ সহকৰ্মী ৰুস্তম আলী আহমেদৰ অশেষ কষ্ট শলাগ নলৈ নোৱাৰিছোঁ। ইয়াৰ উপৰিও বিভিন্ন বিভাগৰ সম্পাদক সম্পাদিকা সকল আৰু বন্ধু ইয়াচিন; ৰশিদ, আজিজ, ৰমেশ, হাকিম; দানেশ, আবুবক্কাৰ, আয়নাল, বিল্লাল, মোৱাজ্জেম আৰু বহুতকে আন্তৰিক মৰম জনাইছোঁ।

সদৌ শেষত সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক ধন্যবাদ জনাই আৰু নৱ জ্যোতি কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছোঁ। জয় হিন্দ।

নবিবৰ ৰহমান।
সম্পাদক, তৰ্ক সভা



# ছাত্ৰ জিৰণি কোঠা সাম্পদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই নৱ-জ্যোতি কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। মোক জিৰণি কোঠাৰ সম্পাদক হিচাবে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্ব্বাচিত হোৱাৰ সুযোগ দিয়া বাবে কৃতজ্ঞতা স্বীকাৰ কৰাৰ লগে লগে আৰু এটা কথা নিলিখি নোৱাৰিলো, সেইটো হল কেৱল নিৰ্ব্বাচিত কৰিলেই নহব সহযোগ লাগিব। বন্ধু-বান্ধৱী সকলৰ মৰমৰ প্ৰতিদান স্বৰূপে মই একোৱেই দিব নোৱাৰিলো। তাৰ বাবে মই অনুতপ্ত।

এষাৰ অপ্ৰিয় সত্য কথা প্ৰতিবেদনত গুজিবলৈ মই অস্বিস্ত বোধ কৰিছোঁ, সেয়া হল আমাৰ ছাত্ৰ-বন্ধু সকলৰ পশ্চ্যাৎগামী মনোবৃত্তি, যাৰ বাবে তেওঁলোকে কলেজ সপ্তাহত কলেজ চাৰিবেৰৰ মাজতে অনুষ্ঠিত বিভিন্ন অনুষ্ঠানাদিৰ পৰা নিলগত ৰৈ থাকিব বিচাৰে, এনেকি ছাত্ৰ জিৰণি কোঠাৰ মজিয়াত হোৱা খেলবোৰো নিৰ্দ্দিষ্ট চাম ছাত্ৰ বন্ধুৰ মাজেৰেই গৈ থাকিব লগীয়া হয়। মই আশা ৰাখিছো পৰৱৰ্ত্তী সম্পাদকবোৰে যাতে প্ৰতিযোগী বিচাৰি বিব্ৰত হৈ নেযায়।

মোৰ কাৰ্য্যকালৰ ভিতৰত গতানুগতিকতাৰ পৰা ফালৰি কাটি নতুনত্বক আদৰিবৰ প্ৰয়াস কৰিছিলো। সেয়েহে এই কলেজৰ ইতিহাসত প্ৰথমবাৰৰ বাবে আমাৰ ছাত্ৰ-বন্ধু বৰ্গৰ বৌদ্ধিক বিকাশৰ অৰ্থে ছাত্ৰ জিৰণি কোঠাৰ বাতৰি কাকতৰ যোগান ধৰিছিলো।

সামৰণিলৈ আহি কলেজ কৰ্তৃপক্ষক অনুৰোধ কৰিছোঁ ছাত্ৰ জিৰণি কোঠাত পৰ্য্যাপ্ত পৰিমাণৰ বেঞ্চৰ যোগান ধৰি ছাত্ৰ-বন্ধু সকলৰ সুবিধা কৰি দিয়ে যেন।

মোৰ সকলো কামতে সৎ উপদেশ দি উৎসাহিত কৰা ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় দেৱান আব্দুল গফুৰ আহমেদৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ মহোদয়ৰ মোৰ প্ৰতি থকা মৰম আৰু চোকা দৃষ্টিৰ বাবে মই চিৰ কৃতজ্ঞ। লগতে মাননীয় উপাধ্যক্ষ, অধ্যাপক অধ্যাপিকা সকলে মোৰ প্ৰতি চোকা দৃষ্টি ৰখা বাবে তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। কলেজ সপ্তাহত মোক বিভিন্ন কামত সহায় কৰা সৰ্ব্বশ্ৰী— হাচান, ৰমেজ, গোলাম, আজিজ, ছিদ্দিক আজাহাৰ, কাদেৰ, ৰশিদ, মহিৰ (বন্ধু) নবিবৰ, সাজেদ, পৰেশ, মান্নান, সাধাৰণ সম্পাদক আব্দুল হক আৰু লগতে বান্ধবী ৰৌশনা; হাফিজা, ৰাহিমা, টগৰ; মিনতি, ৰেজিয়া. সুফীয়া, সম্পাদিকা ছাত্ৰী জিৰণি কোঠা সুলতা, শামচুন, নেহাৰ আদি লৈ মোৰ আন্তৰিকমৰম আৰু ধন্যবাদ থাকিল। জ্ঞাতে-অজ্ঞাতে কৰি অহা ভুল ত্ৰুটিৰ বাবে বন্ধু-বান্ধৱী সকলৰ ওচৰত ক্ষমা বিচাৰি

সদৌ শেষত আৰু নৱ-জ্যোতি মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কামনাৰে প্ৰতিবেদন সামৰিছোঁ।

ধন্যবাদেৰে=
আব্দুল গফুৰ আহমেদ
সম্পাদক' ছাত্ৰ জিৰণি কোঠা
ইং ১৯৮১-৮২ চন

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰথম পাতনিতে মহান আৰু ঐতিহ্যপূৰ্ণ নৱ জ্যোতি মহাবিদ্যালয় অনুষ্ঠানটোৰ প্ৰতি মোৰ সীমাহীন শ্ৰদ্ধাৰ্ঘ্য জ্ঞাপন কৰিছোঁ। লগতে আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাস্পদ অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক আৰু অধ্যাপিকা সকললৈ মই মোৰ ভক্তিভৰা শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। ১৯৮১-৮২ ইং চনৰ নৱ জ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মোক নিয়োজিত কৰাৰ কাৰণে সমূহ ছাত্ৰ ছাত্ৰী বন্ধু বান্ধৱী সকললৈ কৃতজ্ঞতা স্বীকাৰ কৰাৰ লগতে মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ।

ছাত্ৰীৰ জিৰণি কোঠাৰ সম্পাদিকা হিচাবে মনোনীত হোৱাৰ কিছুদিন পিছতে মোক এই গুৰুভাৰ অৰ্পন কৰা হৈছিল। মনতে বহুত কল্পনা কৰিছিলো, এই গুৰু ভাৰলৈ মই আমাৰ মহাবিদ্যালয়ৰ বহুতো কিবা কিবি কৰিম। কিন্তু সেয়া বাস্তৱত ৰূপ সম্পূৰ্ন ৰূপে পৰিণত কৰিব নোৱৰিলো। তাৰ বাবে মই ছাত্ৰ ছাত্ৰী বন্ধু বান্ধৱী সকলৰ ওচৰত চিৰ ঋণী।

বৰ্ত্তমানে আমাৰ মহাবিদ্যালয় ছাত্ৰীৰ জিৰণি কোঠাটোৰ অৱস্থা তেনেই পানীত হাঁহ নচৰা। ছাত্ৰীৰ জিৰণি কোঠাৰ যিখিনি সা-সুবিধা থাকিব লাগিছিল সেই খিনি তেনেই নগন্য। দিন যোৱাৰ লগে লগে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীৰ সংখ্যাও বৃদ্ধি পাই আহিছে। সেইবাবে আমাৰ জিৰণি কোঠাটো কিছু ঠেক হৈছে, ঠাইয়ে নোযোৰা হৈছে। ডেস্ক বেঞ্চৰ অভাৱ। ছাত্ৰীবোৰ বহিবলৈ অকণমান সুযোগ নাপায়। ইয়াৰ উপৰিও ছাত্ৰীৰ এটা ভাল প্ৰসাৱগাৰ আৰু শৌচ গাৰ নাই। এইখিনিৰ পৰাও আমি বঞ্চিত হব লগাত পৰিছো।

উক্ত অভাব অভিযোগবোৰ মই পূৰণ কৰিব নোৱাৰিলো বাবে মই দুঃখিত। আগন্তুক বছৰলৈ বাঢ়ি অহা ছাত্ৰীৰ প্ৰতি লক্ষ্য ৰাখি যাতে এই খিনি অভাৱ অভিযোগ সুকলমে সমাধা হয় তাৰ কাৰণে মই মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলো।

আন আন বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ত চাৰি দিনীয়া কাৰ্য্যসূচীৰে কলেজ সপ্তাহ মহা আনন্দ উল্লাসৰ মাজেৰে অনুষ্ঠিত হয়। কিন্তু বৰ পৰিতাপৰ কথা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীৰ তৰফৰ পৰা বহু সংখ্যক ছাত্ৰী বান্ধৱীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ সংকোচ বোধ কৰিছে। যি সকল বান্ধৱীয়ে এই কাৰ্য্যক্ষেত্ৰৰ পৰা বহু দূৰত আছিল তেওঁলোকক মই কবলৈ বিচাৰো ভৱিষ্যতে সিহঁত যেন কোনো প্ৰকাৰ সংকোচ বোধ নকৰি সংকীৰ্ন মনোভাৱ আঁতৰাই বিভিন্ন কাৰ্য্য কলাপ আৰু বিভিন্ন প্ৰতিযোগিতাত যোগদান কৰিব বুলি আশা ৰাখিলোঁ।

শেষত মোৰ কাৰ্য্যৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা মিচ মেহেৰুন নেচা বেগমলৈ মোৰ সহস্ৰ প্ৰণাম নিবেদিছো। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক মোঃ আবুল হক, আলোচনী বিভাগৰ সম্পাদক লাল মামুদ খাঁন খেল বিভাগৰ সম্পাদক-মোঃ হাচান আলী, তৰ্ক বিভাগৰ সম্পাদক—নবিবৰ ৰহমান আৰু ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক গফুৰ আলী আহমেদ, এই কেইজন আদৰৰ ভাই সকলে মোৰ কৰ্মক্ষেত্ৰত সজ আৰু যুক্তিপূৰ্ণ পৰামৰ্শৰে মোক সহযোগিতা কৰাৰ কাৰণে মই তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ তথা চিৰ ঋণী। মোৰ কাৰ্য্যকালৰ অতিবাহিত হৈ যোৱা সময়খিনিৰ ভিতৰত মোৰ অজ্ঞাতে আৰু অনিচ্ছাকৃত ভাবে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে মই কৰযোৰে ক্ষমা বিচাৰিছো।

সামৰণিত আমাৰ মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন ভৱিষ্যত অগ্ৰগতি কামনা কৰাৰ লগতে ছাত্ৰ একতা সভাৰ উজ্জ্বল ভৱিষ্যতৰ কামনাৰে মোৰ ভাষাহীন, ৰসহীন ক্ষুদ্ৰ প্ৰতিবেদনখনৰ আঁৰ কাপোৰ টানিলো।

ধন্যবাদেৰে —
মিচ্ সুলতা কৰ্ম্মকাৰ
সম্পাদিকা—ছাত্ৰী জিৰণি কোঠা

# নৱ-জ্যোতি মহাবিদ্যালয়ৰ বছৰেকীয়া

খেল-ধেমালিৰ ফলাফল ১৯৮১-৮২ ইং চন

### বেডমিণ্টন একক

১ম – আঃ ছাত্তাব পি, ইউ, প্ৰথম বাষিক
২য়— মোঃ ইদ আলী পি, ইউ, ১ম বাষিক

### বেডমিণ্টন দ্বৈত

১ম — মোঃ হাছান আলী বি. এ, ১ম বাষিক
গোলাম মস্তফা বি, এ. ২য় বাষিক
২য় – আঃ ছাত্তাব পি, ইউ, ১ম বাষিক
হানিফ উদ্দিন বি, এ, ১ম বাষিক

### কেৰম একক

১ম— মদন মোহন কৰ্ম্মকাৰ পি, ইউ, ১ম বাঃ
২য় — গফুৰ উদ্দিন বি, এ, ১ম বাষিক

### কেৰম দ্বৈত

১ম — আঃ হামিদ পি, ইউ, ১ম বাষিক
আঃ বাশিৰ আহমেদ পি, ইউ, ১ম বাষিক
২য় আবু সাহাব আহমেদ পি, ইউ, ১ম বাঃ
শুকুৰ আলী আহমেদ পি, ইউ, ১ম বাঃ

### দীঘল জাম্প

১ম – মোঃ হাছান আলী ১ম বাৰ্ষিক পি, ইউ,
২য় – আঃ ছাত্তাৰ ১ম বাষিক পি, ইউ,
৩য় – সাহাব উদ্দিন বি, এ, ১ম বাষিক

### সাঁতোৰা

১ম – আঃ আজিজ পি, ইউ, ১ম বাষিক
২য় — মোঃ ময়েজ উদ্দিন আহমেদ পি, ইউ ১ম বাঃ
৩য়— জয়নাল আবেদিন আহমেদ পি, ইউ, ১ম বাঃ

### দৌৰ (মাৰাথান)

১ম — সাহজাহান খাঁন বি, এ, ১ম বাষিক
২য়— আজিজুৰ ৰহমান পি, ইউ, ১ম বাষিক
৩য়— মোঃ বাছেৰ আলী পি, ইউ, ১ম বাষিক

### কেৰম একক (ছোৱালী)

১ম— ৰুকীয়া খাতুন পি, ইউ, ১ম বাষিক
২য়— হামিদা খাতুন বি, এ, ২য় বাষিক

### কেৰম দ্বৈত (ছোৱালী)

১ম— হামিদা খাতুন বি, এ, ২য় বাষিক
ৰুকীয়া খাতুন পি, ইউ, ১ম বাষিক
২য়— সুফীয়া খাতুন পি, ইউ, ১ম বাষিক
ছাহেৰা খাতুন পি. ইউ. ১ম বাষিক

### ডবা খেল

১ম— মোঃ হাছান আলী বি, এ, ১ম বাষিক
২য়— আবু সাহাব আহমেদ পি. ইউ, ১ম বাষিক

### ওখ জাম্প

১ম— আঃ ছাত্তাৰ পি, ইউ, ১ম বাষিক
২য় — সাহাব উদ্দিন বি, এ, প্ৰথম বাষিক

### পোল ভণ্ট

১ম— হুৰমুজ আলী বি, এ প্ৰথম বাষিক
২য়— নাই

### সৰ্ট পুট

১ম — আঃ ছাত্তাৰ পি, ইউ প্ৰথম বাষিক
২য় — নাই

### ভলীবল প্ৰতিযোগিতা দল

১ম – পি, ইউ প্ৰথম বাষিক শ্ৰেণী (এগ্ৰুপ)
২য় – বি, এ ১ম বাষিক শ্ৰেণী (এ গ্ৰুপ)

### তৰ্ক প্ৰতিযোগিতা

১ম-মোঃ লাল মামুদ খাঁন বি, এ প্ৰথম বাৰ্ষিক
২য়-মোবিনুৰ ৰহমান পি, ইউ, প্ৰথম বাষিক
৩য়-আব্দুল খালেক " " "

### আকস্মিক বক্তৃতা প্ৰতিযোগিতা

১ম-মোঃ মোবিনুৰ ৰহমান পি, ইউ ১ম বাষিক
২য়-মোঃ লাল মামুদ খান স্নাতক প্ৰথম বাষিক ক'লা
৩য়-মহিদুল ইছলাম পি, ইউ, ১ম বাষিক

### কুইজ প্ৰতিযোগিতা

প্ৰথম গ্ৰুপ

১। মোঃ হাছান আলী বি, এ প্ৰথম বাষিক
২। আব্দুল হক " "
৩। নবিবৰ ৰহমান " "
৪। গোলাম মস্তফা বি, এ, ২য় বাষিক

# ১৯৮১-৮২ চনৰ ক্ৰীড়া প্ৰতিযোগিতা

## সংগীত আৰু সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল

### ইংৰাজী আবৃত্তি
১ম— মোঃ মতিয়াৰ ৰহমান বি; এ প্ৰথম বাৰ্ষিক
২য়— মোঃ লাল মামুদ খাঁন ,, ,, ,,
৩য়— মোঃ আঃ বাৰেক মিঞা ,, ,, ,,

### অসমীয়া আবৃত্তি
১ম— আঃ ছামাদ চৌধাৰী বি, এ ২য় বাৰ্ষিক
২য়— মিচ্ ৰুকীয়া বেগম পি, ইউ ১ম বাৰ্ষিক
৩য়— মিচ্ হামিদা বেগম বি, এ, ২য় বাৰ্ষিক

### কোৰাচ
২য়— নুৰুল আহমেদ পি, ইউ ১ম বাৰ্ষিক
লগবীয়া
৩য়— আঃ ছামাদ চৌধাৰী বি,এ ২য় বাৰ্ষিক
লগবীয়া

### কামৰূপীয়া লোকগীত
১ম— নুৰুল হক আহমেদ প্ৰাঃ বিঃ প্ৰঃ বাৰ্ষিক
২য়— আঃ ছামাদ চৌধাৰী বি; এ ২য় বাৰ্ষিক
৩য়— আঃ বাৰেক মিঞা বি; এ; ১ম বাৰ্ষিক

### গোৱালপৰীয়া লোকগীত
১ম— মাজম আলী পি; ইউ প্ৰথম বাৰ্ষিক
২য়— নুৰুল হক আহমেদ পি; ইউ ১ম বাৰ্ষিক
৩য়— আঃ লতিফ খাঁন বি; এ ১ম বাৰ্ষিক

### অসমীয়া আধুনীক গান
১ম— নুৰুল হক আহমেদ পি; ইউ; ১ম বাৰ্ষিক
২য়— আঃ ছামাদ চৌধাৰী বি; এ ২য় বাৰ্ষিক
৩য়— মোঃ মতিয়াৰ ৰহমান বি; এ ১ম বাৰ্ষিক

### চিত্ৰাঙ্কণ
১ম— নাই
২য়— নাই
৩য় বাহাজ উদ্দিন আহমেদ পি, ইউ, ১ম বাৰ্ষিক

### একাংকিকা নাট
শ্ৰেষ্ঠ নাট [ দাবানল ]

শ্ৰেষ্ঠ পৰিচালক- নেৰাজুল হক পি, ইউ, ১ম বাঃ
( নিয়তিৰ বিচাৰ )

শ্ৰেষ্ঠ অভিনেতা-শুকুৰ আলী আহমেদ পি, ইউ, প্ৰথম বাৰ্ষিক

( সন্তান )

Supporting শ্ৰেষ্ঠ অভিনেতা-সহিদুল ইচ্লাম

শ্ৰেষ্ঠ নাট্যদল ( দাবানল )

১। নেৰাজুল হক পি, ইউ; ১ম বাৰ্ষিক
২। ছামাদ চৌধাৰী পি, ইউ ১ম বাৰ্ষিক
৩, ৰুস্তম আলী পি, ইউ ১ম বাৰ্ষিক
৪। মহম্মদ আলী বি, এ প্ৰথম বাৰ্ষিক
৫। মতলিব আলী পি, ইউ ১ম বাৰ্ষিক
৬। আয়নাল আলী পি, ইউ ১ম বাৰ্ষিক
৭। ৰমজান আলী পি, ইউ, ১ম বাৰ্ষিক
৮। আব্দুছ ছাত্তাৰ আহমেদ পি, ইউ ১ম বাৰ্ষিক

### কবিতা প্ৰতিযোগিতা
১ম— নাই
২য়— ছায়েদুৰ ৰহমান বি, এ ১ম বাৰ্ষিক
বিল্লাল হোচেইন বি. এ ১ম বাৰ্ষিক
৩য়— মহম্মদ আলী বি, এ ১ম বাৰ্ষিক
নুৰুল হক আহমেদ পি, ইউ ১ম বাৰ্ষিক

### গল্প প্ৰতিযোগিতা
১ম— নাই
২য়— নাই
৩য়— মহম্মদ আলী বি, এ; ১ম বাৰ্ষিক

### সমাজ সেৱা বিভাগৰ শ্ৰেষ্ঠ কৰ্মী সকল
১। আবুবক্কাৰ ছিদ্দিক পি; ইউ, প্ৰথম বাঃ
২। হাছান আলী বি, এ, প্ৰথম বাঃ
৩। মহিদুল ইচলাম পি, ইউ, প্ৰথম বাঃ
৪। হাফিচ ইদ্ৰিছ আলী পি, ইউ প্ৰথম বাঃ
৫। ইয়াদ আলী পি; ইউ, প্ৰথম বাঃ
৬। আজিজুৰ ৰহমান পি, ইউ, প্ৰথম বাঃ
৭। মজিবৰ ৰহমান পি, ইউ, প্ৰথম বাঃ
৮। বিলাত হোচেন পি, ইউ, প্ৰথম বাঃ
৯। হামিদা খাতুন বি, এ, ২য় বাঃ
১০। ৰোকিয়া খাতুন পি, ইউ, প্ৰথম বাঃ

### জিকিৰ আৰু জাৰী
১ম — নুৰুল হক আহমেদ পি ইউ; ১ম বাৰ্ষিক
২য়— আঃ বাৰেক মিঞা বি; এ প্ৰথম বাৰ্ষিক
৩য় — শহিদুল ইচলাম পি; ইউ ২য় বাৰ্ষিক

### গজল
১ম— নুৰুল হক আহমেদ পি, ইউ ১ম বাৰ্ষিক
২য় — আঃ ছামাদ চোধাৰী বি; এ ২য় বাৰ্ষিক
৩য় — মহিদুল ইচলাম পি, ইউ ১ম বাৰ্ষিক

### ৰাভা গীত
১ম — আঃ লতিফ খাঁন বি, এ ১ম বাৰ্ষিক

### ইংৰাজী গান
১ম— নাই
২য়— নাই
৩য়— নুৰুল হক আহমেদ পি; ইউ ১ম বাৰ্ষিক

### পল্লী গীত
১ম— নুৰুল হক আহমেদ পি; ইউ ১ম বাৰ্ষিক
২য় আঃ ছামাদ চৌধাৰী বি; এ ২য় বাৰ্ষিক
৩য়— সহিদুল ইচলাম পি, ইউ ২য় বাৰ্ষিক

### বাংলা আধুনীক গান
১ম— নাই
২য়— নুৰুল হক আহমেদ পি. ইউ ১ম বাৰ্ষিক
৩য়— আঃ ছামাদ চৌধাৰী বি; এ ২য় বাৰ্ষিক

### ভেশছন
১ম - ইয়াদ আলী পি; ইউ; ১ম বাৰ্ষিক
[ সন্দেশৱালা ]
২য় - মিচ্ ছাহেৰা খাতুন পি, ইউ ১ম বাৰ্ষিক
[ নাৰ্চ ]
৩য়— মোকাজ্জেল হোছেন বি, এ; ১ম বাৰ্ষিক
[ ভদ্ৰমহিলা ]

NABAJYOTI COLLEGE LIBRARY, P.O. KALGACHIA
Estd-1971
Dist:-Kamrup,
(Assam)

নৱ-জ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হৈ আলোচনী সম্পাদক মোঃ লাল মামুদ খানৰ দ্বাৰা প্ৰকাশিত আৰু ইউনাইটেড প্ৰিন্টাৰ্চ, বৰপেটাৰোডত মুদ্ৰিত।